ASSAM LEGISLATIVE ASSEMBLY DEBATES



OFFICIAL REPORT

FOURTEENTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TWELFTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

NO. 4

The 5th March, 2010

Price : 201.00

DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Friday, the 5th March, 2010.

The House met at 9 A.M of the Clock in the Assembly Chamber at Dispur With Shri Tanka Bahadur Rai, Speaker in the Chair.

STARRED QUESTIONS AND ANSWERS

(TO WHICH ORAL REPLIES WERE GIVEN)

(Starred question Nos.41 and 42 could not be taken up for disposal as the questioners were not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

বিষয় ঃ- NRHM ৰ ধনৰ ব্যৱহাৰ।

শ্রীউদ্ধৱ বমর্ণে সুধিছে ঃ

*৪১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) আৰম্ভনিৰে পৰা যোৱা বছৰ কেইটাত আমাৰ ৰাজ্যখনে NRHM ৰ পৰা কিমান ধন প্রতিবছৰে লাভ কৰিছে বিতংকৈ জনাব নে? এই সময়ছোৱাত প্রতিখন জিলাই কিমান ধন লাভ কৰিলে?

(খ) ৰাজ্যখনৰ স্বাস্থ্য বিভাগৰ কোন কোন শিতানত এই ধন প্ৰতি বছৰে ব্যৱহাৰ কৰা হৈছে? (শিতানপ্ৰতি প্ৰতি বছৰে সেই কথা বিতংকৈ জনাব)

(গ) NRHM ৰ এই ধনৰ ব্যৱহাৰৰ মূল্যায়ণ প্ৰতি বছৰে কৰা হৈছে নে? যদি হৈছে, বিতংকৈ জনাব নে?

(ঘ) NRHM ৰ ধন অইন বেলেগ শিতানত ব্যয় কৰাৰ কিবা অভিযোগ উঠিছে নেকি? যদি উঠিছে, কি ধৰণৰ এই অভিযোগ? এই অভিযোগৰ সত্যাসত্য কি?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) যোৱা ২০০৫-০৬ বিত্তীয় বর্ষৰ পৰা পোৱা প্ৰতি বছৰে লাভ কৰা ধনৰ পৰিমান Annexure-I ত দেখুওৱা হৈছে।

এই সময়ছোৱাত প্ৰতিখন জিলাই প্ৰতিবছৰে লাভ কৰা ধনৰ পৰিমাণ Annexure-II ত দেখুওৱা হৈছে।

(খ) শিতান অনুযায়ী প্ৰতিবছৰে ব্যৱহাৰ কৰা ধনৰ পৰিমাণ বিতংভাবে Annexure-III ত দেখুওৱা হৈছে।

(গ) NRHM ৰ ধনৰ ব্যৱহাৰৰ মূল্যায়ণ প্ৰতিবছৰে কৰা হয়। Chartered Accountant ৰ দ্বাৰাপৰীক্ষা কৰাৰ উপৰিও সময়ে সময়ে Accountant General তথা কেন্দ্ৰীয় বিশ্লেষণ, পর্য্যালোচনা আৰু মূল্যায়ণ প্ৰতি বছৰে কৰা হয়।

(ঘ) বর্ত্তমানলৈকে কোনো অভিযোগ পোৱা নাই। অভিযোগ পালে ব্যৱস্থা লোৱা হব।

বিষয়ঃ বনগাওঁ উন্নয়ন আঁচনি।

ডাঃ কমলা কান্ত কলিতাই সুধিছেঃ

*৪২। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত বন বিভাগৰ বিভিন্ন সংমণ্ডলৰ অধীনত কিমানখন জে. এফ. এম. চি (JFMC) আছে? কামৰূপ পশ্চিম সংমণ্ডলৰ অধীনত বনগাওঁ সমূহৰ উন্নয়নৰ কাৰণে এই জে. এফ. এম চি.ৰ জৰিয়তে কি কি আঁচনি আৰু কিমান টকাৰ আঁচনি ২০০৮-০৯, ২০০৯-১০ বৰ্ষত গ্ৰহণ আৰু ৰূপায়ণ কৰা হৈছে? (জে. এফ. এম.চি ৰ সংখ্যা বন সংমণ্ডলৰ বিপৰীতে দিব আৰু আঁচনি সমূহৰ বিতং তালিকা সদনৰ মেজত দাখিল কৰিব)

(খ) আঁচনি সমূহ সঠিক ভাবে ৰূপায়ণ হৈছে নে ?

(গ) পশ্চিম কামৰূপ সংমণ্ডলৰ পৰা বন বিভাগে বালিৰ মহল সমূহৰ পৰা কিমান টকাৰ ৰাজহ ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০ বিত্তীয় বৰ্ষত লাভ কৰিলে? (সংমণ্ডলৰ অধীনত থকা বালিৰ মহলৰ বিপৰীতে আদায় হোৱা ৰাজহ পৃথকে পৃথকে দেখুৱাব)

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) অসমত বন বিভাগৰ বিভিন্ন সংমণ্ডলৰ অধীনত মুঠ ১৫৫৮ খন যৌথ বন পৰিচালনা সমিতি আছে। বন সংমণ্ডলৰ বিপৰীতে যৌথ বন পৰিচালনা সমিতিৰ নামৰ তালিকা বিচৰাধৰণে সংলগ্ন-১ দাখিল কৰা হ'ল। **(See Annexure-I)**

পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনত থকা ৬২ খন বন গাওঁৰ উন্নয়ণৰ কাৰণে যৌথ বন পৰিচালনা সমিতিৰ জৰিয়তে চৰকাৰী অনুদানৰ ভিত্তিত ২০০৮-০৯ বৰ্ষৰ আঁচনি সমূহৰ কাম সম্পূৰ্ণ কৰা হৈছে আৰু ২০০৯-১০ বৰ্ষৰ আঁচনি সমূহৰ কাম বৰ্ত্তমান চলি আছে। ২০০৮-০৯ আৰু ২০০৯-১০ বৰ্ষত যৌথ বন পৰিচালনা সমিতিৰ জৰিয়তে ৰূপায়ণ কৰা আঁচনি সমূহৰ মুঠ খৰছ তলত উল্লেখ কৰা হ'ল। বিতং তথ্য সংলগ্ন (২-৩) ত দেখুওৱা হ'ল।

(See Annexure-II)

২০০৮-০৯ বর্ষ ঃ-

৬২ খন বনগাওঁ উন্নয়ন শিতানত মুঠ খৰছ = ৯৫,৪৬,০০০/-

২০০৯-১০ বর্ষ ঃ-

৩৮ খন বনগাওঁ উন্নয়ন শিতানত মুঠ আৱন্টিত ধন = ৩,৯৬,৯৬,০০০/-

২০০৮-০৯ বর্ষঃ-

ৰাষ্ট্রীয় বাঁহ অভিযান আঁচনি ঃ (২ খন যৌথ বন পৰিচালনা সমিতি)

১। বগবাহা গৰুবন্ধা যৌথ বন পৰিচালনা সমিতি। ৩০ হেক্টৰ বাঁহ ৰোপন মুঠ = ৩,৭৫,০০০/-

২। কুলসী যৌথ বন পৰিচালনা সমিতি ৩০ হেক্টৰ বাঁহ ৰোপন মুঠ = ৩,৭৫,০০০/- টকা বিত্তীয় বর্ষ ২০০৯-১০ ত আঁচনি অনুসাৰে ব্যয় কৰিবলগীয়া বিতং তথ্য ১। বগবাহা গৰুবন্ধা = ২.২৫ লাখ ২। কুলসী = ২.২৫ লাখ।

(খ) হয়, আঁচনি সমূহ সঠিক ভাবে ৰূপায়ণ কৰা হৈছে আৰু হৈ আছে।

(গ) পশ্চিম কামৰূপ বন সংমণ্ডলৰ পৰা বন বিভাগে ৰালিৰ মহল সমূহৰ পৰা ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯, আৰু ২০০৯-১০ বর্ষত সংগ্রহ কৰা ৰাজহৰ হিচাব বার্ষিক ভিত্তিত তলত উল্লেখ কৰা হ'ল।

২০০৬-০৭ —— ৫৯,৬৩,৫৩৩ টকা

২০০৭-০৮ —— ১,২৮,৩৭,২৪৯ টকা

২০০৮-০৯ —— ৪৭,৮৮,৪৮৯ টকা

২০০৯-১০ —— ১,৩৮,২৬,৮৩৭ টকা

(জানুৱাৰী মাহলৈকে)

বিত্তীয় বর্ষ ও মহল অনুসাৰে আহৰণ কৰা ৰাজহৰ তথ্য সংলগ্ন ৪ ৰে দাখিল কৰা হ'ল।

(See Annexure--III)

(Starred Question Nos. 43 and 44 could not be taken up for disposal as the Hon'ble Minister, Forest was not available in the House during the question hour and subsequently, the Question Hour was over , However, the said questions deemed to have been laid on the table of the House wih replies there to)

বিষয় ঃ ঔষধি গছ।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

***৪৩। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমৰ বনাঞ্চল সমূহত যথেষ্ট পৰিমাণৰ ঔষধি গছ (Medicinal Plants) পোৱা যায়। এই ঔষধি গছ সমূহৰ অস্তিত্বৰ সম্পৰ্কে বিজ্ঞান সন্মত কিবা অনুসন্ধানৰ ব্যৱস্থা কৰা হৈছে নেকি?

(খ) যদি হৈছে, অৰ্থনৈতিক ভাবে সহজে উপলব্ধ হব পৰা কি কি প্ৰজাতিৰ ঔষধি গছ পোৱা গৈছে?

(গ) যদি হোৱা নাই, এই ক্ষেত্ৰত চৰকাৰে বিজ্ঞান সন্মত অনুসন্ধানৰ বাবে কিবা নতুন ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ ওঁ বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) অসমৰ বনাঞ্চলত উপলব্ধ ঔষধি গছৰ প্ৰজাতি আৰু বিৱৰণ "Flora of Assam" ত উল্লেখ আছে। অসমৰ বিভিন্ন বন সংমণ্ডলৰ কৰ্মবিধি প্ৰস্তুত কৰোতে গছ-গছনিৰ যি জৰীপ কৰা হয়, সেই জৰীপৰ সময়ত পোৱা ঔষধি গছ সমূহৰ নাম বনকৰ্ম বিধিত সন্নিবিষ্ট কৰা হয়। কিন্তু এই ঔষধি গছ সমূহৰ পৰিমাণ নিৰূপণ কৰা নহয়।

(খ) অৰ্থনৈতিক ভাবে সহজতে উপলব্ধ ঔষধি গছৰ কিছুমান প্ৰজাতিৰ নাম তলত উল্লেখ কৰা হ'ল- অৰ্জ্জুন, অমৰা, অশোক, অগৰু, অনন্তমূল, অশ্বগন্ধা, অমিতা,

আৰু ৪র্থ শ্রেণীৰ বিভিন্ন পদ বিভাগীয় নিয়ম অনুযায়ী পূৰণ কৰি আহিছে। খালী পদৰ বিপৰীতে বিত্ত বিভাগৰ পৰা অনুমোদন পোৱাৰ পিছতো বুজন সংখ্যক পদ পূৰণ কৰিবলৈ বাকী আছে। ইয়াৰে ৩য় শ্রেণী কার্য্যলয় সহায়কৰ পদ আৰু Health Educator পদৰ বাবে নিযুক্তি প্রক্রিয়া চলি আছ।

প্রশ্নত উল্লেখিত সময়ছোৱাৰ বাবে ইতিমধ্যে নিযুক্তি প্রদানৰ সংখ্যা তলত উল্লেখ কৰা হ'লঃ-

<u>চিকিৎসা শিক্ষা সঞ্চালকালয়</u>

২য় শ্রেণী - ২ জন ।

৩য় শ্রেণী - ২০২ জন ।

৪র্থ - ৪৯৭ জন।

(তালিকা সদনৰ মেজত দাখিল কৰা হ'ল) **See Annexure--(IV)**

<u>স্বাস্থ্য সেৱা সঞ্চালকালয়</u>

২ য় শ্রেণী - ১ জন।

৩ য় শ্রেণী - ১০৫৩ জন।

৪ র্থ - ৮৮৯ জন।

(তালিকা সদনৰ মেজত দাখিল কৰা হ'ল)। **See Annexure--(IV)**

<u>স্বাস্থ্য সেৱা সঞ্চালকালয় (FW)</u>

৩য় শ্রেণী -৫৫ জন।

(তালিকা সদনৰ মেজত দাখিল কৰা হ'ল)। **See Annexure--(IV)**

ইয়াৰ উপৰিও ৰাষ্ট্রীয় গ্রাম্য স্বাস্থ্য অভিযানৰ অধীনত ৭০২৫ জনক চুক্তি ভিত্তিক নিযুক্তি দিয়া হৈছে। এই ৭০২৫ ৰ ভিতৰত আশা কর্মী দেখুৱা হোৱা নাই।

(খ) ইতিমধ্যে নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন হোৱা তলত উল্লেখ কৰা পদৰ বিপৰীতে চলিত ২০০৯-১০ বিত্তীয় বৰ্ষত নিযুক্তি দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

চিকিৎসা শিক্ষা সঞ্চালকালয়

৩য় শ্ৰেণী - ৫৭ টা

৪র্থ শ্ৰেণী - ১১৩ টা

স্বাস্থ্য সেৱা সঞ্চালকালয় (FW)

৩য় শ্ৰেণী - ২ টা

৪র্থ শ্ৰেণী - ১১ টা

স্বাস্থ্য সেৱা সঞ্চালকালয়

৩য় শ্ৰেণী - ১০০০ (এক হাজাৰ) টা পদ।

ৰিঃ দ্ৰঃ বিত্ত বিভাগৰ পৰা ইতিমধ্যে অনুমোদন প্ৰাপ্ত পদ পূৰণ কৰিব পৰা হোৱা নাই, তেনে পদ পূৰণৰ বাবে প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

(Mr. Speaker vacated the Chair and Madam Deputy Speaker occupied the Chair.)

* **শ্ৰীমোবাৰক আলী পাঠান** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, যোৱা ২০০৬ চনৰ পৰা ২০০৮-২০০৯ চনলৈ বিত্তীয় বৰ্ষৰ সময়ছোৱাত বিভাগে নতুন পদ সৃষ্টি কৰি খালি পদৰ বিপৰীতে ২ য়, ৩ য় আৰু ৪ র্থ শ্ৰেণীৰ বিভিন্ন পদ বিভাগীয় নিয়ম অনুসৰি পূৰণ কৰি আহিছে বুলি মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে। মোৰ সমষ্টিধিং আৰু বটদ্ৰবাত উক্ত নিৰ্দেশ পালন কৰা হোৱা নাই। পৰীক্ষামূলকভাবে যদি নিযুক্তি দিয়া হৈছে তেতিয়াহলে মোৰ সমষ্টিৰ কেইটামান অঞ্চলত যোগ্যতা অনুযায়ী উক্ত পদকেইটাত নীতিগতভাবে

নিযুক্তি দিব পৰা নাই। গতিকে মই মাননীয়া উপাধ্যক্ষা মহোদয়াৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আইনৰ আধাৰত প্ৰাৰ্থী নিযুক্তি দিয়া ব্যৱস্থা কৰিব নেকি?

মাননীয়া উপাধ্যক্ষা মহোদয়া, সংখ্যালঘু আবেদনকাৰী প্ৰাৰ্থী অধিক থকা স্বত্বেও নিযুক্তি তেনেই কম ১০ শতাংশ কম হোৱা দেখা যায়। এইটো কেনেকৈ মানি লোৱা হব। নিযুক্তি ক্ষেত্ৰত বিশেষকৈ স্বাস্থ্য বিভাগক কেনে ধৰণৰ প্ৰাধান্য দিয়া হৈছে মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে?

*** ডঃ হিমন্ত বিশ্ব শৰ্মা, (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, নিযুক্তি বিষয়টোলৈ মই মাননীয় সদস্য গৰাকীক জনাব বিচাৰিছো যে অসম চৰকাৰৰ কিছুমান নীতি নিয়ম আছে। প্ৰথম নিয়ম হৈছে ১০০ টাৰ এটাই পায়। অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি আৰু অ, বি, চি, ৰ মাজত শতকৰা ৫০ টা চাকৰি গুছি যায় তাৰ পিছত ৩০ শতাংশ থাকে অন্যান্য সকলৰ কাৰণে। সংখ্যালঘুৱে কিমান পাইছে ১০০ ৰ ভিতৰত তুলনা কৰিলে অসুবিধা হব। বাকী থকা ৫০ শতাংশৰ ভিতৰত কৰিব লাগিব। এচ, চি, এচ, টি, আৰু অ, বি, চি, সকলৰ পৰা সংখ্যালঘু সকলক দিব নোৱাৰি। সংখ্যালঘু সকলৰ ক্ষেত্ৰত ৩০ শতাংশ বিছাৰিছে তাত ৰিজাৰভেচনৰ ক্ষেত্ৰত ফাৰ্মাচিষ্ট লৈছে ফাৰ্মাচিষ্ট লৰাৰ সংখ্যা আছে কিন্তু ছোৱালীৰ সংখ্যা বৰ কম। ১০০ শতাংশৰ ভিতৰত ১০ শতাংশ বা ২০ শতাংশহে দেখা যায়। এচ, চি বাদ দিলে, এচ, টি বাদ দিলে, অ, বি, চি বাদ দিলে আৰু ওমেন ৰিজাৰ্ভ বাদ দিলে তাৰ পিচতো সংখ্যালঘু তুলনামূলকভাবে নিযুক্তি কম। স্বাস্থ্য বিভাগত সাধাৰণ শ্ৰেণীৰ নিযুক্তিৰ ক্ষেত্ৰত যিকোনো পৰীক্ষা নীতিগত ভাবে পাতিবলৈ মই প্ৰস্তুত। মাননীয় উপধ্যক্ষা মহোদয়া, দ্বিতীয়তে বিভাগটোত নিযুক্তিৰ ক্ষেত্ৰত কেন্দ্ৰীভূত নকৰি বিকেন্দ্ৰীকৰণ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হৈছে। নিযুক্তি সমূহ বিকেন্দ্ৰীকৰণৰ কৰিবলৈ চিন্তা কৰা হৈছে। যাতে এই নিযুক্তিয়ে বিভিন্ন জিলাত পপুলেচন পেৰ্টানটো ৰিফেলক্ট কৰে। তৃতীয় শ্ৰেণীৰ ক্ষেত্ৰটো এই নিয়মটো কৰিবলৈ বিচৰা হৈছে। উচ্চ ন্যায়ালয়ৰ নিৰ্দেশমতে লিখিত পৰীক্ষা জিলাভিত্তিত হব লাগে। আঞ্চলিক ভিত্তিত হব নোৱাৰে। মাননীয়া উপাধ্যক্ষা মহোদয়া, চতুৰ্থ শ্ৰেণীৰ নিচিনাকৈ তৃতীয় শ্ৰেণীৰ ক্ষেত্ৰত নিযুক্তি জিলাভিত্তিত কৰিব পাৰি নেকি সেইটো মুখ্য মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰি কেবিনেটত যদি সিদ্ধান্ত হয় বা বিধান সভাত হয়, তেতিয়া হলে সেইটো মই আখৰে আখৰে পালন কৰিম। স্বাস্থ্য বিভাগত এতিয়ালৈকে যিমান খিনি নিযুক্তি হৈছে তাত সকলো জনগোষ্ঠীৰ লোকেই চাকৰি পাইছে।

** Speech not Corrected*

শ্রীভূপেন বৰা ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মই এটা কথা কব বিছাৰিছো স্বাস্থ্য বিভাগে জিলা ভিত্তিত ইন্টাৰভিউ লৈছে। এতিয়া আমাৰ লক্ষিমপুৰ জিলাত চাৰিটা সমষ্টি আছে। এই সমষ্টি কেইটাত নিযুক্তি সমূহ সমানে ভগাই দিয়া হব নেকি? কিয়নো ইতিমধ্যে যি নিযুক্তি হৈছে সেইমতে মোৰ সমষ্টিটোক বঞ্চিত কৰা হৈছে। জিলা ভিত্তিত বিকেন্দ্রীকৰণ কৰাৰ পিচত সমষ্টি ভিত্তিত নিযুক্তি দিয়া নির্দেশ দিব নেকি?

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** জিলা ভিত্তিত নিযুক্তি দিয়াটো চৰকাৰৰ নীতি নির্দেশনা আছে। কিন্তু সমষ্টি ভিত্তিত বা গাওঁ ভিত্তিত যদি চৰকাৰৰ ফালৰ পৰা সিদ্ধান্ত হয় তেতিয়া হলে সেইটো বিবেচনা কৰিম। কিন্তু তাত কিছুমান অসুবিধা আছে, কিয়নো স্বাস্থ্য বিভাগত টেকনিকেল পোষ্টকে ধৰি বেচিভাগ পদত Performance ৰ কথা আছে। তাৰ মাজতেই আমি বিভিন্ন জিলা বা সমষ্টি ভিত্তিত সমানে ভগাই দিয়াৰ ক্ষেত্রত চিন্তা কৰিছো। এই ক্ষেত্রত চৰকাৰৰ ফালৰপৰা যদি বাধা নাথাকে তেতিয়া হলে এইটো নিশ্চয় বিবেচনা কৰিম।

*** শ্রীকৰেন্দ্র বসুমতাৰীঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, মোৰ এটা পৰিপূৰক প্রশ্ন আছে। যোৱা বছৰেই মন্ত্রী মহোদয়ে আমালৈ চিঠি দিছিল যে প্রতিটো সমষ্টিত একোখনকৈ ম'ডেল হস্পিতাল দিয়া হব। কিন্তু মোৰ সমষ্টিত বাস্কা আৰু বৌতা চাৰি আলিত এতিয়ালৈকে দিয়া হোৱা নাই। এটা বছৰ পাৰ হৈ গ'ল।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ মাননীয় উপাধ্যক্ষা মহোদয়া, মডেল চিকিৎসালয়ৰ কাৰণে প্রতিজন বিধায়কলৈ চিঠি দিছিলো। কিন্তু এতিয়ালৈকে মাত্র ৬০ জন বিধায়কৰ পৰা উত্তৰ পাইছো আৰু বাকী ৬০ জনৰ পৰা উত্তৰ পোৱা নাই। সেই কাৰণে আমি বৈ আছো যাতে বাকী ৬০ জনেও উত্তৰ দিয়ে। বৈ থকাৰ কাৰণে ইমান সময় পাৰ হৈ গ'ল। এতিয়া আমি সিদ্ধান্ত লৈছো যি ৬০ গৰাকীয়ে উত্তৰ দিছে তেওঁলোকৰ সমষ্টিত মডেল হস্পিতাল দিবলৈ বিবেচনা কৰিছো। আমি অতি সোনকালে এই বিষয়ে

** Speech not Corrected*

ঘোষণা কৰিম। মাননীয় সদস্য গৰাকীয়ে যিহেতুকে চিঠি দিছে তেওঁৰ সমষ্টিটো তালিকাভূক্ত হব। অৱশ্যে ইয়াত কথা আছে য'ত মেডিকেল কলেজ আছে, জিলা চিকিৎসালয় আছে আৰু মহকুমা চিকিৎসালয় আছে সেই বিলাক ঠাইত এই মডেল চিকিৎসালয় দিয়াত অসুবিধা হব। মডেল চিকিৎসালয়ৰ কাৰণে এই বছৰ চৰকাৰে চাৰি কোটি টকা মঞ্জুৰ কৰিছে। এখন মডেল স্কুল, পোষ্ট অফিচ এনে ধৰণৰ সমপর্য্যায় প্রতিস্থানৰো ব্যৱস্থা কৰা হৈছে।

*** শ্রীজিতেন গগৈ ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মোৰ প্রশ্নটো হ'ল জিলা ভিত্তিত নিযুক্তি দিয়াৰ কথাটো মন্ত্রী মহোদয়ে কৈছে। কিন্তু আমাৰ গোলাঘাট জিলাত আটাইখিনি নিযুক্তিয়েই বাহিৰৰ পৰা দিয়া হৈছে। আনকি ডার্ক ৰূমৰ এটেনডেন্ট জনো বাহিৰৰ। গতিকে স্থানীয় লোকক নিযুক্তি দিলে ভাল হয়।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** আমাৰ স্বাস্থ্য বিভাগৰ জুটিয়া সঞ্চালকৰ তত্বাবধানত এই নিযুক্তি সমূহ দিয়া হয়। ডার্ক ৰূমৰ এটেনডেন্ট জনৰ যিটো পদ সেইটো টেকনিকেল পদ। এই ৬ টা পদৰ কাৰণে মাত্র আমি ৭ জনৰ আবেদন পাইছিলো। এই পদটোৰ কাৰণে এবছৰ টেইনিং লব লাগে আৰু গোলাঘাট জিলাখন মেলেৰীয়া প্রন এৰিয়া তাত তেজ পৰীক্ষা কৰা আৰু সকলো পৰীক্ষা এওঁলোকেই কৰিবলগীয়া হয়। গতিকে তেওঁলোকক অনতি পলমে নিযুক্তি দিয়া হ'ল। সেইদৰে ফার্মাচিষ্টৰ ক্ষেত্রত বৰপেটা জিলাৰ পৰা অধিক আবেদন আছে। আৰু লক্ষিমপুৰ আৰু কামৰূপৰ পৰা নার্চৰ আবেদন আছে। আমি দেখিছো আজি হাইলাকান্দিত লক্ষিমপুৰৰ পৰা অহা ছোৱালীয়ে কাম কৰি আছে। হাইলাকান্দিত অর্হতা সম্পর্ন্ন নার্চ নাই। সেই কাৰণে আমি এতিয়া জিলা ভিত্তিত জি. এন. এম. এ. এন. এম.ৰ ট্রেইনিং দি স্থানীয়ভাবে নিযুক্তি দিয়াৰ কথা চিন্তা কৰিছো। টেকনিকেল পোষ্ট বিলাকৰ কাৰণে ট্রেইনিং দি জিলা ভিত্তিতেই যাতে নিযুক্তি দিব পাৰি সেইটো চিন্ত ৰি স্বাস্থ্য বিভাগটো কেনেকৈ উত্তৰণ ঘটাব পাৰি আৰু তাৰ অংশীদাৰ হব পাৰো তাৰেই চিন্তা কৰিছো।

** Speech not Corrected*

*** শ্রীমহিবুল হক ঃ** ধুবুৰী জিলাখন অসমৰ ভিতৰতেই পিচপৰা আৰু সীমান্ত অঞ্চলত অৱস্থিত। স্বাধীনতাৰ ৬২ বছৰ পাচতো তাত এখন মেডিকেল কলেজ স্থাপন নহল। এইটো আমি আগৰ পৰা দাবী কৰি আহিছো। বেমাৰ হলে পশ্চিমবঙ্গলৈ যাব লগীয়া হয়। গতিকে ধুবুৰী জিলাত এখন মেডিকেল কলেজ হস্পিতাল স্থাপন কৰাৰ ব্যৱস্থা বিবেচনা কৰিব নেকি?

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** বৰ্ত্তমান চাৰিখন মেডিকেল কলেজ স্থাপনৰ ব্যৱস্থা লোৱা হৈছে। যোৰহাট, তেজপুৰ, বৰপেটা আৰু ডিফুত লোৱা হৈছে। মেডিকেস কলেজ দিয়াৰ ক্ষেত্রত টকাৰ অসুবিধা নাই। কিন্তু অধ্যাপক, অধ্যপিকাৰ সংখ্যা কম। মাননীয় মুখ্য মন্ত্রীৰ বাজেট বক্তৃতা আছেই তাতেই হয়তো নতুন আঁচনিৰ কথা আহিব পাৰে। আপোনাৰ বিষয়টো লৈ মই মুখ্য মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষন কৰিম।

*** শ্রীআব্দুল খালেক ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, তৃতীয়, চতুর্থ শ্রেণীত নিযুক্তিৰ ক্ষেত্রত মন্ত্রী মহোদয়ে যিটো কলে তাত আমি ভাল পাইছো। কিন্তু সংখ্যালঘু নিযুক্তিৰ ক্ষেত্রত বঙাইগাওঁত সঠিক ভাবে বলবৎ হোৱা নাই। চিকিৎসালয় সমূহত স্থানীয় ভাবে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** বঙাইগাওঁত নিযুক্তিৰ ক্ষেত্রত অভিযোগ অহা কাৰণে নতুনকৈ নিযুক্তি প্রক্রিয়া লোৱাৰ কাৰণে নির্দ্দেশ দিয়া হৈছে। উদাহৰন স্বৰূপে মই কব খোজো বৰপেটা জিলাতেই ধৰক ৬ টা পোষ্ট আছে, তাতে ৩ টা পোষ্ট সাংবিধানিক মতে এচ. চি, এচ. টি, অ.বি.চি লৈ যায়। বাকী ৩ টা পোষ্টৰ পৰা জেনেৰেল হিচাবে দিয়া হয়। তাত এজনেহে সংখ্যা লঘু পাব পাৰে। কিন্তু ৬ টা পোষ্টৰ ভিতৰত সংখ্যালঘু চিন্তা কৰিব নোৱাৰে।

*** শ্রীজীতেন গগৈ ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, স্বাস্থ্য বিভাগৰ নিচিনা এটা বিভাগত আপোনালোকে কাচটিজিমটো কিয় আনিছে। আচলতে ইয়াত অর্হতা সম্পন্ন প্রার্থীকহে নিযুক্তি দিব লাগে।

** Speech not Corrected*

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)ঃ** কথাটো নোহোৱা নহয়। কিন্তু আমি সংবিধানিক নিয়মটো পালন কৰিব লাগিব। এতিয়া বৰপেটা সমষ্টিৰ কথা কোৱা হৈছে। সেইবুলি বৰপেটাৰ কলগেছীয়া জনিয়া আৰু সৰু সৰু গাওঁ সমূহলৈ যাব লগা হলে অসুবিধা হব। ই এক অন্তঃহীন কথা। আমাৰ আঁচল কথা হ'ল বিকেন্দ্রীকৰণৰ জৰিয়তে সমস্যাটো সমাধান হব লাগে। আমি যিমানেই নতুন নীতি উৎভাৱন কৰো ইয়াতপপুলেচন পেটার্নত নিযুক্তিৰ ক্ষেত্রত সমস্যা থাকি যাব। গতিকে আপোনালোকে মাননীয় মুখ্য মন্ত্রীৰ লগত আলোচনা কৰি এই বিষয়ে ভাল পৰামর্শ থাকিলে আগবঢ়াব।

অসম বিধান সভাৰ মাননীয় বিধায়ক সকলে যদি মাননীয় মুখ্য মন্ত্রী মহোদয়ৰ লগত আলোচনা কৰি জনসংখ্যাৰ ভিত্তিত আইনখন প্রণয়নৰ ব্যৱস্থা লয় তেতিয়াহলে স্বাস্থ্য বিভাগে সেইটো ১০০ শতাংশ আখৰে আখৰে পালন কৰিব।

* **শ্রীৰাজেদ আলী চৌধুৰী ঃ** মাননীয় উপাধ্যক্ষা মহোদয়া, মই মডেল হস্পিতাল সম্পর্কে এটা প্রশ্ন কৰিছিলো। কাৰণ প্রত্যেক বিধায়ৰক এই বিষয়ে চিঠি দিয়া হৈছে যদিও মই চিঠি পোৱা নাই। মই বাই ইলেকচনত অহা কাৰণে হয়তো চিঠি পোৱা নাই। মই মাননীয় মন্ত্রী মহোদয়ৰ লগত যোগাযোগ কৰি আছো। গতিকে আজি মন্ত্রী মহোদয়ৰ পৰা এই বিষয়ে উত্তৰ পাই মোৰ ভয় লাগিছে।

* **ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই ঢেকীয়াজুলি আৰু দক্ষিণ শালমাৰাৰ বিধায়কৰ লগত কথা পাতিম।

(Starred Questions Nos. 46,47,48,49,50,51,52 and 53 could not be taken up for disposal as the questioner was not present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

** Speech not Corrected*

Sub: 200 Bedded Karimganj Civil Hospital.

Shri Mission Ranjan Das asked:

***46. Will the Minister of Health & Family Welfare be pleased to state:**

(a) How much fund has been sanctioned for construction of 200 Bedded Karimganj Civil Hospital and how much fund has been released and when it is expected to be completed please state it in details?

(b) How much fund has been sanctioned for consruction of NursingTraining Centre at Karimganj and how much fund has been released and when it is expected to be completed?

Dr. Himanta Biswa Sarma (Minister, Health and Family Welfare,) replie:

(a) The details as follows :-

i) Sanctioned Amount :- Rs. 200 Lakhs (2008-09)

ii) Fund released up to January, 2010 :-Rs.96.56 Lakhs.

iii) Expected date of Completion:-

Hospital Building :- Rs. May, 2010.

Annexe Building Renovation :- Completed and handed on Nov, 2009.

(b) The details as follows :-

i) Sanctioned Amount :- Rs. 500 Lakhs

ii) Fund released up to January, 2010 :- Rs. 162.00 Lakhs.

iii) Expected date of Completion:-

GNM School :- April, 2010.

GNM Hostel :- Not yet started due to land Problem.

বিষয়ঃ- বৰ্ত্তমান প্ৰাকৃতিক পৰিস্থিতিত ভূক্তভোগী হোৱা মূগা খেতিয়ক সকল।

শ্ৰীজ্যোতি প্ৰসাদ দাসে, সুধিছে ঃ-

***৪৭। মাননীয় হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ-**

(ক) অসমত বৰ্ত্তমান বিত্তীয় বৰ্ষত যোৱা বিত্তীয় বৰ্ষতকৈ মূগা উৎপাদন কমিল নে বাঢ়িল ? যদি বাঢ়িছে, তেন্তে কিমান পৰিমাণ ? (প্ৰতিখন জিলাৰ তথ্য সহ সদনৰ মেজত দাখিল কৰিব)

(খ) যদি কমিছে, তেন্তে ইয়াৰ কাৰণ সমূহ চৰকাৰে বিচাৰি উলিয়াইছে নেকি ?

(গ) যদি উলিয়াইছে, তেন্তে কাৰণসমূহ জনাবনে ?

(ঘ) বৰ্ত্তমান অসমত যিটো প্ৰাকৃতিক পৰিবেশৰ সৃষ্টি হৈছে, মূগা খেতিয়ক সকলে মূগা উৎপাদনৰ বাবে প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে নেকি ?

(ঙ) ইয়াৰ বাবে মূগা খেতিয়ক সকলক আগতকৈ দুগুনে উৎসাহ যোগোৱাৰ বাবে কিবা আৰ্থিক সকাহৰ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীপ্ৰণৰ গগৈ (হস্ততাঁত বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মাননীয় মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত বৰ্ত্তমান বিত্তীয় বৰ্ষত যোৱা বিত্তীয় বৰ্ষৰ তুলনাত মূগা উৎপাদন হ্ৰাস হৈছে।

(খ) বছৰটোত মুগা উৎপাদন হ্রাস পোৱাৰ কিছু কাৰণ বিচাৰি পোৱা গৈছে।

(গ) গোলকীয় উষ্ণতা বৃদ্ধিৰ কাৰণে হোৱা প্রতিকুল বতৰ যেনে অত্যাধিক উষ্ণতা, খৰাং বতৰ তথা গ্রীস্মকালীন সচঁৰা পলু পালনৰ সময়ত হঠাৎ হোৱা উষ্ণতা আৰু আপেক্ষিক আর্দ্রতাৰ তাৰতম্য আদিয়ে প্রধান । লগতে প্রতিকুল বতৰত মুগা পলুৰ বিভিন্ন বেমাৰৰ প্রাদুৰভাব অন্যতম কাৰক হিচাপে বিবেচিত হৈছে।

(ঘ) হৈছে।

(ঙ) এনেবোৰ প্রাকৃতিক দুৰ্য্যোগ তথা বেমাৰৰ ফলত হোৱা ক্ষয়ক্ষতিৰ পৰা খেতিয়ক সকলক সকাহ দিয়াৰ উদ্দেশ্যে মুগা পলুৰ বীমাকৰণ (Muga Silk wormcrop Insurence) আঁচনি ৰূপায়ণৰ দিহা কৰা হৈছে।

বিষয় ঃ-Public Prosecutors, Addl. P.P., Asstt. P.P. আৰু Govt. Pleader, Asstt. Govt. Pleader ৰ পাৰিতোষক।

ডঃ মনোৰঞ্জন দাসে সুধিছে ঃ

***৪৮। মাননীয় ন্যায়িক বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ**

(ক) অসমৰ বিভিন্ন জিলাৰ ন্যায়িক আদালতত চৰকাৰী ভাৱে নিয়োগ কৰা Public Prosecutor, Addl. P.P., Asstt. P.P. আৰু Govt. Pleader, Asstt. Govt. Pleader সকলক কি হাৰত পাৰিতোষিক দিয়া হয় বা পাৰিতোষিক দিয়াৰ ব্যৱস্থা কি? (প্রতিটো পদৰ বিপৰীতে পাৰিতোষিকৰ নিৰিখ বিতং ভাৱে জনাব।)

(খ) যোৱা বছৰৰ জানুৱাৰী মাহত Public Prosecutor, Addl. P.P., Asstt. P.P. সকলৰ পাৰিতোষিকৰ হাৰ বৃদ্ধিকৰি আজিলৈকে Govt. Pleader আৰু Asstt. Govt. Pleader সকলৰ পাৰিতোষিক বৃদ্ধি নকৰা কথাটো সত্য নে? যদি সত্য, তেতিয়া হলে এই বৈষম্যৰ কাৰণ কি আৰু কেতিয়া এওঁলোকৰ পাৰিতোষিক বৃদ্ধিৰ ব্যৱস্থা কৰিব?

(গ) এই কথা সত্য নে যে Govt. Pleader আৰু Asstt. Govt. Pleader সকলে বিভিন্ন কেচৰ ক্ষেত্ৰত কোৰ্ট ফি, ষ্টেম্প আদিৰ খৰছ বহন কৰিবলগীয়া হয়, আনহতে, Public Prosecutor, Addl. P.P., Asstt. P.P. আদিয়ে এনে খৰছ বহন কৰিবলগীয়া নহয়?

(ঘ) যদি সত্য হয়, এনে বৈষম্য কিয় আৰু এই বৈষম্য কেতিয়া দূৰ কৰিব?

(ঙ) Public Prosecutor, Addl. P.P., আৰু Asstt. P.P. সকলে বিভিন্ন Case ৰ ক্ষেত্ৰত দাখিল কৰা Bill ৰ টকা লগে লগেই আদায় পায় যদিও Govt. Pleader, Asstt. Govt. Pleader সকলে বহু পলমকৈ আদায় পায় এই বৈষম্য কিয় আৰু ইয়াৰ পৰিসমাপ্তি কেতিয়া ঘটাব?

শ্ৰীপ্ৰনৰ গগৈ (ন্যায়িক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ-

(ক) অসমৰ বিভিন্ন জিলাৰ ন্যয়িক আদালতত চৰকাৰী ভাৱে নিয়োগ কৰা Public Prosecutor, Addl. P.P., and Asstt. P.P. আৰু Govt. Pleader, Asstt. Govt. Pleader সকলক নিম্ন লিখিত নিৰিখত পাৰিতোষিক দিয়া হয়।

মাহিলি হাৰত দিয়া পাৰিতোষিক নিৰিখ বা ভাত্তা ঃ-

(১) Public Prosecutor - ৪০০০ টকা (চাৰি হাজাৰ)
(২) Govt. Pleader - ৪০০০ টকা (চাৰি হাজাৰ)
(৩) Addl. P.P. - ৩০০০ টকা (তিনি হাজাৰ)
(৪) Asstt. P.P. - ২০০০ টকা (দুই হাজাৰ)
(৫) Asstt. Govt. Pleader - ২০০০ টকা (দুই হাজাৰ)

দৈনিক পাৰিতোষিক নিৰিখ বা ভাত্তা ঃ-

(১) Public Prosecutor - ৮০০ টকা (আঠশ) [প্ৰতিদিনে]
(২) Addl. P.P. - ৮০০ টকা (আঠশ) [প্ৰতিদিনে]
(৩) Asstt. P.P. - ৭০০ টকা (সাতশ) [প্ৰতিদিনে]

জামিনৰ গোচৰ শুনানিৰ বাবদ দিবলগীয়া পাৰিতোষিকৰ নিৰিখ ঃ-

(১) Public Prosecutor -২৫০ টকা (দুশ পঞ্চাশ টকা) [প্ৰতিদিনে]

(২) Addl. P.P. - ২৫০ টকা (দুশ পঞ্চাশ টকা) [প্ৰতিদিনে]

(৩) Asstt. P.P. - ২০০ টকা (দুশ টকা) [প্ৰতিদিনে]

আনহাতে Govt. Pleader আৰু Asstt. Govt. Pleader সকলক চিভিল ৰুল ১৩৮ বিধি বিধান নিয়ম অনুযায়ী আৰু মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ে বলবৎ কৰা নিয়মাৱলীৰ আধাৰত পাৰিতোষিক দিয়া হয়। পাৰিতোষিক দিয়া জাননীৰ নকল সংলগ্ন কৰি দিয়া হল। (Annexure-I)

(See Annexure-V)

(খ) সত্য নহয়। যোৱা বছৰৰ জানুৱাৰী মাহৰ পৰা একেলগে Public Prosecutor , Addl. P.P., Asstt. P.P., Govt. Pleader আৰু Asstt. Govt. Pleader সকলক মাহিলি হাৰত দিয়া পাৰিতোষিক নিৰিখ বা ভাত্তা (Retaining fees) বৃদ্ধি কৰা হৈছে। যোৱা বছৰ জানুৱাৰী মাহৰ পাৰিতোষিক বৃদ্ধি কৰা জাননীৰ নকল সংলগ্ন কৰি দিয়া হল। (Annexure-II)

(See Annexure-VI)

(গ) হয়, সত্য। কাৰণ Public Prosecutor, Addl. P.P., আৰু Asstt. P.P. সকলে দৈনিক ভাত্তা হিচাপে পাৰিতোষিক পায়। আনহাতে Govt. Pleader আৰু Asstt. Govt. Pleader সকলে চিভিল বিষয়ৰ গোচৰটো চূড়ান্ত নিস্পত্তি হলে তেওঁলোকক গোচৰৰ মূল্য নিৰ্দ্ধাৰনৰ ওপৰত ভাত্তা দিয়া হয়। সেইকাৰণে বিলৰ টকা আদায় দিয়াৰ সময়ত চিভিল বিষয়ৰ গোচৰৰ ৰায়ৰ প্ৰত্যয়িত নকল (Certified Copy) দাখিল কৰিবলগীয়া হয়। Govt. Pleader আৰু Asstt. Govt. Pleader সকলে Written Statement ৰ কোনো ধৰণৰ কোৰ্ট ফি, ষ্টেম্প আদি দিব নালাগে। যদি কেচৰ ক্ষেত্ৰত কোনো কোৰ্ট ফি, ষ্টেম্প আদি খৰচ বহন কৰিবলগীয়া হয় তেতিয়া নিদিষ্ট আইনৰ ধাৰা অনযায়ী দিবলগীয়া

হয়। ন্যায়িক বিভাগে এতিয়ালৈকে Govt. Pleader আৰু Asstt. Govt. Pleader ৰ সকলৰ পৰা এই বিষয়ে কোনোধৰণৰ অভিযোগ পোৱা নাই। যদি ভৱিষ্যতে এই বিষয়ে অভিযোগ পোৱা যায় তেতিয়া ন্যায়িক বিভাগে ৰাজহ বিভাগৰ সৈতে আলোচনা মৰ্মে বিহিত ব্যৱস্থা লোৱাৰ বাবে বিবেচনা কৰা হব।

(ঘ) সত্য নহয়। কোনো ধৰণৰ বৈষম্য কৰা হোৱা নাই।

(ঙ) চলিত বিত্তীয় বৰ্ষত বাজেটত (২০০৯-২০১০) পাৰিতোষিক বাবদ মাত্ৰ ৮,০০,০০০/-টকা (আঠ লাখ) ধাৰ্য্য কৰা বাবে Govt. Pleader আৰু Asstt. Govt. Pleader সকলৰ বিলৰ টকা কিছু পলমকৈ আদায় পোৱা কথাটো সত্য। পিছত অতিৰিক্ত ভাবে জানুৱাৰী, ২০১০ ত বিত্ত বিভাগে ২০,০০,০০০/- (বিশ লাখ) টকাৰ আবণ্টন দিয়াত পৰ্য্যায় ক্ৰমে তেওলোকক বিলৰ টকা আদায় দি থকা হৈছে।

বিষয় ঃ বাঁহ উৎপাদন।

শ্ৰীবৃন্দাবন গোস্বামীয়ে সুধিছে ঃ

***৪৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) নেচনেল বেম্ব টেক্‌নলজি মিচনে (জাতীয় বাহ প্ৰযুক্তি মিচন) এ-ই-চিৰ পুজিৰ দ্বাৰা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য সমূহত আঁচনি লোৱাৰ বিষয়ে চৰকাৰ অবগত নে?

(খ) এই আঁচনিৰ অধীনত অসম চৰকাৰে পুঁজি লাভ কৰিছে নে?

(গ) যদি, কৰিছে, কি আঁচনি আছিল আৰু অসমে এই সন্দৰ্ভত এতিয়ালৈকে কিমান ধন পালে আৰু ক'ত ক'ত ৰূপায়ণ কৰিছে?

(ঘ) উক্ত আঁচনি কাৰ দ্বাৰা ৰূপায়ণ কৰা হৈছে?

(ঙ) এই আঁচনি শোণিতপুৰ জিলাত লোৱা হৈছে নে? যদি হৈছে, ক'ত ক'ত লোৱা হৈছে? কিমান ধন দিয়া হৈছে? আঁচনিৰ কাম কিমান সম্পূৰ্ণ হৈছে?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ-

(ক) নেচনেল বেম্ব টেক্‌নলজি মিচন (জাতীয় বাহ প্রযুক্তি মিচন) নামৰ কোনো প্রকল্প অসমত প্রযোজ্য হোৱা বিষয়ে চৰকাৰ অবগত নহয়। কিন্তু কেন্দ্রীয় চৰকাৰৰ দ্বাৰা পৰিচালনা কৰা ৰাষ্টীয় বাহ অভিযান (নেচনেল বেম্ব মিচন) প্রকল্পৰ দ্বাৰা যোৱা ইং ২০০৬-০৭ চনৰ পৰা বাহ উন্নয়ন আঁচনি অসমত প্রৱর্ত্তন হৈ আছে।

(খ) ৰাষ্ট্রীয় বাহ অভিযান আঁচনিৰ অধীনত পুঁজি লাভ কৰিছে।

(গ) উক্ত আঁচনিৰ জৰিয়তে বাহ পুলি ৰোপন, বাহ বাগান উৎপাদন, কৃষকক বাহৰ বিষয়ে জিলা আৰু ৰাজ্যিক ভিত্তিত প্রশিক্ষণৰ কাৰণে কর্ম্মশালা অনুষ্ঠিত কৰা, বাহৰ সংগ্রহালয় স্থাপন আৰু বাহ অনুসন্ধান কেন্দ্র স্থাপন কৰা কার্য্য সম্পাদন হৈ আছে।

বিত্তীয় বর্ষানুসাৰে পোৱা অনুদানৰ ব্যয় সন্দর্ভত বন উন্নয়ণ অধিকৰণ অনুসাৰে বিতং তথ্য "সংলগ্ন-১" ত দাখিল কৰা হ'ল।

(See Annexure-VII)

(ঘ) বন উন্নয়ণ প্রকল্পৰ আৱন্টিত ধন কেন্দ্রীয় চৰকাৰৰ কৃষি মন্ত্রালয়ৰ দ্বাৰা প্রত্যক্ষভাবে সঞ্চালক, ৰাজ্যিক বাহ মিচন, অসমৰ (State Mission Director, Assam) নামত আবন্টিত হয় আৰু ধনৰাশি সঞ্চালকৰ যাবতীয়া বেংক একাউন্টত জমা হয়। উক্ত ধনৰাশি অসম চৰকাৰৰ বিভিন্ন বিভাগৰ প্রতিনিধিৰে গঠিত কর্ণধাৰ সমিতিৰ (Steering Committee) সিদ্ধান্ত মর্মে বিভিন্ন বন সংমণ্ডলৰ অর্ন্তগত বন উন্নয়ন প্রকল্পৰ (Forest Development Agency) জৰিয়তে ব্যয় কৰা হয়। বন উন্নয়ন প্রকল্পৰ /বন সংমণ্ডল সমূহৰ নাম উল্লেখ কৰা হ'ল -

বন সংমণ্ডল সমূহ - পূব কামৰূপ, পশ্চিম কামৰূপ, উত্তৰ কামৰূপ, গোৱালপাৰা, আইভেলী, হল্টুগাওঁ, চিৰাং, ডুমডুমা, ডিব্রুগড়, যোৰহাট, শিৱসাগৰ, নগাঁও, দক্ষিণ নগাওঁ, লক্ষীমপুৰ, পূব শোণিতপুৰ, পশ্চিম শোণিতপুৰ, কাছাৰ,

কৰিমগঞ্জ, হাইলাকান্দি, উত্তৰ কাছাৰ, হামৰেন, কাৰ্বিআংলং পূব, পশ্চিম কাৰ্বিআংলং, ধুবুৰী, পৰ্বতঝৰা আৰু ধেমাজী।

(ঙ) শোণিতপুৰ জিলাত ৰাজ্যিক ৰাহ অভিযান প্ৰকল্পৰ দ্বাৰা আঁচনি সমূহ সম্পূৰ্ণভাবে কাৰ্যকৰী কৰা হৈছে। জিলাৰ বন উন্নয়ন প্ৰকল্প আৰু যৌথ বন পৰিচালনা সমূহৰ নামেৰে আঁচনিৰ ধন খৰছ কৰি কাৰ্যকৰী কৰা বিতং তথ্য "সংলগ্ন-২" ত দাখিল কৰা হ'ল।

(See Annexure-VIII)

বিষয় ঃ বন তালাচী চকীৰ আয়।

শ্ৰীঅনন্ত ডেকাই সুধিছে ঃ-

*** ৫০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) উত্তৰ কামৰূপ বন সংমণ্ডলৰ অধীনত কিমানখন বন তালাচী চকী আছে? বিগত ২০০১ চনৰ পৰা বিগত দহ বছৰত প্ৰতিখন বন তালাচী চকীৰ পৰা প্ৰতি মাহত সংগৃহীত ৰাজহৰ পৰিমাণ কিমান? (প্ৰতিখন বন তালাচী চকীৰ নাম আৰু সংগৃহীত ৰাজহৰ পৰিমাণ উল্লেখ কৰিব।)

(খ) উত্তৰ কামৰূপ বন সংমণ্ডলৰ অধীনত কিমান সংৰক্ষিত বনাঞ্চল আছে? (নাম ঠিকনা সহঃ সম্পূৰ্ণ বিৱৰণ দিব।)

(গ) উত্তৰ কামৰূপ বন সংমণ্ডলৰ অধীনত সংৰক্ষিত বনাঞ্চল, বনগাওঁ সমূহৰ উন্নয়ন আৰু সামাজিক বনানিকৰণৰ বিগত পাঁচ (৫) বছৰত কি কি আঁচনি কিমান ধন ব্যয় কৰা হ'ল?

(ঘ) উক্ত বন সংৰক্ষণৰ অধীনত কিমানখন মাষ্টাৰ ৰ'ল-কেজুৱেল কৰ্ম্মচাৰী আছে? তেওঁলোকৰ চাকৰি নিয়মীয়া কৰা হব নে?

(ঙ) যৌথ বন পৰিচালনা আঁচনিৰ অধীনত এতিয়ালৈকে কিমান ধনব্যয় কৰা হ'ল?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ-

(ক) উত্তৰ কামৰূপ বন সংমণ্ডলৰ অধীনত ৩ খন বন তালাচী চকী আছে। সেই কেইখন হ'ল –

(১) ডুমনী চকী বন পৰীক্ষণ চকী - কুৰুৱা বনাঞ্চলিক কাৰ্য্যালয়ৰ অধীনত।

(২) তুলসীবাৰী বন পৰীক্ষণ চকী - ৰঙিয়া সদৰ খণ্ড বন কাৰ্য্যালয়ৰ অধীনত।

(৩) গনেশ মন্দিৰ বন পৰীক্ষণ চকী - নলবাৰী বনাঞ্চলিক কাৰ্য্যালয়ৰ অধীনত।

(খ) উত্তৰ কামৰূপ বন সংমণ্ডলৰ অধীনত মুঠ ১৪ খন সংৰক্ষিত বনাঞ্চল আছে। ইয়াৰ সম্পূৰ্ণ বিৱৰণ তলত দেখুৱা হ'ল।

নং	জিলা	সংৰক্ষিত বনাঞ্চলৰ নাম	মাটিকালি
১	কামৰূপ জিলা (গ্রাম্য)	(ক) চিলাপাহাৰ বনাঞ্চল	৮১৯.৬৮ হে.
		(খ) আঞ্জাঠুৰি বনাঞ্চল	৩৬৩.৯৬ হে.
		(গ) গোপেশ্বৰ বনাঞ্চল	২২৫.০০ হে.
		(ঘ) দিৰ্ঘেশ্বৰী বনাঞ্চল	৭৬১.৬০ হে.
		(ঙ) মানিক নগৰ বনাঞ্চল	৫৯.৩৬ হে.
		(চ) নতুবান আছা বনাঞ্চল	৮৯৭.০০ হে.
২	কামৰূপ জিলা (গ্রাম্য)	(ক) হাজো বনাঞ্চল	৯৮.০০ হে.
		(খ) গন্ধমৌ বনাঞ্চল	১৮৭.০০ হে.
		(গ) বৰমবৈ বনাঞ্চল	২৬.০০ হে.
		(ঘ) চিলদাৰ বনাঞ্চল	৫১.০১ হে.
		(ঙ) চানপাৰা বনাঞ্চল	২২৭.০০ হে.

৩	দৰং জিলা	(ক) কুৰুৱা বনাঞ্চল	১৫৫.০০ হে.
		(খ) বমন বনাঞ্চল	৪৮.০০ হে.
		(গ) খলিহে বনাঞ্চল	৬০০.০০ হে.
		মুঠ ঃ	৪৪৯৩.৬১ হে

(গ) উত্তৰ কামৰূপ বন সংমণ্ডলৰ অধীনত কোনো বনগাঁও নাই। উত্তৰ কামৰূপ বন সংমণ্ডলৰ অধীনত সংৰক্ষিত বনাঞ্চলত বিগত পাঁচ বছৰত বিভিন্ন আঁচনি ৰূপায়ন কৰোতে ব্যয় কৰা ধনৰ বিশদ বিৱৰণ তলত দিয়া হ'ল।

Name of Scheme	Year	Name of work's	Amount Spent
1. Aided Natural Regeneration	2004-05	Nil	Nil
2. Rehabilition Degraded Forest	2004-05	Nil	Nil
3. Integrated Forest Protection	2004-05	Nil	Nil
4.12 th Finance Commission	2004-05	Nil	Nil
5. Communication	2004-05	Nil	Nil
6. Mukhya Mantrir Assam Vikash Yojana	2004-05	Nil	Nil

Name of Scheme	Year	Name of work's	Amount Spent
1.Aided Natural Regeneration	2005-06	Nil	Nil
2.Rehabilition Degraded Forest	2005-06	Nil	Nil
3.Integrated Forest Protection	2005-06	1.Construction of Range office building at sila 2. Reserve Forest boundary survey & fixation of boundary pillars a) Sila R. F. b) Gopeswar R.F. Part-I, Part-II c) Agyathuri R.F. d) Dirgheswari R.F.	Rs. 9,50,000.00 Rs. 12,75,000.00
4.12th Finance Commission	2005-06	Nil	Nil
5. Communication	2005-06	Nil	Nil
6. Mukhya Mantrir Assam Vikash Yojana	2005-06	Nil	Nil
			Rs. 22,25,000.00

Name of Scheme	Year	Name of work's	Amount Spent
1.Aided Natural Regeneration	2006-07	Nil	Nil
2.Rehebilition Degraded Forest	2006-07	Nil	Nil
3.Integrated Forest Protection	2006-07	1.Construction of Dy. Range Quarter at sila 2. Demuration of reserve Forest boundary & upgradation of Madan Kamdev Deoduar Forest Road.	Rs.5,30,000.00 Rs. 5,20,000.00
4.12th Finance Commission	2006-07	1. Upgradation of Egd. Quarter, maintenance of Forest Road 2. Construction of boundary wall at Range H.Q Sila Range	Rs. 14,50,000.00
5. Communication	2006-07	Nil	Nil
6. Mukhya Mantrir Assam Vikash Yojana	2006-07	Nil	Nil
			Rs. 25,00,000.00

Name of Scheme	Year	Name of work's	Amount Spent
1.Aided Natural Regeneration	2007-08	Nil	Nil
2.Rehebilition Degraded Forest	2007-08	Nil	Nil
3.Integrated Forest Protection	2007-08	1.Construction of 4 nos. culvert at Deuduar Madan Kamdev Forest Road under Sila Range.	Rs. 11,00,000.00
4.12th Finance Commission	2007-08	1. Construction of Forest Road, repairing charge of Deptt., vehicle, upgradation DFO's office, Rangias 2. Construction of 1 no Range office at Hajo.	Rs. 6,45,000.00 Rs. 7,25,000.00
5. Communication	2007-08	Nil	Nil
6. Mukhya Mantrir Assam Vikash Yojana	2007-08	Nil	Nil
			Rs. 24,70,000.00

Name of Scheme	Year	Name of work's	Amount Spent
1.Aided Natural Regeneration	2008-09	1. 75.0 ha. plantation at Khalihai R.F. 2. Creation of 25.0 ha.platation at Sila Phar R.F.	Rs. 14,71,900.00 Rs. 1,44,300.00
2.Rehebilition Degraded Forest	2008-09	1. Creation of 50 ha. plantation at Sila Pahar R.F. 2. Creation of 50 ha.plantation at Gandhmow R.F.	Rs. 4,04,500.00 Rs. 4,04,500.00
3.Integrated Forest Protection	2008-09	1. Construction 1 no.Range Office building at Hajo.	Rs. 10,45,000.00
4.12th Finance Commission	2008-09	1. Construction of Beat Office at Kharupetia	Rs. 5,30,000.00

Name of Scheme	Year	Name of work's	Amount Spent
5. Communication	2008-09	1. Upgradation of Kurua R.F. Road 2 Kms.	Rs. 2,00,000.00
		2. Construction of 1 no culvert at Kurua R.F. Road	Rs. 2,00,000.00
		3. Upgradation of Ganesh Mandir Ketekijhar Forest Road 2. Kms.	Rs. 2,20,000.00
6. Mukhya Mantrir Assam Vikash Yojana	2008-09	1. Advance work and creation 10 ha. at Sila R.F.	Rs. 93,440.00
		2. Raising of 0.5 ha. Nursery at Sila Pahar R.F.	Rs. 1,88,560.00
		3.Creation of 0.50 ha. Nursery at Khalihai R.F.	Rs. 1,89,000.00
			Rs. 40,92,200.00

তদুপৰি, উত্তৰ কামৰূপ বন সংমণ্ডলৰ এলেকাৰ অন্তৰ্গত অঞ্চলত নলবাৰী ও গুৱাহাটী সামাজিক বনানিকৰণ সংমণ্ডলে কৰি থকা আঁচনিৰ কামসমূহৰ বৰ্ণনা তলত দিয়া হ'ল।

Nalbari Social Forestry Division, Nalbari

Name of Year	Name of Scheme	Nalbari District	Kamrrup District	Darrang District
2004-05	SFG	Nil	Nil	Nil
	TSP	.09 Lakhs	1.60 Lakhs	Nil
	SCCP	1.21 Lakhs	5.40 Lakhs	Nil
2005-06	SFG	Nil	Nil	Nil
	TSP	Nil	Nil	Nil
	SCCP	1.89 Lakhs	7.73 Lakhs	Nil
2006-07	SFG	Nil	Nil	Nil
	TSP	6.11 Lakhs	7.06 Lakhs	Nil
	SCCP	0.52 Lakhs	5.20 Lakhs	Nil
	Conpensatory Afforstation	Nil	3.74 Lakhs	Nil
2007-08	SFG	Nil	NIl	Nil
	TSP	0.42 Lakhs	5.24 Lakhs	3.63 Lakhs
	SCCP	2.10 Lakhs	4.21 Lakhs	2.12 Lakhs
	Conpensatory Afforstation	Nil	2.34 Lakhs	Nil
	Amenties to Staff &Labour	8.45 Lakhs	Nil	Nil

Name of Year	Name of Scheme	Nalbari District	Kamrrup District	Darrang District
2008-09	Assam Bikash Yojana	11.91 Lakhs	18.06 Lakhs	9.96 Lakhs
	TSP	2.35 Lakhs	4.71 Lakhs	2.35 Lakhs
	SCCP	1.66 Lakhs	6.70 Lakhs	6.20 Lakhs
	Conpensatory Afforstation	Nil	2.34 Lakhs	Nil
	Amenties to Staff & Labour	6.73 Lakhs	6.10 Lakhs	Nil

Guwahati Social Forestry Division,
Basistha, Guwahati-29

Name of Year	Name of Scheme	Kamrup District (Hajo S.F. Range)
2004-05	SCCP	0.68 Lakhs
2005-06	SCCP	Nil
2006-07	SCCP	Nil
2007-08	Aromatic & Medicinal Plant Garden	0.20 Lakhs
2008-09	SCCP	1.66 Lakhs

(ঘ) উত্তৰ কামৰূপ বন সংমণ্ডলৰ অধীনত কাম কৰি থকা ১৩৮ জন কেজুৱেল কৰ্মচাৰীক চৰকাৰী চিঠি নং এফ. আৰ. ই. ৩৫/২০০০/৫৩, তাং- ১৮/১০/২০০৮ মতে ফিক্স পে হিচাপে নিয়মীয়া কৰণ কৰা হয়।

(ঙ) উত্তৰ কামৰূপ বন সংমণ্ডলত যৌথ বন পৰিচালনা আঁচনিৰ অধীনত ২০০৫-০৬ চনৰ পৰা ২০০৮-০৯ চনলৈ বিভিন্ন সংৰক্ষিত বনাঞ্চলৰ দাতি কাষৰীয়া গাৱঁৰ ৰাইজেৰে গঠিত ১৪ খন যৌথ বন পৰিচালনা সমিতিৰ জৰিয়তে ব্যয় কৰা টকাৰ বিতং প্ৰতিবেদন তলত দিয়া হ'ল ঃ

বছৰ	কামৰ বিৱৰণী	মুঠ খৰছ	মন্তব্য
২০০৫-০৬	৬০০ হে. বাগানৰ আগতীয়া কাম	২৭৮০০০০/-	চিলাপাহাৰ বনাঞ্চল, আঞ্জাঠুৰি বনাঞ্চল, গোপেশ্বৰ বনাঞ্চল, দিৰ্ঘেশ্বৰী বনাঞ্চল, নতুবান আছা বনাঞ্চল, ডাউধৰা পুবনখাটা, হাজো বনাঞ্চল, গন্ধমৌ বনাঞ্চল, চিলদাৰ বনাঞ্চল, চানপাৰা বনাঞ্চল।
	অভাৰহেড	১৮১০০০/-	
	সজাগতা	২০০০০/-	
	মনিটৰিং	৩০০০০/-	
	মাইক্ৰপ্ৰেলন	৬৪০০০/-	
২০০৬-০৭	৫৮০ হে. বাগানত পুলি ৰোপন	২৮৪৫৯৬৩/-	ডাউধৰা, পুবনখাটা, হাজো বনাঞ্চল, গন্ধমৌ বনাঞ্চল, চিলদাৰ বনাঞ্চল, গোপেশ্বৰ বনাঞ্চল, দিৰ্ঘেশ্বৰী বনাঞ্চল, চিলাপাহাৰ বনাঞ্চল, নতুৱান আছা বনাঞ্চল আঞ্জাঠুৰি বনাঞ্চল।
	অভাৰহেড	১৭৫০০০/-	
	সজাগতা	১৮০০০/-	
	মনিটৰিং	৪৬০০০/-	
	মাইক্ৰপ্ৰোলন	১২০০০/-	

বছৰ	কামৰ বিৱৰণী	মুঠ খৰছ	মন্তব্য
-ঐ-	২৫০ হে. বাগানৰ আগতীয়া কাম অভাৰহেড সজাগতা আৰু মাইক্রপ্রোলন	১০৭৮০০০/- ৯৭০০০/- ১২২০০০/-	ডাউধৰা, পুবনখাটা, হাজো বনাঞ্চল, দিৰ্ঘেশ্বৰী বনাঞ্চল, আজ্ঞাঠুৰি বনাঞ্চল
২০০৭-০৮	২৫০ হে. বাগানত পুলি ৰোপন আৰু ৫৮০ হে. প্রতিপালন সজাগতা অভাৰহেড	১৮৩০৬৮৬/- ১৪০০০/- ১৩৬০০০/-	ডাউধৰা, পুবনখাটা, হাজো বনাঞ্চল, গন্ধমৌ বনাঞ্চল, চিলদাৰ বনাঞ্চল, চানপাৰা বনাঞ্চল, গোপেশ্বৰ বনাঞ্চল, দিৰ্ঘেশ্বৰী বনাঞ্চল, চিলাপাহাৰ বনাঞ্চল, নতুবান আছা বনাঞ্চল আজ্ঞাঠুৰি বনাঞ্চল
২০০৮-০৯	১০০ হে. বাগানৰ আগতীয়া কাম, ১২৫হে. পুলি ৰোপন আৰু ৫৮০ হে. প্রতিপালন সজাগতা মনিটৰিং অভাৰহেড মাইক্রপ্রেলন	২৮২৬৩৮০/- ৮০০০/- ৪৩০০০/- ৮১০০০/- ৪৩০০০/-	ডাউধৰা, পুবনখাটা, হাজো বনাঞ্চল, গন্ধমৌ বনাঞ্চল, চিলদাৰ বনাঞ্চল, চানপাৰা বনাঞ্চল, গোপেশ্বৰ বনাঞ্চল, দিৰ্ঘেশ্বৰী বনাঞ্চল, চিলাপাহাৰ বনাঞ্চল, নতুবান আছা বনাঞ্চল আজ্ঞাঠুৰি বনাঞ্চল
	সৰ্বমুঠ ঃ	১,২৪,৫১,০২৯/-	

বিষয় ঃ বন ভূমিৰ পৰিমান।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

*** ৫১। মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) ৰাজ্যখনৰ পৰিবেশৰ সমতা ৰক্ষাৰ হেতু কিমান পৰিমাণৰ বন ভূমিৰ প্ৰয়োজন?

(খ) বৰ্ত্তমান ৰাজ্যখনত কিমান পৰিমাণৰ বন ভূমি আছে?

(গ) উক্ত বন ভূমি পৰিবেশৰ সমতা ৰক্ষাৰ হেতু যথেষ্ট হয় নে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ৰাজ্যখনৰ পৰিবেশৰ সমতা ৰক্ষাৰ কাৰণে ভৌগলিক মাটিকালিৰ এক তৃতীয়াংশ বনভূমিৰ প্ৰয়োজন।

(খ) ভাৰতৰ বন জৰীপ প্ৰতিবেদন ইং ২০০৯ মতে অসমৰ বনাবৰন আৰু বৃক্ষাবৃত্ত এলেকা ২৯২৮২ বৰ্গ কিঃ মিঃ।

(গ) যথেষ্ট।

বিষয় ঃ বনৰীয়া হাতীৰ উপদ্ৰৱ।

শ্ৰীৰঞ্জিত দত্তই সুধিছে ঃ

*** ৫২। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) অসমত বনৰীয়া হাতীয়ে ২০০১ চনৰ পৰা ২০১০ চনৰ জানুৱাৰী মাহলৈকে কিমান লোকক মাৰিলে? (জিলা ভিত্তিক তথ্য জনাব)

(খ) বনৰীয়া হাতীৰ উপদ্ৰৱ ৰোধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(গ) বনৰীয়া হাতীয়ে ঘৰ-দুৱাৰ, খেতি-শস্য আদি নষ্ট কৰা ৰোধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(ঘ) ঘৰ-দুৱাৰ ও খাদ্য-শস্য নষ্ট কৰাৰ বাবদ কিমান টকা সাহায্য দিয়া হৈছে?

(বন সংমণ্ডল ভিত্তিত ২০০১ চনৰ পৰা ২০১০ চনৰ জানুৱাৰী মাহলৈকে বিতং তথ্য সদনৰ মেজত দাখিল কৰিব।)

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) বনৰীয়া হাতীৰ আক্রমনত ২০০১ চনৰ পৰা ২০১০ চনৰ জানুৱাৰী মাহলৈকে মুঠ ৪৯৯ জন ব্যক্তিৰ মৃত্যু হয়। (জিলা ভিত্তিক তথ্য সংলগ্ন "ক"ত দিয়া হ'ল)

See Annexure--(IX)

(খ) বনৰীয়া হাতীৰ উপদ্রৱ নিয়ন্ত্রণৰ বাবে চৰকাৰে নিম্ন লিখিত ব্যৱস্থা সমূহ গ্রহণ কৰিছে ঃ-

(১) বনৰীয়া হাতী নিয়ন্ত্রণৰ বাবে নিয়ন্ত্রণ বাহিনী, নিয়ন্ত্রণ কক্ষ খোলা হৈছে।

(২) বনৰীয়া হাতী নিয়ন্ত্রণৰ বাবে প্রয়োজন ভিত্তিত কোনো কোনো ঠাইত বৈদ্যুতিক তাঁৰ (Electric Fencing) ৰ ব্যৱস্থা কৰা হৈছে।

(৩) কুনকী হাতীৰ ব্যৱহাৰ কৰি বনৰীয়া হাতীৰ নিয়ন্ত্রণ ব্যৱস্থা কৰা হৈছে।

(৪) গাঁও আৰু চাহ বাগান এলেকা সমূহত গাঁওবুঢ়া, চৰ্দ্দাৰ আদি ব্যক্তি সমূহক লৈ বনৰীয়া হাতীৰ নিয়ন্ত্রণ গোট গঠন কৰা হৈছে আৰু বিভাগৰ লগত যৌথ ভাবে হাতী খেদাৰ ব্যৱস্থা কৰা হৈছে।

(৫) বন বিভাগৰ তৰফৰ পৰা নিয়ন্ত্রণ গোট সমূহক আৱন্টন সাপেক্ষে চার্চ লাইট, ফটকা, কেৰাচিন তেল আদিৰ যোগান ধৰা হৈছে।

ওপৰোক্ত হ্রস্বম্যাদী ব্যৱস্থা সমূহৰ উপৰিও দীর্ঘ ম্যাদী ব্যৱস্থা হিচাপে হাতী আৱাসভুমি সমূহত হাতীয়ে ভাল পোৱা গছ গছনি লগাই আৰু পুখুৰী আদি খান্দি পানীৰ ব্যৱস্থা কৰা হৈছে। যাতে খাদ্যৰ অভাৱত হাতী বনাঞ্চলৰ বাহিৰত ওলাই আহিব লগীয়া নহয়। তাৰোপৰি পৰিস্থিতি চম্ভালিবৰ বাবে আন্তঃ গাঠনিৰ ও উন্নত কৰিবৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(গ) উক্ত প্রশ্নৰ উত্তৰ সমূহ উত্তৰ "খ"ত দিয়া হৈছে।

See Annexure--(X)

(ঘ) ঘৰ দুৱাৰ আৰু শস্য নষ্ট কৰাৰ বাবদ ২০০১ চনৰ পৰা ২০১০ চনৰ জানুৱাৰী মাহলৈকে দিয়া ক্ষতিপুৰণ সমূহৰ বিতং তথ্য সংলগ্ন "খ"ত গাঁঠি দিয়া হ'ল।

See Annexure--(X)

Sub : Environment Audit.

Dr. Alaka Sarma asked :

*** 53. Will the Minister of Forest be pleased to state :**

(a) Whether Govt. of Assam conducts environment audit ?

(b) If so, who/which agencies are entrusted the task of conducting the audit?

(c) Since which year is it being conducted? (Kindly place the copies of the audit since it is conducted).

(d) If Govt. of Assam does not conduct environment audit, whether it has any plan to do so? From which date will it become effective?

Shri Rockybul Hussain (Minister, Environment & Forests) replied:

(a) Yes.

(b) Pollution Control Board, Assam through reputed agencies.

(c) Since the year 1999. Two copies of report are placed. (Annexure I & II)

(See Annexure---XI)

(d) Does not arise.

Madam Dy. Speaker : Now, starred Question No. 54, Hon'ble Member, Shri Pranab Kalita.

বিষয় ঃ- গুটখা, চিগাৰেট আৰু কেন্সাৰ।

শ্রীপ্রনৰ কলিতাই সুধিছে ঃ

*** ৫৪। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) অসমত ২০০৯ আৰু ২০১০ বৰ্ষত পঞ্জীয়নভুক্ত কেন্সাৰ ৰোগীৰ সংখ্যা কিমান? এই ৰোগী সকলৰ চিগাৰেট সেৱনৰ লগত সম্পর্ক থকা সংখ্যা কিমান?

(খ) অসমত ব্যৱহাৰ হৈ থকা গুটখা, শিখৰকে ধৰি সামগ্রী সমূহত কি কি দ্রব্য মিহলি হৈ থাকে? এই দ্রব্য বিলাক স্বাস্থ্যৰ বাবে ক্ষতিকাৰক নে? এই বিলাকে কি কি বেমাৰৰ সৃষ্টি কৰিব পাৰে?

(গ) অসমত প্রতিদিনে গড়ে কিমান পেকেট গুটখা, শিখৰ জাতীয় সামগ্রী বিক্রী হয় আৰু ইয়াৰ পৰা ব্যৱসায়ীয়ে কিমান টকা অর্জন কৰে?

(ঘ) ১৫ ৰ পৰা ২৫ বছৰৰ যুৱক-যুৱতী ধপাত জাতীয় সামগ্রী সেৱন তথা শিখৰ জাতীয় সামগ্রী খোৱাৰ তথ্য চৰকাৰৰ আছেনে? যদি আছে, গড় অনুপাত কিমান?

(ঙ) ধপাত জাতীয় সামগ্রী নিষিদ্ধ আইন থকা স্বত্তেও ইয়াক কিয় কার্য্যকৰী কৰা নাই?

(চ) অসম বিধান সভা চৌহদ আৰু সচিবালয় ভৱন তথা চৌহদত চিগাৰেট আৰু গুট্খা নিষিদ্ধকৰণ কার্য্যকৰ হৈছেনে? যদি হোৱা নাই কিয়?

(ছ) আইনখন যদি কার্য্যকৰী কৰিব নোৱাৰে চৰকাৰে ইয়াক বতিল কৰাৰ ব্যৱস্থা গ্রহণ কৰিব নেকি?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত ২০০৯ আৰু ২০১০ বৰ্ষত পঞ্জীয়নভুক্ত কেন্সাৰ ৰোগীৰ সংখ্যা ১২,৬৭৯। চিগাৰেট আৰু ধপাত জাতীয় সেৱনৰ লগত সম্পর্ক থকা এনে ৰোগীৰ সংখ্যা ৪,২৩৬।

(খ) গুট্‌খা আৰু শিখৰ আদি সামগ্ৰী প্ৰস্তুত কৰাত ব্যৱহাৰ হোৱা উপাদান সমূহ এনে ধৰণৰ ঃ- চুপাৰী, কাত্থা (Catechu), ধপাত, চূণ, ইলাচি আৰু মচলাৰ পৰা নিস্কাষিত সুগন্ধী ইত্যাদি।

ব্যৱহাৰ হোৱা ধপাত ক্ষতিকাৰক কিয়নো ধপাত জাতীয় সামগ্ৰীত নিকটিন, টাৰ এচিটন, আৰ্চেনিক, বেঞ্জ পাইৰিণ আদি ৰাসায়নিক দ্ৰব্য মিহলি থাকে। এই ৰাসায়নিক দ্ৰব্যবোৰেই মুখ মণ্ডলৰ কেন্সাৰ, হৃদ ক্ৰিয়া বন্ধ হোৱা, উশাহ-নিশাহৰ সমস্যা, গৰ্ভধাৰণ জনিত সমস্যা আদিৰ দৰে ক্ষতিকাৰক ৰোগৰ বাবে দায়ী।

(গ) ডাঃ বিঃ বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ পৰা পোৱা তথ্য অনুযায়ী ৩.২ লাখ পেকেট চিগাৰেট আৰু ৬.৫ লাখ গুটখাৰ চছেট (Sachet) প্ৰতিদিনে অসমত বিক্ৰী হয়।

(ঘ) ৰাষ্ট্ৰীয় পৰিয়াল আৰু স্বাস্থ্য জৰীপ-৩ ত প্ৰকাশিত তথ্যমতে ভাৰতত ১৫ ৰ পৰা ২৫ বছৰ বয়সৰ যুৱক যুৱতীৰ ভিতৰত ৫৭% যুৱক আৰু ১০.৪% যুৱতীয়ে ধপাত জাতীয় দ্ৰব্য সেৱন কৰে।

(ঙ) অসম চৰকাৰে শেহতীয়া ভাবে চিগাৰেট আৰু অন্যান্য ধপাত জাতীয় সামগ্ৰী আইনৰ বহু কেইটা দফা বিভিন্ন ধৰণে প্ৰনয়ণ কৰিছে।

অসম চৰকাৰে ৰাজ্যিক আৰু জিলা পৌৰ নিগমৰ সহযোগত ধপাত নিয়ন্ত্ৰণ কোষ, কামৰূপ আৰু যোৰহাট জিলাৰ স্বাস্থ্য আৰু জিলা প্ৰশাসনিক বিভাগৰ বিষয়াই ভালোমান কাম কাজ পৰিচালনা কৰি আছে। ইয়াৰে ভিতৰত যি কোনো ৰাজহুৱা প্ৰতিষ্ঠানৰ সন্মুখত সতৰ্কবাণী, চাইনবোৰ্ড, বিজ্ঞাপন, শিক্ষানুস্থানৰ সন্মুখত সতৰ্কবাণী, চাইনবোৰ্ড, বিজ্ঞাপন আৰু ধপাত জাতীয় সামগ্ৰীৰ পেকেটত ছবিযুক্ত সতৰ্কবাণী আদিৰ দৰে কামবোৰ চোৱা চিতা কৰিছে।

বিগত ২০০৮ চনৰ অক্টোবৰ মাহৰে পৰা ৰাজ্যচৰকাৰে "পুনৰবাৰ ৰাজহুৱা জাননী" দ্বাৰা ৰাজহুৱা স্থানত ধুমপান কৰাটো নিষিদ্ধ ঘোষণা কৰিছে। এই আঁচনিকে ভাৰত চৰকাৰে ধপাত নিয়ন্ত্ৰণ আঁচনিৰ অধীনত কামৰূপ আৰু যোৰহাট জিলাত প্ৰাৰম্ভিক ভাবে (পাইলট মেজ) চোৱা চিতা কৰি থকা হৈছে।

এই সন্দর্ভত ইতিমধ্যে দুয়োখন কামৰূপ জিলা প্ৰশাসনে চি. আৰ. পি. চি. (CrPC) ৰ ১৪৪ দফামতে শিক্ষানুস্থানৰ ওচৰে পাজৰে ধপাত জাতীয় সামগ্ৰীৰ উপভোগ আৰু বিক্ৰীৰ ক্ষেত্ৰত ২০০৯ চনৰ অক্টোবৰ মাহৰে পৰা প্ৰযোজ্য হোৱকৈ আদেশ জাৰি কৰিছে।

প্ৰাৰম্ভিক পৰ্য্যায়ত, অসম চৰকাৰে চৰকাৰী গেজেটত ১৯৯৯ চনৰ পহিলা জুনতে " দি আসাম প্ৰহিবিশ্বন অৱ স্মকিং এন্দ নন্ স্মকাৰচ হেলথ্ প্ৰটেকচন এক্ট, ১৯৯৯ ৰ দ্বাৰা কিছুমান কৰ্মপন্থা নিদিষ্ট কৰি দিছে। ইয়াৰে দফা সমূহত ৰাজহুৱা স্থান আৰু যানবাহনত ধুমপান নিষিদ্ধ কৰা, ধুমপান নিষিদ্ধ এলেকা, "ধুমপান এক অপৰাধ" আদি লিখা বেনাৰ, পোষ্টাৰ আদি ৰাজহুৱা স্থানত ওলোমাই ৰখা বিক্ৰী আৰু বিতৰণ বিশেষকৈ শিক্ষানুস্থানৰ কাষত, কিশোৰক চিগাৰেট বিক্ৰী আদি নিষিদ্ধ কৰাৰ ব্যৱস্থা লোৱা হৈছে।

উল্লেখযোগ্য যে যোৰহাট জিলা প্ৰশাসনে অক্টোবৰ, ২০০৯ চনতে চৰাইবাহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ক "ধপাতমুক্ত বিদ্যালয়" ঘোষণা কৰিছে। চেণ্টেল বোৰ্ড অৱ চেকেন্দাৰী ইডুকেশ্বনে (CBSE) জিলা শিক্ষা বিভাগক শিক্ষানুস্থানৰ ১০০ গজ দুৰত্বৰ ভিতৰত ধুমপান নিষিদ্ধ আৰু বিক্ৰী বন্ধ কৰাৰ বাবে ইতিমধ্যে বিভাগীয় পত্ৰ প্ৰেৰণ কৰা হৈছে।

(চ) সচিবালয় চৌহদৰ ভিতৰত ধুমপান বৰ্জন আৰু নিষিদ্ধ ঘোষণা কৰি সচিবালয় প্ৰশাসন (SAD) বিভাগে ২০০৮ চনৰ মে মাহতে আদেশ জাৰি কৰিছে।

(ছ) চিগাৰেট আৰু অন্যান্য ধপাত জাতীয় সামগ্ৰী আইন, ২০০৩ সমগ্ৰ দেশ সামৰি এখন কেন্দ্ৰীয় আইন। এই আঁচনি বাতিল কৰা নাইবা প্ৰবৰ্তন কৰা আদিৰ ক্ষেত্ৰত অসম চৰকাৰৰ কোনো কৰ্তৃত্ব নাই।

*** শ্রীপ্রনব কলিতা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই প্রায় প্রতি বছৰে চিগাৰেট আৰু গুটখাৰ বিষয়ে প্রশ্ন কৰি আহিছো আৰু উত্তৰ বিলাকো গতানুগতিক হিচাপে পাই আহিছো। মোৰ আটাইতকৈ গুৰুত্ব পূর্ণ প্রশ্ন আছিল যে অসমৰ ভিতৰত কামৰূপ জিলাতেই আটাইতকৈ কেন্সাৰ ৰোগী বেছি। আজি এই কথাটো ইয়াত প্রমাণ হৈছে যে আজি অসমত ২০০৯ আৰু ২০১০ বর্ষত পঞ্জীয়নভুক্ত কেন্সাৰ ৰোগীৰ সংখ্যা হৈছে ১২,৬৭৯। চিগাৰেট আৰু ধপাত জাতীয় সেৱনৰ লগত সম্পর্ক থকা এনে ৰোগীৰ সংখ্যা হৈছে ৪,২৩৬। এই ধপাত জাতীয় সামগ্রীত নিকটিন, টাৰ, এচিটন, আর্চেনিক, বেঞ্জ পাইৰিণ আদি ৰাসায়নিক দ্রব্য মিহলি থাকে। গতিকে ইমান খিনি তথ্য জনাৰ পিছতো আৰু কেন্দ্রীয় চৰকাৰ আৰু অসম চৰকাৰৰ এই সম্পর্কে আইন থকাৰ পিছতো কিয় আইনখন কার্য্যকৰী হোৱা নাই। মাননীয়া উপাধ্যক্ষা মহোদয়া, আটাইতকৈ গুৰুত্বপূর্ণ কথা এই যে যিটো কাৰণে আইনখন প্রণয়ন কৰা হৈছে সেই সময়ত এই আইনখনৰ প্রতি একাংশই বৃদ্ধাঙ্গুষ্ঠ দেখুৱাইছে। তথ্য অনুযায়ী ৩.২ লাখ পেকেট চিগাৰেট আৰু ৬.৫ লাখ গুটখাৰ পেকেট প্রতিদিনে অসমত বিক্রী হয়। ৰাষ্ট্রীয় পৰিয়াল আৰু স্বাস্থ্য, জৰীপ-৩ত প্রকাশিত তথ্যমতে ভাৰতত ১৫ ৰ পৰা ২৫ বছৰ ৰয়সৰ যুৱক যুৱতীৰ ভিতৰত ৫৭ শতাংশ যুৱক আৰু ১০.৪ শতাংশ যুৱতীয়ে ধপাত জাতীয় দ্রব্য সেৱন কৰে। মাননীয়া উপাধ্যক্ষা মহোদয়, মই মাত্র এইটোকে কব বিছাৰিছো যে এই সম্পর্কে আইন প্রণয়ন হৈ থকাৰ পিছতো আইনখন সম্পূর্ণ জনাৰ বিপৰীতে যুৱক-যুৱতী সকলে কিয় এইবোৰ সেৱন বা বিক্রী বন্ধ কৰিব পৰা নাই।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, এই আইনখনত এনেকুৱা ধাৰা নাই যে যিটো ধাৰাৰ জৰিয়তে গুটখা, শিখৰ বা ধপাত জাতীয় সামগ্রী বিক্রী একেবাৰে বন্ধ কৰিব পাৰি। এই আইনখন মই পঢ়িছো। আইন খন হৈছে "Regulatory and Prohibition Act, 2003। এই আইন মতে ৰাজহুৱা স্থানত ধপাত সেৱন কৰাটো নিষিদ্ধ কৰা হৈছে।

** Speech not Corrected*

*** Shri Pranab Kalita :- It is to some extent Poisonous.**

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** আইনখনৰ ক্লজ্ বিলাকত আছে Revenue has been rising because of imposition of more taxation on Cigarates and tobacos etc. চৰকাৰী অফিচ, পার্ক আদিত ধূমপান নিষিদ্ধ কৰা হৈছে। গতিকে আইনখনৰ ওপৰত গৈ কোনো পুলিচে বিক্রী বন্ধ কৰিব নোৱাৰেঁ। এই আইনখনত আমাৰ ৰাজ্য চৰকাৰক এনেকুৱা ক্ষমতা দিয়া নাই যে যাৰ কাৰণে টোটেল প্রহিবিচন কৰিব পাৰে। সেই কাৰণে গুটখা, শিখৰ জাতীয় সামগ্রী বিক্রী বন্ধ কৰিব পৰা নাই। শিক্ষানুস্থানৰ ১০০ মিটাৰ দুৰত্বৰ ভিতৰত ধূমপান নিষিদ্ধ আৰু বিক্রী বন্ধ কৰা হৈছে। ইয়াৰ বিপৰীতে ভাৰতৰ ১৬ জন সাংসদে আমাৰ কেন্দ্রীয় স্বাস্থ্য মন্ত্রীক স্মাৰকপত্র দিছে আৰু তেওঁলোকে কৈছে যে শিক্ষানুস্থানৰ ১০০ মিটাৰ দুৰত্বৰ ভিতৰত ধূমপান বিক্রী বন্ধ কৰাৰ ফলত ক্ষুদ্র ব্যৱসায়ী সকল লোকচানৰ সন্মুখীন হৈছে। গতিকে এই আইন বন্ধ কৰিব লাগে। এই ১৬ জন সাংসদৰ ভিতৰত আমাৰ ৰাজ্যসভাৰ সাংসদ এজনো আছে।

*** শ্রীপ্রণৱ কলিতা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, কোন সাংসদে কি কৈছে সেইটো আমাৰ চিন্তাৰ বিষয় নহয়। আমাৰ চিন্তা হৈছে ১০০ কোটি জনসাধাৰণক লৈ। কেন্দ্রীয় চৰকাৰৰ সমানে অসম চৰকাৰেও আইন প্রণয়ন কৰিছে, কিন্তু আইনখন কিয় কার্য্যকৰী হোৱা নাই? মাননীয় স্বাস্থ্য মন্ত্রী মহোদয়ে কৈছে যে ৰাজহুৱা স্থান আৰু শিক্ষানুস্থানৰ ১০০ মিটাৰ দূৰত্বত ধপাত জাতীয় সামগ্রী বিক্রী বন্ধ কৰা হৈছে, ইয়াৰ জৰিয়তে কিমান শতাংশ সফল হৈছে?

মাননীয়া উপাধ্যক্ষা মহোদয়া, যোৱাবাৰ মাননীয় মন্ত্রী মহোদয়ে গুটখা চিগাৰেট আদি ধপাত জাতীয় সামগ্রীৰ বিক্রীৰ জৰিয়তে চৰকাৰে ৬ কোটি টকাৰ ৰাজহ আদায়

* *Speech not Corrected*

পাইছিল বুলি কৈছে। তাৰ মানে এইটো নেকি চৰকাৰে ৰাজহৰ কাৰণে আমাৰ নতুন প্ৰজন্মৰ মুখত গুটখা, চিগাৰেট আদি ধপাত জাতীয় দ্ৰব্য দি ধ্বংসৰ মুখলৈ ঠেলি দিব। গতিকে মই মাননীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যাতে গুটখা আদি যিবিলাক ধপাত জাতীয় সামগ্ৰী আছে তাৰ বিক্ৰী নিসিদ্ধ কৰনৰ বাবে যিখন আইন আছে তাক ভালদৰে বলবৎ কৰি কাৰ্য্যকৰি কৰিব লাগে। চৰকাৰে ৰাজহ বেছি পাব বুলিয়েই এই আইন কাৰ্য্যকৰি নকৰিব সেইটো হব নেলাগে। এই আইন খন বলবৎৰ জৰিয়তে কাৰ্য্যকৰী কৰিবলৈ মই আপোনাক অনুৰোধ জনাওঁ।

*** ডঃ হিমন্ত বিশ্ব শৰ্মা (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, ধপাত জাতীয় সামগ্ৰীৰ ওপৰত কৰ লগাই আমি ৰাজহ বঢ়াব পাৰো, সেইটোও এটা ৰাজহ বঢ়োৱাৰ উপায় হিচাপে ধৰা হয়। সেইটো এনে নহয় যে তাৰ জৰিয়তে আমি সকলোকে ধপাত জাতীয় বস্তু সেৱনৰ বাবে উৎসাহিত কৰিম। চিগাৰেটৰ পেকেট আদিত লিখা থাকে ধূমপানৰ অপকাৰিতা, কেন্সাৰ হোৱা আদি। গতিকে সেইবোৰৰ ফলত এনেয়ো মানুহৰ তাৰ প্ৰতি নিছা কমিছে। অসম চৰকাৰে ধপাত জাতীয় সামগ্ৰীৰ বিৰোধে থকা আইন খনৰ বহুত কেইটা দফা বিভিন্ন ধৰণে প্ৰণয়ন কৰিছে। স্বাস্থ্য আৰু জিলা প্ৰশাসনীয় বিষয়াই ভালেমান কাম-কাজ পৰিচালনা কৰি আছে। সতৰ্কবানী চাইনবৰ্ড, বিজ্ঞাপন, ধপাত জাতীয় সামগ্ৰীৰ পেকেটত সাবধানৰানী আদি কামবোৰ চোৱা চিতা কৰি আছে। আমি আইন খন বাতিল কৰা নাই। এইখন এখন কেন্দ্ৰীয় চৰকাৰৰ আইন। চিগাৰেট আৰু অন্যান্য ধপাত জাতীয় সামগ্ৰী আইন, ২০০৩। সমগ্ৰ দেশ সামৰি এখন কেন্দ্ৰীয় আইন ইয়াক বাতিলৰ ক্ষেত্ৰত অসম চৰকাৰৰ কোনো কতৃৰ্ত নাই।

মাননীয় উপাধ্যক্ষা ঃ- মাননীযা সদস্য, মহিবুল হকে কওঁক।

মঃ মহিবুল হক ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মই ইয়াত এটা অতি গুৰুত্বপূৰ্ণ কথা স্বাস্থ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষন কৰিব খুজিছো। সেইটো হৈছে আমাৰ ধুবুৰী

** Speech not Corrected*

জিলাৰ বিড়ি বনোৱাৰ বিষয়ে। ভাৰতবৰ্ষত কেন্সাৰ ৰোগী আৰু টিবি ৰোগী পৃথিবীৰ ভিতৰতে বেচি। আৰু ভাৰতবৰ্ষৰ ভিতৰত অসমত এই ৰোগৰ প্ৰাদুভাব আটাইতকৈ বেচি। টিবিটো আজিকালি অলপ কমিছে। আমাৰ ধুবুৰী জিলাত সৰু সৰু লৰা-ছোৱালী কেছুৱাইও বিড়ি বনায়। ঘৰে ঘৰে বিড়ি বনোৱাৰ কামত সৰু সৰু লৰা ছোৱালী জৰিত হৈ আছে। বিড়ি কাৰখানাৰ উপৰিও মানুহৰ ঘৰে ঘৰে লৰা-ছোৱালী বিলাক বিড়ি বনোৱাৰ কামত জৰিত হৈ থাকে। ফলত তেওঁলোকে বহুতো বেমাৰত ভুগি থাকে। বিশেষকৈ টিবি, কেন্সাৰ আদিত। লগতে সৰু সৰু বেমাৰটো আছেই। এই লৰা-ছোৱালী বিলাক অতি দুখীয়া ঘৰৰ। ফলত তেওলোকৰ মাক-দেউতাক সকলেও পইচাৰ কাৰণে তেওঁলোকৰ এই কনমানি লৰা-ছোৱালী বিলাকক এই বিপদজনক কামত নিযুক্ত কৰে। আমাৰ ধুবুৰী জিলাৰে এখন গাওঁৰ ছোৱালী এজনীক মই পাইছিলো যি ঘৰত বিড়ি বনোৱাৰ কামত জৰিত হোৱাৰ ফলত বেমাৰত ভুগি আছে। ধুবুৰী জিলাত বিড়িৰ প্ৰচলন আৰু বিড়ি খোৱাৰ প্ৰবনতা অতি বেচি। এই ক্ষেত্ৰত মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যাতে এই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰে। আৰু এই ক্ষেত্ৰত স্বাস্থ্যমন্ত্ৰী মহোদয়ে কি পদক্ষেপ গ্ৰহণ কৰিব সেইটো মই জানিব বিচাৰিম।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য মহিবুল হক ডাঙৰীয়াৰ কথাৰ উত্তৰত মই কব বিচাৰিছো যে ধুবুৰী জিলাত যিবিলাক বিড়ি কাৰখানা আছে সেইবোৰত সৰু সৰু লৰা ছোৱালীক নিয়োজিত কৰি আছে।

*** মঃ মহিবুল হক ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, বিড়ি কাৰখানাতেই নহয় ঘৰতে লৰা-ছোৱালী বিলাকে বিড়ি বনোৱাত নিয়োজিত হৈ আছে। দৰিদ্রতাৰ কাৰনে মাক বাপেকেও বাধা দিয়া নাই। বৰং কামত লগাইছে।

** Speech not Corrected*

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, এই বিষয়টো মোৰ ভিতৰত নপৰে যদিও সৰ্বশিক্ষাৰ জৰিয়তে এই বিড়ি বনোৱা সৰু সৰু লৰা - ছোৱালী বিলাকক স্কুললৈ নিয়াৰ ব্যৱস্থা কৰিব লাগিব। শিক্ষা বিভাগৰ জৰিয়তে স্কুললৈ নিয়াৰ ব্যৱস্থা আৰু সমাজ কল্যাণ বিভাগৰ জৰিয়তে এই দুখীয়া লৰা-ছোৱালী বিলাকক কি সহায় কৰিব পাৰি সেইটো চাব লাগিব। যিহেতু এই দুয়োটা কথা মোৰ আওতাত নপৰে তথাপিও মই নিজে গৈ সমাজ কল্যান মন্ত্রী আৰু শিক্ষা মন্ত্রী মহোদয়ৰ লগত আলোচনা কৰি এখন একচন প্লেন প্রস্তুত কৰাৰ ব্যৱস্থা কৰিম। আৰু এই ক্ষেত্রত মই চেষ্টা কৰিম। ধুবুৰী জিলাৰ এই সৰু সৰু লৰা-ছোৱালী বিলাকে যাতে বিড়ি বনোৱাৰ কামত আৰু নিয়োজিত হব নোৱাৰে।

*** শ্রীকৰেন্দ্র বসুমতাৰী** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মই এটা চাপ্লিমেন্টাৰী কৰিব বিছাৰিছো। মাননীয় মন্ত্রী মহোদয়ে যিটো কথা কৈছে যে ধপাত জাতীয় বস্তুৰ টেক্স বঢাই দিলেই নহব, আজিকালি মানুহৰ হাতত বহুত টকা। এইদৰে বিক্রী বন্ধ নহব। সম্পূর্ণ ভাৱে নিষিদ্ধ কৰিব পাৰে নেকি সেইটো চাব লাগে। ফৰেইনতটো এইবোৰ নায়েই। এবাৰ চাউঠলৈ যাওঁতে অধ্যক্ষ ডাঙৰীয়া আৰু মই চুপাৰী বিছাৰি একেবাৰে হায়ৰান হ'লো। গুটখা জাতীয় বস্তুবোৰৰ পৰা মানুহৰ বহুতো বেমাৰ হৈছে। টি.বিৰ দৰে বেমাৰ আজিকালি কিছু নিৰাময় হৈছে যদিও আমি চাধা, চিগাৰেট বিড়ি আদি একেবাৰে নিসিদ্ধ কৰাতো ভাল। আৰু জৰিমনা ২০০ টকাটো কম হৈছে, এহাজাৰ টকা কৰাটো ভাল। অন্ততঃ ১৫ দিন জেল হাজোতত খাটিব দিব লাগে।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী)** ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, যিহেতুকে এইখন কেন্দ্রীয় চৰকাৰৰ আইন, আমি কেন্দ্রীয় চৰকাৰৰ দৃষ্টি গোচৰ কৰিম।

** Speech not Corrected*

*** শ্রীআব্দুল খালেক ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, ২০০৮ চনতে অসম সচিবালয়ৰ ভিতৰত ধূমপান নিষিদ্ধ কৰি এখন আইন প্ৰণয়ন কৰা হৈছিল। তাৰ কাৰণে তদাৰকী ব্যৱস্থাও কৰিছিল। কিন্তু মই নিজে দেখিছো, তাত এতিয়াও মানুহে ধূমপান কৰি থাকে। আমাৰ শিক্ষানুস্থানৰ কথা কোৱা হৈছে, কিন্তু সচিবালয়ৰ ভিতৰতে যদি ধূমপান নিয়ন্ত্রন কৰিব নোৱাৰি তেন্তে শিক্ষানুস্থানৰ পৰা কেনেকৈ কৰিব। বিড়িয়ে আমাক যথেষ্ঠ ক্ষতি কৰিছে। এইটো কেনেধৰণে নিয়ন্ত্রন কৰিব পাৰি তাৰ বাবে কি ব্যৱস্থা লৈছে মন্ত্রী মহোদয়ে জনাবনে? সচিবালয়ত "স্মক ডিটেকটৰ" ব্যৱস্থা কৰিছে নেকি?

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, সচিবালয়ৰ ভিতৰত সাধাৰণ প্ৰশাসন বিভাগৰ দায়িত্বত থাকে। সচিবালয়ৰ ভিতৰত 'ন' স্মকিং জ'ন বনোৱাৰ নিয়ম নাই। এইটো সম্পূর্ণ ভাবে নিষিদ্ধ। পৃথিবীত বহুতো আইন আছে। এই আইনবোৰৰ বলবৎ যদি এখন চৰকাৰে ভালভাবে কৰে তেন্তে ইয়াৰ পৰা সুফল পাব। আমাৰ প্রত্যেক মানুহক ধূমপান নিষিদ্ধ কৰাৰ বাবে যদি তিনি কোটি মানুহ থাকে তেন্তে তিনি কোটি ন' স্মকিং মেন দিব লাগিব। আচলতে আইনখনে জন সচেতনতা আনিছে। আপুনি সচেতন হ'লে, মই সচেতন হ'লে বা আমাৰ জনসাধাৰণ সচেতন হ'লে এই আইনৰ সফল প্রয়োগ হব। কিন্তু এইটো চিন্তা কৰিলে নহব যে আজি আইনখন প্রণয়ন হ'ল আৰু কালিলৈকে সকলো নিয়ন্ত্রণ হৈ যাব । আগতে আমাৰ চৰকাৰী বিষয়া সকলে চিগাৰেট মুখত লৈ মানুহৰ লগত কথা পাতিছিল। কিন্তু আজিকালি সেইটো বহুত কমিছে। আজিকালি আপুনি দেখা পাব মই নিজে বা আন কোনো মন্ত্রীয়ে চিগাৰেট ৰুমৰ ভিতৰত নেখায়। কোনো আই. এ. এচ অফিছাৰে নাখায়।

*** শ্রীপ্রনৰ কলিতা ঃ** আপোনাৰ স্বাস্থ্য বিভাগৰ আন্দাৰ চেক্রেটাৰীয়ে কালি খাই আছে।

** Speech not Corrected*

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ** উপাধ্যক্ষা মহোদয়া, মই কৈছো ইন জেনেৰেল। আপোনালোকে যদি প্ৰত্যেকজন কৰ্মচাৰীয়ে চিগাৰেট খাই বুলি কয় মই মানি লব নোৱাৰো। তিনিজনৰ খোৱাটো আমি দেখিছো কিন্তু ৯৭ জনৰ কথাটো দেখা নাই। আমি ভাল কৰ্মচাৰীক বিধান সভাতো প্ৰশংসা কৰিম। বেয়া সকলে যাতে তেওঁলোকক অনুসৰণ কৰে। আমি এনেকুৱা হব নালাগে যে গোটেইখিনি শেষ হৈ গল। সকলোৱে চিগাৰেট খায়। আজি শিক্ষাৰ প্ৰসাৰৰ লগে লগে চিগাৰেটৰ বিক্ৰী কমি আহিছে। হয়, আজি কিছু ডেকা লৰাৰ এই বিলাক খোৱাৰ প্ৰবণতা বাঢ়িছে, কিন্তু তাৰ মাজতো বহুতো আই, এ,এচ, এ, চি এচলৰা ওলাইছে যিয়ে এইবোৰ নাখায়।

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া তৰা চিহ্নিত প্ৰশ্ন নং ৫৫, মাননীয় সদস্য, শ্ৰীৰাজীৱ লোচন পেগু।

বিষয় ঃ আহতগুৰি ৰাজ্যিক চিকিৎসালয়।

শ্ৰীৰাজীৱ লোচন পেগু য়ে সুধিছে ঃ

*** ৫৫ । মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) মাজুলী মহকুমাৰ আহতগুৰি অঞ্চলত আহতগুৰি ৰাজ্যিক চিকিৎসালয় নামেৰে এখন চিকিৎসালয় থকাটো চৰকাৰৰ অৱগত নে?

(খ) যদি অৱগত, এই চিকিৎসালয়খন কিমান দিনৰ পৰা ৰাইজৰ স্বাৰ্থত কাম নকৰাকৈ আছে?

(গ) মাজুলীৰ এই চিকিৎসালয়খন ৰাইজৰ সেৱাত বেলেগ ঠাইত হলেও স্থাপন কৰিব নোৱাৰিনে?

(ঘ) যদি পাৰি, কেতিয়ালৈ এই ব্যৱস্থা লব?

*** ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) ১৯৮৮ চনৰ বানপানীৰ ফলত চিকিৎসালয় ভৱন বিধ্বস্ত হোৱাত চিকিৎসা সেৱা বন্ধ হৈ পৰে।

(গ) পাৰি।

(ঘ) উপযুক্ত স্থান নিৰ্বাচন ক্ৰমে জিলাৰ পৰা প্ৰস্তাৱ আহিলে বিবেচনা কৰিব পৰা যাব।

*** শ্ৰীৰাজীৱ লোচন পেগু ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, অসমৰ মাজুলী মহকুমাৰ আহতগুৰিত য়িখন বাজ্যিক চিকিৎসালয় আছে, তাত এজন চকীদাৰে চলাই আছে। এই বিষয়ে মই সদনত প্ৰশ্ন তুলিছিলো। ইমান বছৰৰ পৰা এইখন এনেদৰে আছে, গতিকে এই চিকিৎসালয়খন উঠাই আনি বেলেগ ঠাইত দিলে মানুহৰ বহুত সুবিধা হব। এই বিষয়ে ব্যৱস্থা লবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

*** ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্ৰী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, উত্তৰ ইতিমধ্যে সদনত দিছো। আমাৰ মাননীয় সদস্য, নজৰুল ইছলাম ডাঙৰীয়াই তেওঁৰ সমষ্টিত ২ খন বানপানীত ক্ষতিগ্ৰস্থ চিকিৎসালয়ৰ কথা মোৰ দৃষ্টি গোচৰ কৰিছিলে। মই লগে লগে টকা দিছো। আহতগুৰিৰ কাৰণেও মাননীয় সদস্যজনে যদি ৰাজহুৱা মাটি দেখুৱাই দিয়ে, তেতিয়া মই ১০ দিনৰ ভিতৰত ব্যৱস্থা লম।

(Starred Question Nos. 56,57,58 and 59 could not be taken up for disposal as the Questioners were not Present in the House when called for. However, the said questions deemed to have been laid on the table of the House with replies thereto.)

** Speech not Corrected*

বিষয় ঃ-স্থিৰ অনুভাষ যন্ত্ৰ (FLS) ।

শ্ৰীনুৰুল হুছেইনে সুধিছে ঃ

***৫৬। মাননীয় তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) স্থিৰ অনুভাষ যন্ত্ৰ (FLS) সমূহে যিহেতু জনপ্ৰিয়তা অৰ্জন কৰিছে, সেয়েহে স্থায়ীভাবে চলাই ৰখাতো ব্যৱস্থা কৰিছে নেকি ?

(খ) যদি কৰিছে, কেনে ধৰণে কৰিছে? (তথ্য সহ জনাব)

(গ) উক্ত ব্যৱস্থা বৰ্ত্তাই ৰাখিবলৈ হলে প্ৰতিকেন্দ্ৰত মেৰামতি কৰা আৰু নিয়মীয়া কাৰ্য্যসূচীত চলাই ৰখাৰ বাবে নিয়োগৰ ব্যৱস্থা কৰিব নেকি? যদি কৰে, কেতিয়াৰ পৰা কৰিব?

শ্ৰীৰকিবুল হুচেইন (তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয় কৰা হৈছে ।

(খ) গাঁও পঞ্চায়ত সমুহক দায়িত্ব দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(গ) যথা সময়ত ব্যৱস্থা লোৱা হ'ব।

বিষয় ঃ আৱন্টন দিয়া পুঁজিৰ খৰচ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

***৫৭। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) গুৱাহাটীৰ ৰাস্তা-ঘাট, ড্ৰেইনৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে N.B.C.C. ৰ

জৰিয়তে কিমান পুঁজি মুকলি কৰি দিছিল আৰু কিমান পুঁজি এতিয়ালৈকে খৰচ কৰিলে, জনাবনে ? ২০০৬ চনৰ পৰা N.B.C.C. য়ে এতিয়ালৈকে ৰাস্তা ও ড্ৰেইনৰ উন্নয়নৰ কাম হাতত নোলোৱাৰ কাৰণ কি?

(খ) N.B.C.C.ৰ হাতত গুৱাহাটীৰ ৰাস্তা-ঘাট ও নলাৰ উন্নয়নৰ বাবে ২৫ (পচিশ) কোটি টকা খৰচ নোহোৱাকৈ পৰি থকা কথাটো সচাঁনে?

(গ) যদি সঁচা, তেনেহলে চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে জনাবনে?

(ঘ) JNNURM ৰ জৰিয়তে অনুমোদিত হোৱা পশ্চিম গুৱাহাটী পানী যোগান আঁচনিটো বৰ্ত্তমান কি অৱস্থাত আছে আৰু কোন চনত উক্ত আঁচনিটো সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে জনাবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) গুৱাহাটীৰ ৰাস্তা-ঘাট উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে N.B.C.C. ক তলত দিয়া ধৰণে পুঁজিৰ আৱন্টন দিছিল ঃ-

১) ১৪/৭/২০০২ — ২৪.২৭ কৌটি টকা।

২) ১০/৮/২০০৫ — ২৪.১৬ „ „

৩) ২৪/৩/২০০৮ — ২৪.০৭ „ „

N.B.C.C. য়ে এতিয়ালৈকে ওপৰত (১) আৰু (২) ত উল্লেখ কৰা আটাইখিনি ধন আৰু ওপৰত (৩) ত উল্লেখ কৰা ২৪.০৭ কৌটি টকাৰ ভিতৰত ৮.২০ লাখ টকা খৰচ কৰা বুলি জনা যায়। N.B.C.C.য়ে ২০০৬ চনৰ পৰা এতিয়ালৈকে ৰাস্তা আৰু ড্ৰেইনৰ কাম হাতত নোলোৱাৰ প্ৰকৃত কাৰণ জনা নাযায়।

(খ) N.B.C.C.ৰ হাতত গুৱাহাটীৰ ৰাস্তাঘাট ও নলাৰ উন্নয়নৰ বাবে কিমান টকা খৰছ নোহোৱাকৈ পৰি আছে তাৰ তথ্য ৰাজ্য চৰকাৰৰ হাতত নাই। ৰাজ্য

চৰকাৰে N.B.C.C.য়ে গুৱাহাটীত ৰাস্তাঘাট আৰু নলাৰ উন্নয়নৰ কাম হাতত নোলোৱাৰ পৰিপ্রেক্ষিতত কেন্দ্রীয় চৰকাৰক ৰাস্তাঘাট আৰু নলাৰ উন্নয়নৰ ধন N.B.C.C.ৰ পৰিবর্তে ৰাজ্য চৰকাৰক মুকলি কৰি দিবলৈ অনুৰোধ কৰে। সেই মর্মে কেন্দ্রীয় চৰকাৰৰ নগৰ উন্নয়ন মন্ত্রালয়ে ৰাজ্য চৰকাৰক গুৱাহাটীৰ ৰাস্তাঘাট আৰু নলাৰ উন্নয়নৰ বাবে ৮,১৫,৩৫,০০০.০০ টকা মুকলি কৰি দিয়ে। ৰাজ্য চৰকাৰে উক্ত টকাৰে শীর্ঘ্রে কাম আৰম্ভ কৰিব।

(গ) 'খ' ত উল্লেখ কৰা মতে ।

(ঘ) JNNURM ৰ জৰিয়তে অনুমোদিত পশ্চিম গুৱাহাটী পানী যোগান আঁচনিৰ কাম আৰম্ভ হৈছে আৰু বর্তমান পূর্ণগতিত কাম চলি আছে। উক্ত আঁচনিটো ২০১১ চনত সম্পূর্ণ কৰি তোলাৰ আশা কৰা হৈছে।

বিষয় ঃ-পি, এইচ, চিৰ ষ্টাফ ।

শ্রীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ

*** ৫৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ**

(ক) কাছাড় জিলাৰ ধলাই সমষ্টিৰ ধোয়াৰ বন্দ, হাওয়াই থাং প্রভৃতি অঞ্চলত নিউ, পি, এইচ, চিৰ ঘৰ থকা সত্বেও প্রয়োজনীয় ষ্টাফৰ অভাৱত কাম আৰম্ভ কৰিব নোৱাৰাৰ বিষয়ে চৰকাৰ জ্ঞাত নে?

(খ) যদি জ্ঞাত, চৰকাৰ উক্ত পি, এইচ, চি বোৰ কেতিয়া জন সাধাৰণৰ স্বাস্থ্য সেৱাৰ বাবে প্রয়োজনীয় ষ্টাফ ইত্যাদি সহ মুকলি কৰি দিব?

(গ) প্রয়াত মুখ্য মন্ত্রী মাননীয় হিতেশ্বৰ শইকীয়াৰ কার্য্যকালত ধলাই সমষ্টিৰ দর্গী অঞ্চলত ২০ খন বিচনাযুক্ত বিশিষ্ট হস্পিতেল নির্মাণ কৰাৰ কথা ঘোষণা কৰা সত্বেও আজিলৈকে চৰকাৰে কিয় ব্যৱস্থা লোৱা নাই?

(ঘ) বর্ত্তমান চৰকাৰৰ কার্য্যকালত কিবা ব্যৱস্থা লব নেকি?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হাওয়াই থাং নিউ, পি এইচ, চিত প্রয়োজনীয় ডাক্তৰ, ফার্মাচিষ্ট আৰু চতুর্থ শ্রেণীৰ কর্মচাৰী নিয়োগ কৰা হৈছে আৰু তেওঁলোকে নিয়মিত ভাবে কার্য্যনির্বাহ কৰি আছে।

MPHC স্থাপনৰ বাবে ধোৱাৰ বন্দত গৃহ নির্মানৰ কাম সম্পূর্ণ হৈছে। প্রয়োজনীয় পদ মঞ্জুৰী নোহোৱাৰ বাবে নিয়োগৰ ব্যৱস্থা কৰিব পৰা নাই।

(খ) পদ মঞ্জুৰী পালে ব্যৱস্থা লব পৰা যাব।

(গ) চৰকাৰ অৱগত নহয়।

(ঘ) এতিয়াই কব পৰা নাযায়।

বিষয় ঃ বন্য প্রাণীৰ সন্দর্ভত।

শ্রীদুর্গা ভুমিজে সুধিছে ঃ

* ৫৯। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ডিব্রু-চৈখোৱা ৰাষ্ট্রীয় উদ্যানত ঘৰচীয়া জন্তুৰ হেচাত বন্য প্রাণী কমি আহিছে কথাটো সঁচানে ?

(খ) বন্য প্রাণীৰ পৰিবর্ত্তে উক্ত অভয়াৰণ্যখনত বর্ত্তমান গাখীৰ, দৈ, মাছ সহজে উপলব্ধ, কথাষাৰ সত্যনে ?

(গ) যদি সত্য হয়, তেন্তে চৰকাৰে উক্ত অভয়াৰণ্যখন ৰক্ষনাবেক্ষণৰ কাৰণে কিবা পদক্ষেপ গ্রহণ কৰিছেনে ?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বন্যপ্রাণী কমি অহা কথাটো সচাঁ নহয়। ডিব্রু-চৈখোৱা অভয়াবন্যখনক ৰাষ্ট্রীয় উদ্যান হিচাপে ঘোষণা কৰাৰ বহু পূর্বৰ পৰা ঘৰচীয়া জীৱ-জন্তু, পোহনীয়া জীৱ জন্তুৰ তীব্র হেঁচা আছিলে, কিন্তু ৰাষ্ট্রীয় উদ্যান হিচাপে ১৯৯৯ চনত ঘোষনা কৰাৰ পিচৰ পৰাই পোহনীয়া জন্তুৰ হেচাঁ বহু পৰিমাণে কমিছে আৰু বনৰীয়া জন্তু কমি অহা কোনো তথ্য নাই।

(খ) কথাষাৰ সত্য নহয়, অৱশ্যে ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া অঞ্চলত দৈ, গাখীৰ উপলব্ধ হয়। ৰাজহ বিভাগে আবন্তন দিয়া মীন মহলৰ মাছ গুইজানত নিলাম কৰা হয়।

(গ) ডিব্রু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ সুৰক্ষাৰ বাবে নটা (৯) স্থায়ী শিবিৰৰ ব্যৱস্থা আছে। প্ৰতিটো শিবিৰতে ওয়াৰলেচ আৰু আগ্নেয়াস্ত্ৰ সহ ২/৩ জন বনকৰ্ম্মী দৈনিক পহৰা দিয়াৰ বাবে ব্যৱস্থা কৰা হৈছে। তদুপৰি দেশী আৰু যন্ত্ৰচালিত নাঁও পহৰাৰ কামত ব্যৱহাৰ কৰা হৈছে।

Madam Dy. Speaker: Now, starred Question No.-60. Hon'ble Member, Shri Kamalsing Narzari

বিষয় ঃ চিৰাং জিলাত জিলা আৰু সত্ৰ ন্যায়ালয় স্থাপন।

শ্ৰী কমলসিং নাৰ্জৰীয়ে সুধিছে ঃ

*** ৬০। মাননীয় ন্যায়িক আৰু বিধায়িনী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) চিৰাং জিলা গঠনৰ পিছত বহু কেইটা বছৰেও জিলাখনত এখনি জিলা আৰু সত্ৰ ন্যায়ালয় নথকাৰ বিষয়ে ন্যায়িক বিভাগ অৱগতনে?

(খ) জিলা আৰু সত্ৰ ন্যায়ালয় নথকা বাবে চিৰাং জিলাৰ ৰাইজে যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱাৰ বিষয়ে ৰাজ্য চৰকাৰ অৱগত নে?

(গ) যদি অৱগত, কিমান দিনৰ ভিতৰত উক্ত ন্যায়ালয়খন প্ৰতিষ্ঠা কৰা হব?

(ঘ) চিৰাং জিলাৰ সদৰ কাজলগাঁওত ন্যায়ালয়খনৰ আন্তঃ গাঁথনি গঢ়ি নুঠালৈকে জিলা আৰু সত্ৰ ন্যায়ালয়ৰ কাম কাজ বিজনী মহকুমা ন্যায়িক দণ্ডাধীশৰ কাৰ্য্যলয়ৰ পৰা অস্থায়ী ভাবে সম্পন্ন কৰা ব্যৱস্থা কৰিবনে?

শ্ৰীপ্ৰণৱ গগৈ (ন্যায়িক বিভাগৰ মাননীয় মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) অৱগত।

(গ) কোর্ট ভৱনৰ চূড়ান্ত প্ৰাককলন (Plan and Estimate) ৰাজ্যৰ গড়-কাপ্তানী বিভাগে দাখিল কৰাৰ পিচত মাননীয় গুৱাহাটী উচ্চ ন্যায়লয়ৰ অনুমোদন সাপেক্ষে ব্যৱস্থা লোৱা হব।

(ঘ) এই বিষয়টো বৰ্তমান মাননীয় উচ্চ ন্যায়ালয়ৰ বিবেচনাধীন হৈ আছে।

* **শ্ৰী কমল সিং নাৰ্জাৰী ঃ** মাননীয় উপাধ্যক্ষা মহোদয়, সময় নিচেই কম, মোৰ প্ৰশ্নৰ উত্তৰেই নাপাম। মোৰ গ প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে কোৰ্ট ভৱনৰ চূড়ান্ত প্ৰাককলন ৰাজ্যৰ গড়কাপ্তানী বিভাগে দাখিল কৰাৰ পিচত মাননীয় উচ্চ ন্যায়ালয়ৰ অনুমোদন সাপেক্ষে ব্যৱস্থা লোৱা হব। বিজনী মহকুমা আছে।

(Madam deputy Speaker vacated the Chair and Mr. Speaker occupied the Chair)

মাননীয় অধ্যক্ষ ঃ প্ৰশ্নোত্তৰ কাল সমাপ্ত।

UNSTARRED
QUESTION AND ANSWERS

বিষয় ঃ আৰ্দশ হস্পিতাল সম্পৰ্কে।

শ্ৰী ওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ

১০১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) প্ৰত্যেক বিধান সভা সমষ্টিত এখনকৈ আৰ্দশ হস্পিতালৰ ব্যৱস্থা কৰিব বুলি কৰা ঘোষণাৰ বিষয়ে চৰকাৰ অৱগতনে?

(খ) যদি অৱগত, উক্ত হস্পিতাল বিলাকৰ কাম কেতিয়া আৰম্ভ কৰিব?

(গ) চৰ অঞ্চলৰ ৰাইজে '১০৮' মৃত্যুঞ্জয় গাড়ীৰ ব্যৱস্থাৰ সময়ে সময়ে দাবী জনাই অহাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

** Speech not Corrected*

(ঘ) যদি জ্ঞাত, চৰ অঞ্চলৰ বাইজৰ কাৰণে '১০৮' ৰ নিচিনা নাওৰ ব্যৱস্থা কৰি চৰ অঞ্চলৰ বাইজৰ অভাৱ পূৰণৰ ব্যৱস্থা লব নেকি?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) অৱগত।

(খ) মাননীয় বিধায়ক সকলৰ প্রস্তাৱৰ ভিত্তিত জিলা উপায়ুক্তসমূহৰ পৰা এই সম্পর্কে Feasibility & Verification Report বিচৰা হৈছিল। সেইমতে ৪৫ টা সমষ্টিৰ ক্ষেত্রত সংশ্লিষ্ট জিলা সমূহৰ পৰা প্রতিবেদন পোৱা হৈছে। সম্পূর্ণ প্রতিবেদন পোৱাৰ পিচত এই সম্বন্ধে সিদ্ধান্ত লোৱা হব।

(গ) জ্ঞাত।

(ঘ) চৰ অঞ্চলৰ বাইজৰ কাৰণে ২০১০-১১ বিত্তীয় বর্ষৰ Programme Implementation Plan (PIP) ৰ অধীনত Referral Transport Facility through 108 Emergency Services ৰ বাবে কেন্দ্রীয় চৰকাৰক প্রস্তাৱ দিয়া হৈছে।

বিষয় ঃ-উপস্বাস্থ্য কেন্দ্রৰ সংখ্যা।

ডাঃ আদিত্য লাংথাছাই সুধিছে ঃ

১০২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিগত চাৰি বছৰত হোজাই মহকুমাৰ অর্ন্তগত হোজাই, যমুনামুখ আৰু লামডিং সমষ্টিৰ বাবে চৰকাৰে কিমানখন উপস্বাস্থ্য কেন্দ্র নির্মানৰ বাবে আৱন্টন দিছিল? (সমষ্টি অনুযায়ী পৰিসংখ্যা সদনৰ মেজত দাখল কৰিব)

(খ) উক্ত উপস্বাস্থ্য কেন্দ্র নির্মাণৰ কাম সমপূর্ণ হৈছেনে? (পৰিসংখ্যা দিব)

(গ) উক্ত উপস্বাস্থ্য কেন্দ্র সমূহৰ নির্মাণৰ কাম কোনে কৰিছে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মুঠ ৩০ (ত্রিশ) খন উপস্বাস্থ্য কেন্দ্র নির্মাণৰ বাবে কামৰ আৱন্টন দিয়া হৈছিল। ইয়াৰে ২০০৬-০৭ বর্ষত ২৬ খন আৰু ২০০৮-০৯ বর্ষত ৪ খন মুঠ ৩০ খন আৱন্টন দিয়া হৈছিল।

হোজাই সমষ্টিত	- ৮ (আঠ) খন
যমুনামুখ সমষ্টিত	- ১০ (দহ) খন
লামডিং সমষ্টিত	- ৮ (আঠ) খন
হোজাই সমষ্টিত	- ২ (দুই) খন
যমুনামুখ সমষ্টিত	- ১ (এক) খন
লামডিং সমষ্টিত	- ১ (এক) খন

(খ) নির্মাণৰ কাম বর্ত্তমানলৈকে সম্পূর্ণ হোৱা নাই।

(গ) উক্ত উপ স্বাস্থ্য কেন্দ্রৰ নির্মাণৰ কাম নগাঁও গড়কাপ্তানী গৃহ-বিভাগৰ অধীনত ঠিকাদাৰে কৰি আছে। তলত ঠিকাদাৰ সকলৰ নাম উল্লেখ কৰা হল।

হোজাই সমষ্টিৰ ঃ-

12th F.C. Hojai-11 ৰ ঠিকাদাৰ শ্রীশৈলেন্দ্র কুমাৰ দাস, হোজাই।

NRHM Package No-143 ঠিকাদাৰ শ্রীমজিবুৰ ৰহমান, হাতীগাঁও, গুৱাহাটী।

লামডিং সমষ্টিৰ ঃ-

12th F.C.ৰ লামডিং 13 ৰ ঠিকাদাৰৰ নাম শ্রীজগত ৰঞ্জন গোস্বামী, গুৱাহাটী।

NRHM Package No-144 ঠিকাদাৰৰ শ্রীগৌতম তালুকদাৰ, ৰিহাবাৰী, গুৱাহাটী।

যমুনামুখ সমষ্টিৰ ঃ-

12th F.C. Package No-14 ঠিকাদাৰৰ নাম শ্রী মহেশ কুমানৰ চেনালী, হোজাই।

NRHM Package No-144ৰ ঠিকাদাৰ নাম শ্রীগৌতম তালুকদাৰ, ৰিহাবাৰী, গুৱাহাটী।

Subject :- Different Schemes of Handloom and Textiles.

Shri Sirajuddin Ajmal asked :

103. Will the Minister of Handloom and Textiles be pleased to state :

a) What are the different Schemes implemented under the Department in the State for last 3 years?

b) What is the amount spent in implementation of these Schemes? (Give in details Scheme wise)

c) What are the different Schemes implemented by the Department in Jamunamukh LAC for last 3 years? (Please give in details with beneficiaries Scheme wise).

Sri Panab Gogoi (Minister, Handloom Textiles & Sericulture) replied :

a) The different Schemes implemented by the Department of Handloom and Textiles during last 3 years shown below :

Year	Name of Scheme	Amount Spent Rs. in lacs
2006-2007	1. Deen Dayal Hatkargha Protshan Yojana	Rs. 393.544
	2. Project Package Scheme	Rs. 178.66
	3. Distribution of looms & accessories.	Rs. 47.625
	4. Workshed Cum Housing Scheme	Rs. 137.66
	5.Re-imbursement of 10% Rebate Scheme	Rs. 192.43
	6.Mahatma Gandhi Bunkar Bima Yojana.	Rs. 0.85
	7. Integrated Training Programme	Rs. 82.265
	8. Health Package Scheme	Rs. 48.964
	Total	Rs. 1081.998

Under Chief Minister's Assam Bikash Yojana

a) Distribution of yarn to poor Weavers	- Rs. 2000.00
b) Distribution of Blanket to family living below poverty line	- Rs. 700.00

2) Distribution of looms & accessories with yarn.	- Rs. 146.30Yarn
3) Deen Dayal Hathkargha Protsahan Yojana-	- Rs. 727.578
4) Project Package Scheme	- Rs. 87.10
Total	- Rs. 3660.978

2008-09. Under Assam Bikash Yojana.

1) Distribution of yarn to poor weavers	Rs. 1200.00
2) Distribution of Blanket to the family living below Proverty line.	Rs. 700.00
3) Economic upliftment of Weavers under TSP & SCC in Project mode (20 Weavers in each Project).	Rs.181.85
4) Health Insurance Scheme	Rs. 415.00
5) Deen Dayal Hathkargha Prosahan Yojana	Rs. 828.527
6) Integrated Handloom Development Schemes	Rs. 276.82
7) Workshed Cum Housing Scheme (by ARTFED)	Rs. 24.50
8) Project Package Scheme	Rs. 37.075
Total	Rs.3661.772

B) The amount spent in implemention of the Scheme is mentioned against -A.

C) The Scheme implemented in Jamunamukh constituency during last 3 years are shown below :-

(A) Deen Dayal Hathkargha Protsahan Yojana :

Under this Scheme the following weavers co-operative Society have been granted both central & State Share as under.

1. Jamunamukh Azad Hindi BKSSLtd. Rs. 7,63,500.00
2. Sadhana BKSS Ltd. Rs. 7,63,500.00
3. Surabhi BKSS Ltd. Rs. 7,63,500.00

B) Under Assam Bikash Yojana :

1. Distibution of yarn to poor Weavers - 2960 Weavers.
a) 1 boundle (4.54 Kg) of yarn per weaver for 2007-08

2) Distribution of yarn to poor weavers - 1350 weavers
1 boundle yarn (4.54 Kg) per weavers for the year 2008-09.

(Distribution of yarn is going on which is not yet completed)

3) Distribution of Blanket to the family living below poverty line for the year 2007-08 at - 3200 Families @ 1 Blanket per family.

4) for 2009-10 at the same rate as above.
(Distribution not yet Completed).

বিষয় ঃ- পর্য্যটন ক্ষেত্র বিকাশ।

শ্রীঅভিজিত হাজৰিকাই সুধিছে ঃ

১০৪। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) বিভিন্ন জন গোষ্ঠীৰে তথা বিভিন্ন চাহ বাগিচাৰে পৰিপূর্ণ ৰঙাপাৰা সমষ্টিত চৰকাৰে পর্য্যটন ক্ষেত্রৰ বিকাশৰ লক্ষ্যৰে কিবা আঁচনি লব নেকি?

(খ) অসম বিকাশ যোজনাৰ অধীনত ৰঙাপাৰা সমষ্টিলৈ পর্য্যটন বিভাগৰ পৰা ২০০৬ চনৰ পৰা কি কি আঁচনি এতিয়ালৈ অনুদিত হৈছে আৰু ভবিষ্যতলৈ কি কি আঁচনি অনুমোদন কৰিব?

শ্রীৰকিবুল হুছেইন (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম Buddhist Circuit উন্নয়ণৰ অধীনত ৰাঙাপাৰাত অৱস্থিত বৌদ্ধ মন্দিৰৰ বাবে ভাৰত চৰকাৰৰ পর্য্যটন মন্ত্রালয়ে উক্ত মন্দিৰৰ উন্নয়নৰ বাবে মুঠ ৫৫.৯৩ লাখ টকা অনুমোদন দিছে। উক্ত টকাৰ মুঠ ৮০ শতাংশ ইতিমধ্যে মুকলি কৰি দিছে। উল্লেখিত টকাৰে পর্য্যটক গৃহ নির্মাণ, ৰান্ধনীঘৰ নির্মাণ, বর্ত্তমানে থকা মন্দিৰৰ উন্নিত কৰণ খোৱাপানী যোগান, চৌহদৰ পকীবোৰ নির্মাণ, প্রসাধন কক্ষ ইত্যাদি নির্মাণৰ ব্যৱস্থা লোৱা হৈছে আৰু ইতিমধ্যে ইয়াৰ কাম আৰম্ভ হৈছে।

(খ) ২০০৮-০৯ চনত অসম বিকাশ যোজনাৰ অধীনত ৰঙাপাৰা অঞ্চলত ৩ জন হিতাধীকাৰীয়ে পর্য্যটক বাহন ক্রয় কৰাৰ বাবে অসম পর্য্যটনৰ পৰা অর্থ সাহার্য্য (Subsidy) লাভ কৰিছে। ২০০৯-১০ চনৰ বাবে অসম বিকাশ যোজনাৰ অধীনত লোৱা বিভিন্ন আঁচনিত পুনৰ অসমৰ বিভিন্ন ঠাইৰ শিক্ষিত নিবনুৱা যুৱক যুৱতীয়ে পর্য্যটনৰ উন্নয়নৰ ক্ষেত্রত লোৱা আঁচনিৰ বাবে অর্থ সাহার্য্য (Subsidy) লাভ কৰিব পাৰিব।

বিষয় ঃ বালিৰ ৰাজহ সংগ্ৰহ।

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

১০৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ কিমানখন আৰু কোন কোন নদীৰ পৰা বালি সংগ্ৰহৰ চৰকাৰী অনুমোদন আছে?

(খ) প্ৰতি কিউবিক মিটাৰ বালিৰ পৰা কিমান টকাৰ ৰাজহ সংগ্ৰহ কৰা হয়? ২০০১ চনৰ পৰা ২০০৯ চনলৈ কিমান টকাৰ ৰাজহ সংগ্ৰহ কৰা হৈছে?

(গ) বালি সংগ্ৰহৰ ক্ষেত্ৰত সংগ্ৰহকাৰীৰ চৰকাৰী অনুজ্ঞাপত্ৰৰ ব্যৱস্থা আছে নেকি?

(ঘ) যদি আছে, তেনেহলে অসমত ২০০১ চনৰ পৰা ২০০৯ চনলৈ কিমানখন এনে অনুজ্ঞাপত্ৰ প্ৰদান কৰা হৈছে?

(ঙ) বালি বিক্ৰীৰ ক্ষেত্ৰত প্ৰতি কিউৰিক মিটাৰ বালিৰ চৰকাৰী ভাবে অনুমোদিত বিক্ৰীদৰ কিমান?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ প্ৰাদেশীক শাখাৰ অন্তৰ্গত সৰ্বমুঠ অনুমানিক ১০০ খন নদীৰ পৰা বালি সংগ্ৰহৰ অনুমোদন আছে? নদীবোৰৰ তালিকা তলত সংলগ্ন কৰা হ'ল।

(See Annexure -- XII)

(খ) বিভিন্ন বালি মহলৰ আবন্টিত ধন বিভিন্ন হোৱাত প্ৰতি কিউবিক বালিৰ মূল্যও বেলেগ বেলেগ হয় যদিও উক্ত প্ৰতি কিউৰিক মিটাৰ বালিৰ মূল্য বৰ্ত্তমান চৰকাৰী ৰাজহ প্ৰতি কিউবিক মিটাৰত ৯০ টকাৰ বেছি হোৱা দেখা যায়।

২০০১ চনৰ পৰা ২০০৯ চনলৈ অসমৰ প্ৰাদেশীক শাখাৰ অন্তৰ্গত শিল বালি মহলৰ পৰা অনুমানিক মূঠ ১৩৩,০৮,৭৪,৩৬০ টকা ৰাজহ সংগ্ৰহ কৰা হৈছে।

(গ) চৰকাৰৰ বিভিন্ন উন্নয়নমূলক কামৰ কাৰণে চৰকাৰী ৰাজহ ভিত্তিত ব্যৱহাৰ কৰিবলগীয়া বিভাগৰ অনুমোদন সাপেক্ষে অনুজ্ঞাপত্ৰ দিয়াৰ ব্যৱস্থা আছে। অসম

চৰকাৰৰ আদেশ নং FRS. 1/2004/Pt/47 dt 01/09/2009 মৰ্মে বন ও পৰিবেশ বিভাগে ৰাজ্য/ কেন্দ্রীয় চৰকাৰৰ বিভিন্ন অনুমোদিত বিভাগ/প্রতিস্থান সমূহক অসমৰ ভিতৰত সম্পন্ন কৰা উন্নয়নমূলক কামকাজত ব্যৱহাৰৰ বাবে বালি, শিল, মাটি, নদীৰ পলস ইত্যাদি অনুমোদিত ৰাজহ দৰত (প্রযোজ্য কৰ ইত্যাদি সহ) সংশ্লিষ্ট মহল নাইবা নির্ধাৰিত স্থানৰ পৰা প্রদান কৰাৰ ব্যৱস্থা আছে। অনুমোদিত বিভাগে এই সন্দর্ভত স্থানীয় প্রাদেশিক (Territorial) বনসংমণ্ডল প্রাধীকাৰিক প্রয়োজনীয় তথ্যসহ আবেদন জনাব লাগে।

অসম চৰকাৰে বর্ত্তমান নিম্নোক্ত দ্রব্যসমূহৰ ৰাজহ (প্রযোজ্য কৰ বাদে) তলত দিয়া ধৰনে স্থিৰ কৰিছে,

বালি ..... ৯০ টকা / কিউবিক মিটাৰ

শিল/ ভঙাশিল/ ইত্যাদি ..... ১৩০ টকা / কিউবিক মিটাৰ

মাটি/ আলতীয়া মাটি (clay) ..... ১৫ টকা / কিউবিক মিটাৰ

মদীৰ পলস ..... ৫ টকা / কিউবিক মিটাৰ

(ঘ) আছে। অশমৰ প্রাদেশীক শাখাৰ অধীনস্থ বিভিন্ন সংমণ্ডলৰ প্রায় ২৫,৩৫১ খন অনুজ্ঞাপত্র প্রদান কৰা হৈছে।

(ঙ) অসমৰ চৰকাৰী অধিসূচনা অনুসৰি নদীৰ বুকুত বালি প্রতি কিউবিক মিটাৰত ৯০ টকা স্থিৰ কৰিছে।

বিষয় ঃ-ব্লাড বেংক স্থাপন।

শ্রীবলিন চেতিয়াই সুধিছে ঃ

১০৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) চৰকাৰ অৱগতনে, শদিয়া মহকুমাৰ একমাত্র অসামৰিক চি কিৎসালয়খনত অস্ত্রোপচাৰৰ বাবে ব্লাড বেংক নোহোৱাৰ বাবে আৰু বিভাগীয় দক্ষতা সম্পন্ন চিকিৎসক নোহোৱাৰ বাবে বর্ত্তমানলৈকে অস্ত্রোপচাৰৰ দৰে গুৰুত্বপূর্ণ কাম হৈ উঠা নাই ?

(খ) যদি অৱগত, শদিয়া অসামৰিক চিকিৎসালয়ত এটি ব্লাড বেংক স্থাপন কৰাৰ কিবা ব্যৱস্থা লৈছেনে?

(গ) যদি কোনো ব্যৱস্থা লোৱা নাই, তেন্তে কিয় লোৱা নাই, অনুগ্রহ কৰি জনাবনে?

(ঘ) শদিয়া অসামৰিক চিকিৎসালয়ত কেতিয়া ব্লাড বেংক নির্মাণ কৰিব আৰু অস্ত্রোপচাৰৰ বাবে দক্ষতা সম্পন্ন চিকিৎসক কেতিয়া নিযুক্তি দিব অনুগ্রহ কৰি জনাবনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ইং ১৪-০৮-২০০৮ তাৰিখে চাপাখোৱা চিকিৎসালয় খন এফ.আৰ.ইউ হিচাপে উদ্বোধন কৰা হয়। এটা ব্লাড ষ্টোৰেজ চেণ্টাৰ স্থাপন কৰাৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ পঞ্জীয়ণ নং BSC/32/2008। এই বিত্তীয় বর্ষত (২০০৯-১০) ব্লাড ষ্টোৰেজৰ উন্নয়নকে ধৰি অন্য কামৰ বাবে ১০.০০ (দহ) লাখ টকা আৱন্টন কৰা হৈছে।

বর্ত্তমান দুজন স্ত্রীৰোগ বিশেষজ্ঞৰ ভিতৰত এজন NRHM ৰ পৰা নিযুক্তি দিয়া হৈছে আৰু অস্ত্রোপচাৰ সম্পাদন কৰি আছে। এজন স্নাতক চিকিৎসকক Life Saving Anesthetic Skill (LSAS) ৰ দক্ষতাৰ বাবে মেডিকেল কলেজত ছমহীয়া প্রশিক্ষণ দিয়া হয় আৰু অস্ত্রোপচাৰৰ বাবে Anesthesia প্রদান কৰে। আন এজন স্নাতক চিকিৎসকক Emergency Obstetric Care (EMOC) ৰ দক্ষতাৰ প্রশিক্ষণ দিয়া হৈছে। এনেবোৰ সা-সুবিধাৰে বর্ত্তমানলৈ সাধাৰণ অস্ত্রোপচাৰৰ দৰে গুৰুত্বপূর্ণ কাম উক্ত চিকিৎসালয়খনত কৰিব পৰা হৈছে।

(খ) ব্লাড বেংক স্থাপনৰ ব্যৱস্থা লোৱা হোৱা নাই। ব্লাড ষ্টোৰেজ চেণ্টাৰ স্থাপনৰ ব্যৱস্থাহে লোৱা হৈছে।

(গ) প্রশ্ন নুঠে।

(ঘ) এজন স্নাতক চিকিৎসক আৰু এজন লেৱৰেটোৰী টেকনিচিয়ানক ব্লাড ষ্টোৰেজৰ কাম কাজ পৰিচালনাৰ বাবে প্রশিক্ষণ দিয়া হৈছে। বর্ত্তমানে NRHM ৰ পৰা

এজন স্ত্রী-ৰোগ বিশেষজ্ঞ, এজন দন্ত চিকিৎসক আৰু এজন MO, MBBS ক নিযুক্তি দিয়া হৈছে। এক্স-ৰে আৰু আলট্রা চাউণ্ড মেচিন পৰিচালনাৰ বাবে এজন স্নাতক চিকিৎসকক Radiology and Ultrasonography ৰ ১২ সপ্তাহৰ প্রশিক্ষণ মেডিকেল কলেজত দিয়া হৈছে।

বিষয় ঃ- শিপিনীৰ আঁচনি।

শ্রীপ্রদীপ হাজৰিকাই সুধিছে ঃ

১০৭। মাননীয় বয়ন শিল্প বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

ক) অসমৰ প্রায় মহিলাই আজন্ম শিপিনী (Born Weaver), ৰাজ্যখনৰ কাৰণে শিপিনী সকল মূলধন নহয়নে?

খ) যদি হয়, এই সকল মূলধন প্রয়োগ কৰি চৰকাৰে ৰাজ্যখনৰ সম্পদ সৃষ্টি কৰিব নোৱাৰেনে?

গ) যদি পাৰে, চৰকাৰে এই সম্পর্কে আঁচনি প্রস্তুত কৰিছে নেকি?

ঘ) শিৱসাগৰ জিলাৰ প্রতি গৰাকী মহিলাই একো একো গৰাকী পটু শিপিনী। এই সকল শিপিনীক চৰকাৰে কিবা প্রকল্পত সামৰি লোৱাৰ ব্যৱস্থা কৰিছে নেকি?

শ্রী প্রনৰ গগৈ (হস্ততাঁত বস্ত্র শিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

ক) হয়।

খ) পাৰে।

গ) কৰিছে।

ঘ) কৰিছে।

শিৱসাগৰ জিলাৰ বৃহৎ সংখ্যক জন্মগত পটু শিপিনীক উপকৃত কৰাৰ মানসেৰে কেন্দ্রীয় চৰকাৰৰ পৃষ্ঠ পোষকতাত ৭০০০.০০ লাখ ব্যয় সাপেক্ষে এটা মেগা ক্লাষ্টাৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে। যিটো অহা ৫ বছৰত ৰূপায়ন কৰা হব। এই প্রকল্পৰ জৰিয়তে অদুৰ ভবিষ্যতে উক্ত জিলাৰ শিপিনীৰ উপৰিও অসমৰ কিছু সংখ্যক শিপিনীক উপকৃত কৰিব পৰা হব।

বিষয় ঃ- উপ-স্বাস্থ্য কেন্দ্র নির্মাণ।

হাফিজ বছিৰ আহমেদে সুধিছে ঃ

১০৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ২০০৭ চনৰ পৰা বিলাসীপাৰা পশ্চিম সমষ্টিৰ অধীনত NRHM স্কিমত কোন কোন Sub-Centre ৰ গৃহ নির্মাণৰ বাবে কিমানকৈ টকা আৱন্টন দিয়া হৈছে?

(খ) উক্ত গৃহ নির্মাণৰ কাম কোন কোন ঠিকাদাৰক দিয়া হৈছে? (ঠিকাদাৰৰ নাম, কামৰ অগ্রগতি আৰু টকা আদায়ৰ পৰিমাণ বিতং ভাবে জনাব)

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) বিলাসীপাৰা পশ্চিম সমষ্টিত ২০০৭ চনৰ পৰা ৰাষ্ট্রীয় গ্রাম্য স্বাস্থ্য অভিযান, অসমৰ অধীনত উপ-স্বাস্থ্য কেন্দ্রৰ গৃহ নির্মাণৰ বাবে লোৱা তালিকা তলত উল্লেখ কৰা হ'লঃ-

(১) ২০০৭-২০০৮ বর্ষত নাই

(২) ২০০৮-২০০৯ বর্ষত নাই

(৩) ২০০৯-২০১০ বর্ষত	(ক) বোকাখাট	৭.৫ লাখ টকা
	(খ) কছুগাঁও	৭.৫ লাখ টকা
	(গ) শোলমাৰী	৭.৫ লাখ টকা
	(ঘ) কুৰছামাৰী	৭.৫ লাখ টকা
	(ঙ) চুণপাৰা	৭.৫ লাখ টকা
	(চ) ধেমধেমা	৭.৫ লাখ টকা
	(ছ) ধনপুৰ	৭.৫ লাখ টকা
	(জ) আমবাৰী	৭.৫ লাখ টকা
	(ঝ) মেছেৰআলগা	৭.৫ লাখ টকা

(খ) উক্ত গৃহ নিৰ্মাণৰ ঠিকাদাৰৰ নাম, কামৰ অগ্ৰগতি আৰু টকা আদায়ৰ তালিকা তলত দিয়া হ'ল ঃ

উপ-স্বাস্থ্য কেন্দ্ৰৰ নাম	ঠিকাদাৰৰ নাম	কামৰ অগ্ৰগতি	আদায় দিয়া টকাৰ পৰিমাণ
(১) বোকাখাট	M/S. NE Star Enterprise, Guwahati-7	২১%	আদায় দিয়া হোৱা নাই
(২) কছুগাঁও	ঐ	কাম আৰম্ভ হোৱা নাই	ঐ
(৩) শোলমাৰী	ঐ	ঐ	ঐ
(৪) কুৰছামাৰী	ঐ	ঐ	ঐ
(৫) চুনপাৰা	ঐ	৩১%	ঐ
(৬) ধেমধেমা	ঐ	কাম আৰম্ভ হোৱা নাই	ঐ
(৭) ধনপুৰ	Santosh Harlalka	ঐ	ঐ
(৮) আমবাৰী	ঐ	ঐ	ঐ
(৯) মেছেৰআলগা	ঐ	ঐ	ঐ

বিষয় ঃ- নকল ঔষধ আৰু চিকিৎসক।

শ্রী গুনেশ্বৰ দাসে সুধিছে ঃ

১০৯। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ বহুতো অঞ্চলত নকল ঔষধ আৰু চিকিৎসকে ভৰি পৰা বিষয়টো চৰকাৰৰ জ্ঞাতনে?

(খ) নকল ঔষধ প্রচলন বন্ধ আৰু নকল চিকিৎসকক বাধা দিয়াৰ বাবে কি ব্যৱস্থা গ্রহণ কৰিছে?

(গ) বর্ত্তমান চৰকাৰৰ কার্য্যকালত কিমানজন ভেজালকাৰী আৰু নকল চিকিৎসকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা গ্রহণ কৰিছে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) প্রশ্নত কোৱা ধৰণে নকল ঔষধ আৰু চিকিৎসকে বহুতো অঞ্চল ভৰি পৰা কথাঁটো সচাঁ নহয়। অৱশ্যে ৰাজ্যৰ কোনো কোনো অঞ্চলত নকল ঔষধ আৰু ভুৱা চিকিৎসকৰ উপস্থিতি নুই কৰিব নোৱাৰি।

(খ) নকল ঔষধৰ প্রচলন বন্ধ কৰাৰ বাবে ভুৱা চিকিৎসকক বাধা দিয়াৰ বাবে জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক সকলৰ তৰফৰ পৰা জিলাৰ বিভিন্ন অঞ্চলত সময়ে সময়ে আকস্মিক অভিযান চলাই থকা হৈছে। এনে অভিযানৰ ফলত নকল ঔষধৰ প্রচলন বহুলাংশে হ্রাস পাই আহিছে। ভুৱা ডাক্তৰৰ সংখ্যা প্রায় নাই বুলিলেই হয়।

ৰাজ্যত প্রবেশ কৰা ঔষধৰ নমুনা উত্তৰ পূব ভাৰতত গুৱাহাটীস্থ আঞ্চলিক ঔষধ পৰীক্ষা কেন্দ্রত পৰীক্ষা কৰাৰ ব্যৱস্থা আছে। ২০০৯ আৰু চলিত বছৰৰ বর্ত্তমানলৈ ইতিমধ্যে ৫৫২ টা ঔষধৰ নমুনা সংগ্রহ কৰি উক্ত পৰীক্ষাগাৰত পৰীক্ষাৰ বাবে দিয়া হৈছে। ইতিমধ্যে ৩৭৩ টা নমুনাৰ প্রতিৰেদন প্রাপ্তি হৈছে। ইয়াৰে ১৭ টা নমুনা নিম্নমানৰ (Not of standard) ঔষধৰ নমুনা পোৱা হৈছে।

(গ) বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত Drugs & Cosmetic Act, 1940 ৰ অধীনত দুজন ভূৱা চিকিৎসক আৰু ভেজাল ঔষধ বিক্ৰী কৰা অপৰাধত আদালতে শাস্তি বিহিছে।

বিষয় ঃ- বন বিভাগৰ অন্তৰ্গত শিল কোৱাৰী।

শ্ৰীবিনোদ গোৱালাই সুধিছে ঃ

১১০ । মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানটা শিল/বালিৰ কোৱাৰী আছে, এই কোৱাৰীবোৰৰ পৰা বছৰি কিমান টকা চৰকাৰৰ ৰাজহ ৰূপত আহে?
(২০০১ চনৰ পৰা ২০১০ চনৰ ৩১ জানুৱাৰী লৈ সংগৃহীত হোৱা ৰাজহৰ হিচাপ সদনৰ মেজত দাখিল কৰিব)

(খ) গোলাঘাট জিলাৰ এনে কোৱাৰীৰ পৰা সংগ্ৰহ হোৱা ৰাজহৰ হিচাপ ২০০১ চনৰ পৰা ২০১০ চনৰ ৩১ জানুৱাৰীলৈ দাখিল কৰিবনে?

(গ) গোলাঘাট জিলাৰ উৰিয়ামঘাট ৰেঞ্জৰ অধীনত দৈয়াং ন-পানী আৰু চিলনীজান পিঠাঘাটত থকা বন বিভাগৰ নিজা কোৱাৰীৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(ঘ) বৰ্ত্তমান এই কোৱাৰীবোৰৰ অৱস্থা কি?

(ঙ) দৈয়াং নদীৰ পৰা শিলৰ সৰবৰাহ কোনে কৰি আছে?

শ্ৰীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমত সৰ্বমুঠ ২৬৩ টা শিল-বালি মহল (কোৱাৰী) আছে। এই কোৱাৰীবোৰৰ পৰা বছৰি গড়ে ১৮,৪৩,৯৪,৭৯৩ টকা ৰাজহ ৰূপত সংগ্ৰহ হয়।

সংগৃহীত ৰাজহ বিত্তীয় বৰ্ষ ২০০১-০২ পৰা ২০০৯-১০ চনৰ জানুৱাৰী মাহলৈ সংলগ্ন-১ ত দেখুৱা হ'ল।

(See Annexure---XIII)

(খ) গোলাঘাট জিলাত থকা শিল আৰু বালি মহল (কোৱাৰী)ৰ পৰা ২০০১ চনৰ পৰা ২০১০ চনৰ ৩১ জানুৱাৰীলৈ আহৰন কৰা ৰাজহৰ পৰিমান হ'ল মুঠ-৬,৬৩,১৯,১৭৯.০০ টকা।

(গ) গোলাঘাট জিলাত উৰিয়ামঘাট ৰেঞ্জৰ অধীনত দৈয়াং ন-পানী আৰু চিলনীজান পিঠাঘাটত কোনো কোৱাৰী নাই।

(ঘ) প্রযোজ্য নহয়।

(ঙ) দৈয়াং নদীৰ সংলগ্ন সংৰক্ষিত বনাঞ্চলত কোনো অনুমোদিত শিলৰ্ মহল নাই।

Sub : Proposal of Model Hospital.

Shri Karendra Basumatary asked :

111. Will the Minister of Health and family Wealfare be pleased to state :

(a) What is the progress in regards to the proposed Model Hospital in each Constituency ?

(b) When the proposal will be implemented ?

(c) Whether the Govt. is aware of the fact that the Questioner has already furnished the name of loction of a proposed Model Hospital at Rowta Chariali Mini PHC in Mazbat LAC, Udalguri district ?

Dr. Himanta Biswa Sarma (Minister, Health and Family Welfare) replied :

(a) Based on the proposal of Hon'ble MLA's the Government requested the concerned Depuy Commissioner to furnish Feasibility Report. We have received such report against 45 LAC's as of now

(b) On receiving the report from all districts, we will finalise the list by 31-03-2010. Thereafter construction activities will be taken up.

(c) Yes, but report from Deputy Commissioner, Udalguri is awaited.

Sub : Endangered Species.

Shri Bhubon Pegu asked :

112. Will the Minister of Enviroment and Forest be pleased to state :

(a) Is the Government aware of the number of Critically Endangered and Endangered species living off the Brahmaputra river eco-system in Assam ?

(b) Will the Government furnish the list of Endangered species living off the Brahmaputra river eco-system ?

(c) Is the Government in the Knowledge that the construction of large numbers of Big Dams in Arunachal Pradesh is going to bring about largescale Ecological Changes in the downstream areas in Assam and it will adversely affect a nuber of Endangered species living off the Brahmaputra river eco-system and the people of Assam ?

(d) Has the Government done anything in this regard for the protection of the Endangered species living off the Brahmaputra river eco-system ?

Shri Rockybul Hussain (Minister of Forest) replied:

(a) Yes.

(b) The Prime species are : River Dolphin, Otter, Crocodile, Turtle (Trionyx Sp.) . Birds (White Winged Wood Duck, Brahminy Duck, Shoveller. Large whistling teal, small Whistling Teal, Poacherd, Mallard etc.

(c) It is learned that on the recommedation of State Government of Arunachal Pradesh, Dam Projects are being cleared by the Government of India after imposing all possible remedial measures to contain adverse impacts and even after detailed environmental impact assessment study including taking views of local adjoining people. However, despite all this due to any mishap/ accident (natural/man-made) downstream adverse impact cannot totally be ruled out affecting the river eco-system and people at downstrem. The matter of downstream impact was raised in the Forest Minister confernce of New Delhi on 17-8-2009.

(d) Yes. Population estimations have been done in flagship species like Dolphins and survey of Turtle, Otter etc. and protection measures have been intensified and regular patrolling is being conducted out to providing adequeate protection to endangered & other species.

বিষয় ঃ- কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ সহযোগী আঁচনি।

মোঃ মহিবুল হকে সুধিছে ঃ

১১৩। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ সহযোগত কি কি অভিলাসী আঁচনি বর্তমানে ৰূপায়ণ কৰি থকা হৈছে ?

(খ) উক্ত আঁচনিবোৰৰ ৰূপায়ণৰ বাবে বর্তমানৰ চৰকাৰৰ সময়ছোৱাত কেন্দ্রীয় চৰকাৰে কিমান পুঁজি আবন্টন দিছে আৰু ইয়াৰে কিমান ব্যয় হৈছে ?

(গ) উক্ত আঁচনিবোৰৰ সফলতাৰ এক প্রতিবেদন দিবনে ?

(ঘ) মহিলা বন্ধ্যাকৰণ আঁচনিখন ব্যর্থ হোৱা বুলি উঠা ৰাজহুৱা অভিযোগ সচাঁনে ?

(ঙ) উক্ত আঁচনিখন বিফল হোৱাৰ মূল কাৰণ কি ?

(চ) ওপৰোক্ত আঁচনি সমূহ জিলা তথা বিশেষকৈ গৌৰীপুৰ সমষ্টিত ৰূপায়ণৰ পৰিমাণ কিমান ?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) কেন্দ্রীয় আৰু ৰাজ্য চৰকাৰৰ সহযোগত ৰূপায়ণ কৰা অভিলাষী আঁচনি সমূহ এনে ধৰণৰ ঃ-

১। জননী সুৰক্ষা যোজনা।

২। গর্ভৱতী মহিলাক পুষ্টিকৰ খাদ্য যোগান আঁচনি (মামনী)

৩। কন্যা সন্তানৰ সুৰক্ষা আঁচনি (মাজনী)

৪। 108- Emergency Service

৫। Mobile Medical Unit

৬। Boat Clinic

৭। Charitable Hospital in Tea Estate Areas.

৮। Evening O.P.D.

৯। Village Health & Sanitation Committee.

১০। Seek New Born Care Unit and Stabilisation Unit

১১। No Scalpal Vasectomy and Laparoscopic Sterilisation Camp

১২। Referral Transport

১৩। School Health Programme & Yoga

১৪। অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ ৰোগীক বিনামূলীয়া পেচমেকাৰ (Pace Maker) হাৰ্ট ভালভ (Heart Valve) স্থাপন।

১৫। অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়, বি বৰুৱা কৰ্কট প্ৰতিস্থান, গুৱাহাটী শিলচৰৰ বেচৰকাৰী কাছাৰ কেঞ্চাৰ চিকিৎসালয়ত কেঞ্চাৰ ৰোগীক বিনামূলীয়া কেমঅ'থেৰাপী (Chemotherapy) প্ৰদান, কিদনী ৰোগীক (Kidney Patients) বিনামূলীয়া ঔষধ যোগান।

১৬। ২০০৯ চনৰ অক্টোবৰ মাহৰ পৰা যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ চিকিৎসালয়ত সেৱা প্ৰৱৰ্তন কৰা হৈছে।

১৭। গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ চিকিৎসা মহাবিদ্যালয়ত ২০০৯ চনৰ পৰা Institute of Para Medical Science স্থাপন কৰি ১২ টা বিভিন্ন Para Medical Course আৰম্ভ কৰা হৈছে।

১৮। ডিব্ৰুগড় ও শিলচৰ মহাবিদ্যালয়ত চলিত ২০১০ শৈক্ষিক বৰ্ষৰ পৰা বি, এছ, চি নাছিং ক'ৰ্চ প্ৰৱৰ্ত্তনৰ প্ৰস্তুতি চলোৱা হৈছে।

১৯। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৮ টা বিভিন্ন বিভাগত Superspeciality DM/ M Ch Course চলি আছে।

(খ) কেন্দ্রীয় চৰকাৰৰ পৰা NRHM ত আৱন্টন পোৱা পুঁজি আৰু ব্যয়ৰ পৰিমাণঃ-

	কেন্দ্রীয় পুঁজিৰ আৱন্টন	ব্যয়
২০০৬-০৭	১৯০.৮৬ কোটি টকা	১২৭.৯৭ কোটি টকা
২০০৭-০৮	৫৬৩.৭৬ কোটি টকা	৪৪২.৩০ কোটি টকা
২০০৮-০৯	৫৬৬.৬৫ কোটি টকা	৫৮৪.০৯ কোটি টকা
	১৩২১.২৭ কোটি টকা	১১৫৪.৩৬ কোটি টকা

২০০৯-১০ চনত আৱন্টন পোৱা পুঁজি আৰু ব্যয়ৰ প্ৰতিবেদন মার্চ, ২০১০ ৰ অন্ততহে উপলব্ধ হব।

(গ) উক্ত আঁচনিবোৰৰ সফলতাৰ প্ৰতিবেদন সংলগ্ন 'ক'ত উল্লেখ কৰা হ'ল। (১৭ পৃষ্ঠা)

(ঘ) সচাঁ নহয়।

(ঙ) প্ৰশ্ন নুঠে।

(চ) গৌৰীপুৰ সমষ্টিৰ মহিলা বন্ধ্যাকৰণ আঁচনিৰ তথ্য ২০০৮-০৯ বিত্তীয় বৰ্ষত ১৭৯ আৰু ২০০৯-১০ বিত্তীয় বৰ্ষত ৭৭ গৰাকী মহিলাক বন্ধ্যাকৰণ কৰা হয়।

Subject : Tourism Centre at Sonbil.

Shri Shambhu Sing Mallah asked :

114. Will the Minister of Tourism be pleased to state:

(a) Whether Govt. has received any fund from Govt. of India for setting up a Tourist Centre at Sonbil Kalibari Bazar in Karimganj district?

(b) Is it a fact that a memorandam have been submitted to the Director of Tourism, Assam from the under Secretary to the Govt. of Assam, Tourism Department No TSM. 16/98/65 dated Dispur the 6th March, 2000?

(c) If so what action has been taken by the Govt. on this memoranda?

(d) Whether the State Govt. has instructed the Director of Tourism, Assam to submit a proposal to the Govt. of India, Ministry of Tourism for sanctioning fund?

Shri Rockybul Hussain (Minister, Tourism) replied :

(a) Yes, the Ministry of Tourism, Govt. of India have sanctioned a scheme for "Infrastructure development and provision for Tourist Facilities, Public Conveniences Internal Pathways, Landscaping etc. at Son Beel" at a total cost of Rs. 84.13 lakh in the financial year 2007-08. A sum of Rs. 67.30 lakh was released as the 1st installment by the Govt. of India to the State Govt.

(b) Yes.

(c) Proposal for Infrastructure development and provision for Tourist facilities, Public conveniences, Internal Path-ways, Landscaping etc. at Son Beel has been submitted for necessary sanction.

(d) Proposal to Govt. of India are sent by the State Govt. Hence, instruction to Director for direct submission does not arise.

বিষয় ঃ-মূগা সচঁ যোগান।

শ্রী সুমিত্রা দলে পাতিৰে সুধিছে ঃ

১১৫। মাননীয় ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) চৰকাৰ জ্ঞাতনে, ধেমাজি জিলাত প্রচুৰ পৰিমাণে মূগা উৎপাদন হয়?

(খ) এইটোও জ্ঞাতনে, বর্ত্তমান খৰাং পৰিস্থিতিৰ বাবে চোম গছবোৰ শুকাই যোৱাত বিশেষকৈ ফাটিহা চৰকাৰী চোম ফার্মখন (প্রায় ৪০ বিঘা মাটিত) জেঠুৰা মূগা পালনৰ বাবে সচঁ যোগান ধৰা ব্যৱস্থাত ব্যাঘাট জন্মিছে?

(গ) যদি জ্ঞাত, তেন্তে উক্ত সমস্যা সমাধনৰ বাবে চৰকাৰে উপযুক্ত ব্যৱস্থা লৈছে নেকি, অনুগ্রহ কৰি জনাবনে?

শ্রীপ্রনৰ গগৈ (হস্ততাঁত বস্ত্র শিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় জ্ঞাত। ধেমাজি জিলাত প্রচুৰ কাটনী মূগা লেটা উৎপাদন হয়।

(খ) হয়। বর্ত্তমান খৰাং পৰিস্থিতিৰ বাবে চোম গছ পাত শুকাই গৈছিল যদিও নতুন পাত ওলাবলৈ ধৰা পৰিপ্রেক্ষিতত ফাটিহাবাম চোম ফার্মখনকে ধৰি অন্য পামতো জেঠুৰা বাহঁ মূগা পালনৰ বাবে সচঁ যোগান ধৰাত কোনো ব্যাঘাট জন্মা পৰিলেক্ষিত হোৱা নাই।

(গ) জেঠুৰা বাহঁ মূগা পুহিবৰ বাবে সময়মতে পালকক সচঁ যোগানৰ বাবে পৰিকল্পনা প্রস্তুত কৰি কার্য্য ব্যৱস্থা গ্রহণ কৰা হৈছে।

বিষয় ঃ-নতুন আঁচনি।

শ্রী গিৰীন্দ্র কুমাৰ বৰুৱাই সুধিছে ঃ

১১৬। মাননীয় হস্ততাঁত আৰু বস্ত্র শিল্প বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

ক) বিভাগৰ অধীনত বর্ত্তমান নতুন আঁচনি গ্রহণ কৰা হৈছে নেকি?

খ) যদিহে গ্রহণ কৰা হৈছে, তেনেহলে আঁচনি সমূহৰ নাম সমূহ জনাবনে?

গ) বিভাগে গ্রহণ কৰা আঁচনিৰ জৰিয়তে ৰাজ্যৰ কিমান গৰাকী শিপিনী উপকৃত হৈছে?

ঘ) কেন্দ্রীয় চৰকাৰৰ পৰা বিভাগে কিবা নতুন আঁচনিৰ অনুমোদন পাইছে নেকি?

ঙ) যদিহে পাইছে, অনুগ্রহ কৰি উক্ত আঁচনি সমূহৰ নাম সমূহ জনাবনে?

শ্রীপ্রনৰ গগৈ (হস্ততাঁত বস্ত্র শিল্প আৰু ৰেচম বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) বিভাগৰ অধীনত কোনো নতুন আঁচনি গ্রহণ কৰা হোৱা নাই।

খ) প্রশ্ন নুঠে।

গ) বিভাগে গ্রহণ কৰা আঁচনিৰ জৰিয়তে ২০০৯-১০ বর্ষত ৰাজ্যত উপকৃত হোৱা শিপিনীৰ তালিকা গাঠি দিয়া হ'ল (তালিকা 'ক')।

(See Annexure—XIV)

ঘ) পোৱা নাই।

ঙ) প্রশ্ন নুঠে।

বিষয় ঃ-পর্য্যটনৰ বিকাশ ও উন্নয়নৰ বাবে আঁচনি।

শ্রীৰমেন্দ্র নাৰায়ণ কলিতাই সুধিছে ঃ

১১৭। মাননীয় পর্য্যটন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) পর্য্যটনৰ বিকাশ ও উন্নয়নৰ বাবে চৰকাৰে ৰাজ্যখনত সমীক্ষা চলাই পর্য্যটনৰ স্থান নিৰূপণ কৰি পর্য্যটণৰ বিকাশ ও উন্নয়নৰ বাবে আঁচনি গ্রহণ কৰিছেনে?

(সদনৰ মজিয়াত স্থান ও আঁচনি সম্পর্কে এটি প্রতিবেদন দাখিল কৰিব)

(খ) গুৱাহাটী মহানগৰীৰ নিকটবর্ত্তী আজাৰাৰ ওচৰৰ দীপৰ বিলত পর্য্যটণৰ আকার্ষণৰ বাবে কি আঁচনি গ্রহণ কৰিছে? উক্ত আঁচনিৰ কাম কেতিয়াৰ পৰা আৰম্ভ হব জনাবনে?

(গ) দেশী আৰু বিদেশী পর্য্যটকৰ পৰা ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯ আৰু ২০০৯-১০ চনত বছৰি কিমান ৰাজহ সংগ্রহ কৰিলে জনাবনে?

(ঘ) অসম বিকাশ যোজনাৰ জৰিয়তে ২০০৬-০৭ চনৰ পৰা এতিয়ালৈকে কি কি আঁচনি গ্রহণ কৰিলে আৰু উক্ত আঁচনি সমূহৰ কাম কিমান শতাংশ সম্পূর্ণ হ'ল জনাবনে?

শ্রীৰকিবুল হুছেইন (পর্য্যটন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) হয় কৰিছে। (প্রতিবেদন সংলগ্ন কৰা হ'ল)।

(See Annexure—XV)

(খ) গুৱাহাটী মহানগৰীৰ ওচৰৰ দীপৰ বিল তথা গুৱাহাটী আৰু ওচৰ-পাজৰৰ পর্য্যটকৰ আকর্ষণৰ উদ্দেশ্যে আগত ৰাখি ২.৩৪ কোটি টকাৰ এখন আঁচনি ভাৰত চৰকাৰৰ পর্য্যটন বিভাগক দাখিল কৰা হৈছে যদিও বর্ত্তমানলৈ অনুমোদন পোৱা নাই।

(গ) ২০০৬-০৭, ২০০৭-০৮, ২০০৮-০৯ আৰু ২০০৯-১০ চনত দেশী আৰু বিদেশী পর্য্যটকৰ পৰা সংগ্ৰহ হোৱা ৰাজহৰ পৰিমাণ তলত দিয়াৰ দৰে-

বছৰ	ৰাজহৰ পৰিমাণ
২০০৬-০৭	৮১,২৯,৬৫১.০০ টকা
২০০৭-০৮	৯৪,৯৯,৮২০.০০ টকা
২০০৮-০৯	১০৩,৯১,৫১৬.০০ টকা
২০০৯-১০ ৰ ৩১ ডিচেম্বৰলৈকে	৮৫,৬৯,৫৩৫.০০ টকা

(ঘ) পর্য্যটন বিভাগৰ অধীনত অসম বিকাশ যোজনাৰ জৰিয়তে ২০০৬-০৭ চনৰ পৰা এতিয়ালৈকে লোৱা আঁচনি সমূহ তলত উল্লেখ কৰা হ'ল।

২০০৬-০৭ আৰু ২০০৭-০৮ বর্ষত আঁচনি লোৱা হোৱা নাছিল। ২০০৮-০৯ বর্ষত "অসম বিকাশ যোজনাৰ" অধীনত শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ স্ব-নিয়োজিত আঁচনি "পর্য্যটক গাড়ী" লোৱা হয়। এই আঁচনি অনুসৰি প্ৰতিজন হিতাধিকাৰীৰ বিপৰীতে অর্থ সাহায্যৰ সর্বোচ্চ সীমা ৩ লাখ টকা।

এতিয়ালৈকে ৩৫৭ জন হিতাধিকাৰীক বিভিন্ন ধৰণৰ গাড়ীক্ৰয় সাহায্য দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

এই আঁচনিখন ৭১% সম্পূর্ণ হৈছে আৰু বাকী থকা অংশৰ ৰূপায়ণ চলি আছে।

২০০৯-১০ বর্ষত অসম বিকাশ যোজনাৰ অধীনত বিভিন্ন ধৰণৰ পর্য্যটকৰ আঁচনিৰ বাবে আবেদন পত্ৰ জমা লোৱা হৈছে। বাচনি প্ৰক্ৰিয়া অর্থ সাহায্য আগ বঢ়োৱা আদিৰ ব্যৱস্থা পর্য্যায়ক্ৰমে লোৱা হব।

বিষয় ঃ- NRHM ৰ অধীনত নিযুক্ত সকলৰ সমস্যা।

শ্রীঅনন্ত ডেকাই সুধিছে ঃ

১১৮। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্রীয় গ্রামীণ স্বাস্থ্য অভিযান আঁচনিৰ অধীনত এতিয়ালৈ কিমানজন ডাক্তৰ, নার্ছ আৰু অন্যান্য পেৰামেডিকেল ষ্টাফ নিযুক্তি দিয়া হৈছে?

(খ) NRHM ৰ অধীনত নিযুক্ত ডাক্তৰ, নার্ছ আৰু অন্যান্য সকলৰ দৰমহা গাঁঠনি জনাবনে? ৰাজ্যিক কৰ্মচাৰী সকলৰ সংশোধিত বেতন ক্রমৰ পিচত NRHM ৰ অধীনত নিযুক্ত সকলৰ দৰমহা বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছেনে?

(গ) NRHM ৰ অধীনত নিযুক্ত এই সকলৰ চাকৰি নিয়মীয়া কৰাৰ কাৰণে ৰাজ্য চৰকাৰৰ পৰিকল্পনা কি?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৰাষ্ট্রীয় গ্রাম্য স্বাস্থ্য অভিযানৰ অধীনত এতিয়ালৈকে চুক্তি ভিত্তিত নিয়োজিত চিকিৎসক, নার্চ আৰু অন্যান্য পেৰামেডিকেল ষ্টাফৰ তালিকা Annexure-I দ্রষ্টব্য।

(See Annexure---XVI)

(খ) ৰাষ্ট্রীয় গ্রাম্য স্বাস্থ্য অভিযানৰ অধীনত নিযুক্তি পোৱা কৰ্মচাৰী সকলৰ দৰমহা গাঁঠনিৰ তালিকা Annexure-II ত গাঁঠি দিয়া হ'ল।

(See Annexure---XVII)

ৰাষ্ট্রীয় গ্রাম্য স্বাস্থ্য অভিযানৰ অধীনত নিযুক্তি পোৱা ২০০৯ চনৰ ১ (এক) এপ্রিলত ১ (এক) বছৰ সম্পূর্ণ কৰা কৰ্মচাৰী সকলৰ দৰমহা ১০ (দহ) শতাংশ বৃদ্ধি কৰা হৈছে।

(গ) কোনো পৰিকল্পনা নাই।

বিষয় ঃ- চোৰাং চিকাৰী।

শ্রীনুৰুল হুছেইনে সুধিছে ঃ

১১৯। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) বর্ত্তমান চৰকাৰৰ কার্য্যকালত অর্থাৎ ইং ৩০-১২-০৯ তাৰিখলৈ চোৰাং চিকাৰীয়ে কোন কোন ঠাইত কিমান সংখ্যক গঁড় হত্যা কৰিছে জনাবনে ?

(খ) গঁড় হত্যাকাৰী চোৰাং চিকাৰীৰ নামৰ তালিকা সহ কি শাস্তিৰ ব্যৱস্থা কৰা হৈছে জনাবনে ?

(গ) গঁড় হত্যাকাৰী চোৰাং চিকাৰীৰ লগত চৰকাৰী চাকৰিয়াল বা অন্য কোনো ব্যক্তি যদি জড়িত আছে নামৰ তালিকা জনাবনে ?

শ্রীৰকিবুল হুছেইন (পৰিবেশ ওঁ বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) চোৰাং চিকাৰীৰ হাতত নিধন হোৱা গড়ঁৰ সংখ্যা ঠাই সহ তলত উল্লেখ কৰা হ'ল।

ক্রং নং	গঁড় হত্যাৰ ঠাই	২০০৬	২০০৭	২০০৮	২০০৯	মুঠ
১।	ওৰাং ৰাষ্ট্রীয় উদ্যানত	৩	৩	৬	৭	১৯
২।	কাজিৰঙা ৰাষ্ট্রীয় উদ্যানত	৫	১৬	৬	৬	৩৩
৩।	হালধীবাৰী (দলামৰা, কার্বিআংলং)	-	১	-	-	১
	(ডিথৰ কার্বিআংলং)	-	-	-	১	১
৪।	বন কুৱাল (গোলাঘাট)	-	১	-	-	১
	কেমেৰি চাপৰি (গোলাঘাট)	-	-	১	-	১
	এফেলা চাপৰি (গোলাঘাট)	-	-	১	-	১
৫।	ডিহিং মুখ (ডিব্রুগড়)	-	-	-	১	১
	মুঠ	৮	২১	১৪	১৫	৫৮

(খ) উক্ত সময়ছোৱাত গড়ঁ হত্যাকাৰী চোৱাং চিকাৰী হিচাবে অভিযুক্ত লোকৰ নামৰ তালিকা সংলগ্ন পত্ৰ দিয়া হ'ল।

(See Annexure---XVIII)

সেই অভিযুক্ত ব্যক্তি সকলৰ গোচৰ সমূহ আদালতত বিচাৰাধীন অৱস্থাত আছে। ইয়াৰ উপৰিও কিছুমান গড়ঁ হত্যাৰ ঘটনাৰ তদন্ত এতিয়া চলি আছে। ১৯৭২ চনৰ বন্যপ্রাণী আইন schedule -I ত গড়ঁ (Rhino) অর্ন্তভূক্ত সেয়েহে গড়ঁ হত্যা কৰিলে বা আঘাত প্রাপ্ত কৰিলে দোষীক নিম্নতম তিনি বছৰৰ পৰা পাচ বছৰলৈ কাৰাদণ্ড লগতে নূন্যতম দহ হেজাৰ টকাৰ জৰিমনা বিহাৰ ব্যবস্থা আছে। চোৱাং চিকাৰীয়ে পুনঃবাৰ একে অপৰাধ কৰিলে কাৰাবাস কমেও তিনিবছৰৰ পৰা সাত বছৰলৈকে আৰু ২৫,০০০.০০ টকাৰ ওপৰত জৰিমনা বিহাৰ বিধান আছে।

(গ) গঁড় হত্যাকাৰী চোৱাং চিকাৰীৰ লগত চৰকাৰী চাকৰিয়াল বা অন্য কোনো ব্যক্তি জড়িত থকাৰ তথ্য বিভাগৰ হাতত নাই।

Sub :-Powerloom made Gamocha

Dr. Alaka Sarma asked :

120. Will the Minister of Handloom and Textile be pleased to state :

(a) Whether Government has any data to indicate the total worth of Gamochas sold in Assam, in given year, say 1-4-2009 to 31-3-2010?

(b) If so, what is that amount?

(c) Of this, how much of income comes from powerloom made gamochas?

(d) Whether Government has taken any action to protect the handloom Woven Gamochas?

(e) If yes, what is its impact?

Sri Pranab Gogoi (Minister, Handloom Taxtiles & Sericulture) replied :

(a) No. However Projected no. of gamochas produced during 1-4-09 to 31-3-10 is 25,38,000 which is worth Rs. 7,61,40,000/-

(b) Rs. 7,61,40,000/-

(c) In Assam, no Gamochas is allowed to be produced in powerlooms. Hence the income comes from powerloom made Gamochas does not arise.

(d) Yes, to protect the handloom woven Gamochas, it is made a reserved item for production only in handlooms by the Handloom (Reservation of Articles for Production) Act, 1985. Any body found producing Gamochas by violating this Act is liable to be prosecuted.

(e) After the implementation of the Handloom (Reservation of Articles for production) Act, 1985 in Assam all the Asstt. Directors Handloom and Textiles, Assam who act as District Officers are empowered to regularly inspection market and the production units of powerlooms with assistance of the Dist. Authority to detect any violation of the said Act. This has restrained the unscrupulous traders and manufacturers importing/selling powerloom made Gamochas.

বিষয় ঃ-ফকৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১২১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটাৰ ফকৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য্যৰ বৰ্ত্তমানৰ অগ্ৰগতি কি? (সবিশেষ তথ্য দাখিল কৰিব)।

(খ) ইয়াৰ বাবে বৰ্ত্তমানলৈকে কিমান পুঁজি ব্যয় কৰা হ'ল?

(গ) এই নিৰ্মাণ কাৰ্য্য কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

(ঘ) এই চিকিৎসা মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী সকলৰ বাবে পাঠ্যক্ৰম কেতিয়াৰ পৰা আৰম্ভ হ'ব?

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) নিৰ্মাণৰ কাম পূৰ্ণগতিত চলি আছে। গড়কাপ্তানী (গৃহ) বিভাগৰ নলবাৰী সংমণ্ডলৰ কাৰ্য্যৰাহী অভিযন্তাই (Executive Engineer, P.W.D. (Bldg) Division, Nalbari) জনোৱা মতে ইতিমধ্যে, Hospital Block, College Block, Nurse Quarter, Nurses Hosel and Male Hostel ৰ প্ৰায় ৩৩ শতাংশ কাম সম্পূৰ্ণ হৈছে।

(খ) বৰ্ত্তমানলৈকে চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য্যৰ বাবে সৰ্বমুঠ ৪৬,০৫,২৬,৪৪০.০০ (ছয়চল্লিশ কৌটি পাঁচ লাখ ছাব্বিছ হাজাৰ চাৰিশ চল্লিশ) টকা ব্যয় কৰা হৈছে।

(গ) চিকিৎসা মহাবিদ্যালয় খনৰ নিৰ্মাণ কাৰ্য্য চলিত বিত্তীয় বছৰৰ শেষৰ ফালে সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে।

(ঘ) নির্মাণ কার্য্য সম্পূর্ণ হোৱাৰ ওপৰত বিষয়টি নির্ভৰশীল। চৰকাৰে আশা কৰে যে ২০১১-২০১২ চনত এই মহাবিদ্যালয়খন MCI ৰ পৰিদর্শনৰবাবে সাজু হৈ উঠিব।

বিষয় ঃ-নিউৰো চার্জন।

শ্রীপ্রদীপ হজৰিকাই সুধিছে ঃ

১২২। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাব নে?

(ক) অসম চিকিৎসা মহাবিদ্যালয়ৰ সকলো বিভাগতে বিশেষজ্ঞ আছে নে?

(খ) নিউৰো চাৰজাৰী বিভাগত নিউৰো চার্জন আছে নে?

(গ) যদি আছে, কেতিয়াৰ পৰা আছে, যদি নাই কেতিয়াৰ পৰা নাই?

(ঘ) অসম মেডিকেল কলেজলৈ গ্রাম্য অঞ্চলৰ পৰা যোৱা ৰোগী সকলক বিভিন্ন অজুহাতত মেডিকেল কলেজৰ চিকিৎসক সকলে ব্যক্তিগত চিকিৎসালয়লৈ পঠোৱা সম্পর্কে চৰকাৰ অৱগতনে?

(ঙ) যদি অৱগত, চৰকাৰে এই ক্ষেত্রত কি ব্যৱস্থা গ্রহণ কৰিছে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চিকিৎসা মহাবিদ্যালয়ত বর্ত্তমানে থকা বিভাগ বিলাকত বিশেষজ্ঞ চিকিৎসক আছে।

(খ) আৰু (গ) অসম চিকিৎসা মহাবিদ্যালয়ত বর্ত্তমানে নিউৰো চাৰ্জৰী বিভাগ আৰু নিউৰো চাৰ্জৰী বিশেষজ্ঞ নাই।

(ঘ) আৰু (ঙ) অৱগত নহয়।

বিষয় ঃ-হস্ততাঁতৰ আঁচনি।

শ্রীদুর্গা ভূমিজে সুধিছে ঃ

১২৩। মাননীয় হস্ততাঁত, বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) ২০০৮-০৯ বিত্তীয় বৰ্ষত বিভাগৰ তৰফৰ পৰা কি কি আঁচনি ৰাজ্যৰ কোন কোন জিলাত ৰূপায়ণ কৰা হ'লা?

(খ) ইয়াৰ ভিতৰত তিনিচুকীয়া জিলাৰ অন্তৰ্গত ডুমডুমা সমষ্টিত নতুন কিবা আঁচনি গ্রহণ কৰা হৈছেনে?

(গ) যদি হৈছে, কেনে ধৰণৰ আঁচনি গ্রহণ কৰা কৰিছে? (বিতং তথ্য সহকাৰে জনাব)

(ঘ) বিকেন্দ্রীকৃত পৰিকল্পনাৰ অধীনত ২০০৮-০৯ বৰ্ষত ডুমডুমা সমষ্টিৰ অন্তৰ্গত কিমান শিপিনী উপকৃত হৈছে? (বিতং তথ্য সদনৰ মেজত দাখিল কৰিব)।

শ্রীপ্রনৱ গগৈ (হস্ততাঁত বস্ত্র আৰু ৰেচম বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

ক) ২০০৮-০৯ বিত্তীয় বৰ্ষত হস্ততাঁত বস্ত্র বিভাগে ৰূপায়ণ কৰা আঁচনি সমূহ জিলা ভিত্তিত তলত দেখুওৱা হ'ল ঃ-

আঁচনিৰ নাম	আঁচনি ৰূপায়ণ কৰা জিলা
১। দীন দয়াল হাথৰৰ্ঘ প্রোৎসাহন যোজনা (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	১। কামৰূপ ২। ধেমাজী ৩। মৰিগাঁও ৪। লখিমপুৰ ৫। নলবাৰী ৬। কৰিমগঞ্জ ৭। ওদালগুৰি ৮। হোজাই ৯। গোলাঘাট ১০। জোনাই ১১। শোনিতপুৰ ১২। নগাঁও ১৩। ৰৰপেটা ১৪। যোৰহাট ১৫। হাইলাকান্দি ১৬। ডিব্রুগড়

আঁচনিৰ নাম	আঁচনি ৰূপায়ণ কৰা জিলা
২। সমন্বিত প্রকল্প আঁচনি (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	১। কামৰূপ ২। নলবাৰী ৩। ৰঙিয়া ৪। ধেমাজী ৫। লখিমপুৰ ৬। ধুবুৰী
৩। সমন্বিত হস্ততাঁত উন্নয়ন আঁচনি (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	১। বঙাইগাঁও ২। কোকৰাঝাৰ ৩। কামৰূপ ৪। নগাঁও ৫। শোনিতপুৰ ৬। লখিমপুৰ ৭। তিনিচুকীয়া ৮। শিৱসাগৰ ৯। কৰিমগঞ্জ ১০। হাইলাকান্দি
৪। মহাত্মা গান্ধী বুনকৰ বীমা যোজনা (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	হাফলং, ওদালগুৰি, অভয়াপুৰী আৰু বাগচা জিলাৰ বাহিৰে অসমৰ সমূহ জিলা আৰু মহকুমাতে।
৫। ১০ বিশেষ ৰেহাই আঁচনি (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	অসমৰ সমূহ জিলা আৰু মহকুমাতে।
৬। স্বাস্থ্য বীমা আঁচনি (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	অসমৰ সমূহ জিলা আৰু মহকুমাতে।
৭। মূখ্য মন্ত্রীৰ অসম বিকাশ যোজনাৰ অধীনত (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	
ক) দুখীয়া শিপিনীলৈ সূতা বিতৰণ	অসমৰ আটাইবোৰ জিলা আৰু মহকুমাতে।
খ) দৰিদ্ৰ সীমাৰেখাৰ তলত বাস লোকলৈ কম্বল বিতৰণ	অসমৰ আটাইবোৰ জিলা আৰু মহকুমাতে।

আঁচনিৰ নাম	আঁচনি ৰূপায়ণ কৰা জিলা
৮। হস্ততাঁত বস্ত্র সামগ্রীৰ প্রদর্শনী আৰু বিক্রীৰ আঁচনি(২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	
ক) ৰাষ্ট্রীয় হস্ততাঁত বস্ত্র মেলা	১। যোৰহাট
খ) বিশেষ হস্ততাঁত বস্ত্র মেলা	১। গুৱাহাটী ২। ধুবুৰী ৩। লখিমপুৰ ৪। নগাঁও ৫। যোৰহাট ৬। বৰপেটা ৭। ডিগবৈ।
গ) জিলা পর্য্যায়ৰ হস্ততাঁত বস্ত্র মেলা	১। মঙ্গলদৈ ২। ধুবুৰী ৩। গুৱাহাটী ৪। বিজনী ৫। নলবাৰী ৬। ৰামপুৰ ৭। শিলচৰ ৮। হাইলাকান্দি ৯। কৰিমগঞ্জ ১০। যোৰহাট ১১। ধেমাজী ১২। শিৱসাগৰ ১৩। কাজিৰঙা ১৪। নাজিৰা ১৫। বৰপেটা।
৯। ভৈয়াম জনজাতিৰ শিপিনীৰ অর্থনৈতিক উন্নয়নৰ অনুদান আঁচনি (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	১। কামৰূপ ২। গোৱালপাৰা ৩। দক্ষিণ শালমাৰা ৪। শিলচৰ ৫। গোলাঘাট ৬। শিৱসাগৰ ৭। চৰাইদেউ।

আঁচনিৰ নাম	আঁচনি ৰূপায়ণ কৰা জিলা
১০। অনুসূচীত জাতিৰ শিপিনীৰ অর্থনৈতিক উন্নয়নৰ অনুদান আঁচনি। (২০০৮-০৯ চনৰ মঞ্জুৰীকৃত)	১। শিৱসাগৰ ২। ববপেটা ৩। লখিমপুৰ ৪। ধেমাজী ৫। গোলাঘাট ৬। মৰিগাঁও ৭। উত্তৰ শালমাৰা ৮। চৰাইদেউ ৯। কামৰূপ ১০। শদিয়া ১১। তিনিচুকীয়া ১২। নলবাৰী ১৩। কৰিমগঞ্জ ১৪। হাইলাকান্দি ১৫। জোনাই ১৬। দক্ষিণ শালমাৰা ১৭। ৰঙিয়া ১৮। দৰং, মঙ্গলদৈ ১৯। হোজাই ২০। নগাঁও ২১। ধুবুৰী ২২। শোনিতপুৰ ২৩। বিশ্বনাথ চাৰিআলি ২৪। শিলচৰ ২৫। যোৰহাট ২৬। গোৱালপাৰা ২৭। ডিব্রুগড়

ৰেচম বিভাগে ৰূপায়ণ কৰা আঁচনি সমূহ হ'ল ঃ-

১। এড়ি শিল্প উন্নয়নৰ আঁচনি।

২। মূগা শিল্প উন্নয়নৰ আঁচনি।

৩। পাট শিল্প উন্নয়নৰ আঁচনি।

৪। কেন্দ্রীয় চৰকাৰৰ অনুঘটকীয়া উন্নয়ন আঁচনি।

উল্লেখিত আঁচনি সমূহ ৰাজ্যখনৰ সকলোবিলাক জিলাতে ৰূপায়ন কৰাৰ ব্যৱস্থা কৰি পালক সকলৰ আৰ্থিক দিশত উন্নতি সাধন কৰা হৈছে।

খ) উক্ত আঁচনিৰ ভিতৰত তিনিচুকীয়া জিলাৰ অন্তর্গত ডুমডুমা সমষ্টিত তলত দিয়া আঁচনি সমূহ ৰূপায়ণ কৰা হৈছে।

১। অসম বিকাশ যোজনাৰ অধীনত

ক) দুখীয়া শিপিনীলৈ ১ বান্দিলকৈ সূতা বিতৰণ— ১৩৫০ গৰাকীলৈ।

খ) দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকলৈ কম্বল বিতৰণ—৩২৫০জন লোকলৈ।

২। মহাত্মা গান্ধী বুনকৰ বীমা যোজনাৰ অধীনত বীমাকৰণ— ৭৮৮৯ শিপিনীলৈ

৩। স্বাস্থ্য বীমা আঁচনিৰ অধীনত বীমাকৰণ জৰিয়তে ৫২০ সংখ্যক শিপিনী উপকৃত।

৪। বিভাগীয় হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ ৰূপাই চাইদিঙৰ জৰিয়তে ১৫ জনক প্ৰশিক্ষণ দিয়া হয়।

৫। জিলা উন্নয়ন আঁচনিৰ জৰিয়তে ৫০ জনী শিপিনীক চানেকী/ৰংকৰণ আদিৰ প্ৰশিক্ষণ দিয়া হয়। ৰেচম বিভাগৰ অধীনত সমষ্টি ভিত্তিত কোনো আঁচনি গ্ৰহণ কৰা নাই।

গ) (খ) ত দেখুওৱা হ'ল।

ঘ) বিকেন্দ্ৰীকৃত পৰিকল্পনাৰ অধীনত ২০০৮-০৯ বৰ্ষত ৫০ গৰাকী শিপিনীক হস্ততাঁত শালৰ প্ৰশিক্ষণ দিয়া হৈছে।

বিষয় ঃ-ডাক্তৰ আৰু ঔষধ যোগান।

শ্রীমোবাৰক আলী পাঠানে সুধিছে ঃ

১২৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) মৰিগাঁও জিলা অন্তর্গত মৈৰাবাৰীত থকা একমাত্র CHC (FRU) খনত পর্য্যাপ্ত পৰিমাণৰ প্রয়োজনীয় সংখ্যক ডাক্তৰ নথকা আৰু ঔষধ পাতি যোগান নধৰা কথাটো সচাঁনে ?

(খ) জনসাধাৰণ তথা ৰোগী সকলৰ স্বার্থৰ প্রতি লক্ষ্য ৰাখি নিয়মিত ভাবে ডাক্তৰৰ সেৱা আৰু ঔষধ পোৱাৰ ব্যৱস্থা কৰিবনে ?

(গ) উক্ত CHC (FRU) ত ডাক্তৰ আৰু অন্যান্য কর্মচাৰীৰ সংখ্যা কিমান থাকিব লাগে আৰু বর্ত্তমান কিমানজন আছে? (ডাক্তৰ আৰু কর্মচাৰীৰ সংখ্যাৰ তালিকা সদনত দাখিল কৰিব) ?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) মৈৰাবাৰীত থকা একমাত্র CHC (FRU) খনত প্রয়োজনীয় চিকিৎসক আৰু ঔষধ পাতিৰ যোগান ধৰি থকা হৈছে। ইতিমধ্যে ২ জন Sr. M&HO, ১ জন M&HO-I থকাৰ উপৰিও NRHM ৰ পৰা নিযুক্তি প্রাপ্ত ১ জন স্ত্রী ৰোগৰ বিশেষজ্ঞ, এজন দন্ত শৈল্য চিকিৎসক আৰু ১ জন MO.(MBBS) এ কাম কৰি আছে।

(খ) জনসাধাৰণ তথা ৰোগীৰ স্বার্থৰ প্রতি লক্ষ্য ৰাখি নিয়মিত ভাবে ঔষধৰ যোগান ধৰি থকা হৈছে আৰু চিকিৎসক সকলেওঁ সেৱা আগবঢ়াই আছে।

(গ) এফ, আৰ ইউ (FRU) ত একোজনকৈ স্ত্রী ৰোগ বিশেষজ্ঞ, এনেছথিটিষ্ট, শিশুৰোগ বিশেষজ্ঞ থাকিব লাগে। বর্ত্তমান থকা চিকিৎসক আৰু কর্মচাৰীৰ সংখ্যাৰ তালিকা প্রপত্র "ক" ত সংলগ্ন কৰি দিয়া হল।

(See Annexure---XIX)

Sub:- Adulteration of Food Materials.

Shri Sirajuddin Ajmal asked :

125. Will the Minister of Health and Family Welfare be pleased to state :

(a) How many Food Inspectors are there in the district of Nagaon? (Please furnish the list in details)

(b) How many cases on adulteration of foods have been lodged in the district of Nagaon in the last 5 years? (Please give the list of the adulterers in details)

(c) How many cases of above are under jurisdiction and in how many of them the concerned adulterers have been punished by the court? (Please give in details)

(d) Whether the Government has taken any preventive measure against the adulteration of food materials?

(e) If so, how? (please give in details)

Dr. Himanta Biswa Sarma (Minister, Health and Family Welfare) replied :

(a) There are four Food Inspectors working in Nagaon district against equal number of sanctioned post. They are :-

1) Dr. N.K. Choudhury, Food Inspector, (Senior)

2) Sri B.K. Karjee, Food Inspector (senior)

3) Sri D. Bora, Food Inspector, Hojai

4) Sri S. Baruah, Food Inspector, Nagaon

(b) During last 5 years 56 (Fifty six) cases of food adulteration have been lodged in the court in Nagaon district.

The details have been shown at Annexure -I & placed on the Table of the House.

(c) A total no of 56 cases of food adulteration are pending in different courts as shown at Annexure-I

(See Annexure-XX)

A total of 13 (thirteen) Adulterers have been convicted in the court of law so far.

The details of such convicts is placed on the Table of the House at Annexure-II

(See Annexure-XXI)

(d) Yes. The provision of Food Adulteration Act, 1954 and rules thereunder have been implemented.

(e) The following are the task as per the aforesaid Act in respect of Enforcing officials like Food Inspectors:-

i) To check Food Adulteration as well as to maintain the quality and safety of Food produced, processed, sold and exported. Food

Inspectors are entrusted to enforce the Act have been prosecuting unscrupulous Traders compromising human at risk. Many such traders had been sentenced Rigorous Imprisonment with Fine every year under the provision of Act, 1954 & Rules, 1955.

ii) To procure and send for analysis if necessary samples of any article of food which has reason to suspect are being manufactured, stock sold or exhibited for sale in contravention of the provision of the Act.

iii) To investigate any complaint which may be to him writing in respect of any contravention of the Act & Rules.

iv) To respond to incidents of Food poisoning and initiate corrective measures & action plan for non repetition of such incidents.

v) To assertion of Quality & Safety Food Stuff for VVIPand in important Festivals/function etc.

vi) To check and testing salt (lodized) regularly in lodine deficiency programme (WHO-IDD programme) & Mid day meal etc.

vii) To perform such other duties as per state Govt., Orders/ Notifications and also as per direction of Govt. of India.

বিষয় ঃ-মহকুমা অসামৰিক চিকিৎসালয় স্থাপন।

শ্রীকমল সিং নার্জাৰীয়ে সুধিছে ঃ

১২৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) অসমৰ প্রতিখন মহকুমাতে একোখনকৈ অসামৰিক চিকিৎসালয় স্থাপনৰ বিষয়ে ৰাজ্য চৰকাৰে বিবেচনা কৰা কথাটো সচাঁনে? যদি সচাঁ, এই চিকিৎসালয় সমূহ কিমানখন বিচনাযুক্ত হ'ব?

(খ) ৰাজ্য চৰকাৰে কোন কেইখন মহকুমাত এই অসামৰিক চিকিৎসালয় স্থাপনৰ সিদ্ধান্ত গ্রহণ কৰিছে আৰু কোন কেইখন মহকুমাত অসামৰিক চিকিৎসালয় স্থাপনৰ বিষয়ে চিন্তা চর্চা কৰি আছে?

(গ) বিজনী মহকুমাত এখন অসামৰিক চিকিৎসালয় স্থাপনৰ বিষয়ে ৰাজ্য চৰকাৰে অগ্রাধিকাৰৰ ভিত্তিত গুৰুত্ব আৰোপ কৰিবনে?

(ঘ) যদি কৰে, এই চিকিৎসালয়খন কিমান দিনৰ ভিতৰত স্থাপন কৰা হ'ব?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) নীতিগত ভাবে প্রতিখন মহকুমা সদৰত একোখন মহকুমা অসামৰিক চিকিৎসালয় স্থাপনৰ ব্যৱস্থা আছে। এনে চিকিৎসালয়ত নুন্যতম এশখন বিছনা থাকিব লাগে।

(খ) ২০০৭-০৮ চনত ১০ (দহ) খন মহকুমা অসামৰিক চিকিৎসালয় স্থাপন কৰা হৈছে। বর্ত্তমান এনে নতুন চিকিৎসালয় স্থাপনৰ বিষয়ে সিদ্ধান্ত গ্রহণ কৰা নাই। অৱশ্যে বিষয়টি অগ্রাধিকাৰ ভিত্তিত বিবেচনা কৰা হব।

(গ) বিত্তীয় অনুমোদন সাপেক্ষে বিবেচনা কৰিব পৰা যাব।

(ঘ) এতিয়াই কোৱা টান। বিষয়টো বিত্তীয় অনুমোদন তথা তুন পদ সৃষ্টিৰ অনুমোদনৰ ওপৰত নির্ভৰশীল।

বিষয় ঃ-পট্টাৰ আবেদন।

শ্রীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

১২৭। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) ভাৰত চৰকাৰে ফৰেষ্ট ভিলেজ (Forest village) ৰ বাসিন্দা সকলক পট্টা দিয়াৰ বাবে যি আবেদন পত্র বিচাৰিছে তাৰ আধাৰ কি?

(খ) কোন ধৰণৰ বাসিন্দাক এই নিয়মৰ আওঁতাত ধৰা হৈছে, জনাবনে?

শ্রীৰকিবুল হুছেইন (বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছে ঃ

(ক) ভাৰত চৰকাৰে ফৰেষ্ট ভিলেজ (forest village) ৰ বাসিন্দা সকলক পট্টা দিয়াৰ বাবে আবেদন বিচৰা নাই যদিও ইং ২০০৬ চনৰ অনুসূচীত জনজাতি আৰু পৰম্পৰাগত বন্যবাসী (অধিকাৰ চিনাক্তকৰণ) আইন (The Scheduled Tribes and other Traditional Forest Dwellers Recognition of Forest Rights Act, 2006) ৰ সংশ্লিষ্ট বিধানৰ আধাৰত বনগাঁওবাসী, অনুসূচীত জনজাতি, পৰম্পৰাগত বন্যবাসী সকলক বনাঞ্চলৰ দখলিকৃত এলেকাৰ অধিকাৰৰ প্রমান পত্র (Certificate of Rights) দিয়াৰ ব্যৱস্থা সন্নিবিষ্ট কৰা আছে। উক্ত আইন আৰু সুসঙ্গ বিধি (Relevent Rules) ৰ অধীনত ন্যায্য দাবী (Actual claims) দাখিল কৰিবলৈ ব্যৱস্থা কৰা আছে।

(খ) উক্ত আইনৰ আওঁতাত ধৰা বাসিন্দা সকল হ'ল ঃ-

(১) যিসকল অনুসূচীত জনজাতিৰ পৰিয়াল বংশানুক্রমে বনাঞ্চলৰ নির্দিষ্ট এলেকাত নিয়মীয়াকৈ বসবাস কৰি আছে। উক্ত সন্দর্ভত ইং ১৩/১২/০৫ চনৰ তাৰিখৰ আগৰ বাসিন্দা সকলৰ ন্যায্যদাবীহে পৰীক্ষা কৰি বিহিত ব্যৱস্থা লোৱাৰ আইনগত ব্যৱস্থা আছে।

(২) যিসকল পৰম্পৰাগত ৰন্যবাসী পৰিয়াল (Traditional Dwellers), তিনি পুৰুষ (Three Generations) বনাঞ্চলৰ নির্দিষ্ট এলেকাত নিয়মীয়াকৈ বসবাস কৰি আছে। উক্ত সন্দর্ভত ইং ১৩/১২/২০০৫ চনৰ তাৰিখৰ আগৰ বাসিন্দা সকলৰ ন্যায্য দাবীহে পৰীক্ষা কৰি বিহিত ব্যৱস্থা লোৱাৰ আইনগত ব্যৱস্থা আছে।

প্ৰকাশ থাকে যে কেন্দ্ৰীয় স্তৰত ভাৰত চৰকাৰৰ জনজাতীয় বিষয়ৰ মন্ত্ৰালয় আৰু প্ৰাদেশিক স্তৰত অসম চৰকাৰৰ ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যান বিভাগে উক্ত ইং ২০০৬ চনৰ অনুসূচীত জনজাতি আৰু পৰম্পৰাগত বন্যবাসী (অধিকাৰ চিনাক্তকৰন) আইনখন কাৰ্য্যকৰী কৰণৰ বাবে মূখ্য সংযোগী সংস্থা হিচাবে কাৰ্য্যনিৰ্বাহ কৰিছে।

Sub :- Teaching staff of Medical College.

Dr. Aditya Langthasa asked :-

128. Will the Minister of Health and Family Welfare be pleased to state :-

(a) How many Professors, Associate Professors, Assistant professors, Registrars and Resident Physicians are working under various departments of Medical Colleges of Assam at present? (Please give Medical College wise in details).

(b) Whether the above mentioned Teaching staff of Medical Collegse of Assam are adequate as per the norms of M.C.I.?

(c) How many posts of Registrar and Resident Physicians were filled up by Government during last three years in Medical Colleges of Assam?

Dr. Himanta Biswa Sarma (Minister, Health & FW) replied :

(a) Numbers of Professors, Associate Professors, Assistant Professors, Registrar and Resident Physicians etc. are working under various Departments of Medical Colleges of Assam at present are given below:

Gauhati Medical College, Guwahati

Professor	:	65 Nos
Associate Professors	:	71 Nos
Assistant Professors	:	130 Nos
Demonstrator/ Registrar		
Resident Physicians	:	101 Nos

Assam Medical College, Dibrugarh

Professor	:	39 Nos
Associate Professors	:	43 Nos
Assistant Professors	:	92 Nos
Demonstrator/ Registrar		
Resident Physicians	:	40 Nos

Silchar Medical College, Silchar

Professor	:	23 Nos
Associate Professors	:	28 Nos
Assistant Professors	:	51 Nos
Demonstrator/ Registrar		
Resident Physicians	:	69 Nos

Jorhat Medical College, Jorhat

Professor	:	15 Nos
Associate Professors	:	17 Nos
Assistant Professors	:	33 Nos
Demonstrator/ Registrar		
Resident Physicians	:	37 Nos

(b) Adequate as per MCI norms in respect of above Medical Colleges except Jorhat Medical College, Jorhat where the filling up of the post are going on by direct recruitment as well as by way of promotion.

(c) There are 355 Nos of post of Registrar and Resident Physician which were filled up by the Government during last three years in Medical Colleges of Assam.

Sub : Sanction of Fund.

Shri Shambhu Singh Mallah asked :

129. Will the Minister of Forest be pleased to state :

(a) How much fund was sanctioned for social Forestry under Karimganj District in the year 2005-2006 to 2009-2010? (Please furnish year wise and Range wise amount separatly)

(b) Which schemes are completed under Social Forestry? (Please give name of the scheme and sanctioned amount with Execution Officer).

(c) Which are scheme those started but not completed till today? (Please give name of the scheme and sanctioned amount with the name of Execution Officer).

(d) Which schemes are not started till today and why? (Please give name of the scheme and sanctioned amount with Execution Officer).

Shri Rockybul Hussain (Minister, Environment & Forests) replied :

(a) The fund as sanctioned under Karimganj Social Forestry Division in Karimganj District is annexed as per enclosed ANNEXURE -I

(See Annexure -- XXII)

(b) The Detailed schemes completed under various Range/ Beat (SF), Karimganj of Social Forestry Division, Karimganj for the year 2005-06 to 2008-09 and the name of Execution Officer is annexed as per ANNEXURE -- II

(See Annexure--XXIII)

(c) The Social Forestry activities are time bound and seasonal programme and it is completed within the particular financial year. So, the question of non-completion of schemes for 2005-06 to 2008-09 does not arise. The works for SFG, Amenities, ABY 12th Finance, Schemes etc started. The details of which for 2009-1-are annexed as per ANNEXURE-III.

(See Annexure-XXIV)

(d) The following schemes i.e. SCCP, TSP for 2009-20 are not started due to non-receipt/ non-drawal of fund by this Social Forestry Division, Karimganj and which will be started as soon as fund received/ drawn and will be completed within the financial year i.e. 2009-10. The details are enclosed a per ANNEXURE -IV.

(See Annexure--XXV)

বিষয়ঃ- জীৱ-জন্তুৰ সংখ্যা।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছেঃ

১৩০। মাননীয় বন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসম ৰাজ্যিক চিৰিয়াখানাত বর্তমান কিমানটা আৰু কি প্রজাতিৰ জীৱ-জন্তু আছে?

(খ) প্রত্যেকবিধ জীৱ-জন্তুৰে ('ক' উল্লেখিত) বৈজ্ঞানিক নাম কি কি?

(গ) অসম ৰাজ্যিক চিৰিয়াখানাত ২০০১ চনৰ পৰা ২০০৯ চনলৈ কিমানটা জীৱ-জন্তুৰ কি কি বেমাৰত মৃত্যু হৈছে?

(ঘ) বেমাৰ হৈ থকা অৱস্থাত প্রত্যেকটো জন্তুকে কেনেধৰণৰ চিকিৎসা কৰা হৈছিল আৰু প্রত্যেকবিধ জন্তুৰ প্রত্যেকবাৰৰ চিকিৎসাত কিমান কিমান টকা খৰছ হৈছিল?

(ঙ) ৰাজ্যিক চিৰিয়াখানালৈ জীৱ-জন্তুৰ খাদ্যৰ বাবে প্রতিদিনে কি কি বিশেষ খাদ্য সম্ভাৰ ক'ৰ পৰা অনা হয়? উক্ত প্রত্যেকবিধ খাদ্যৰ বজাৰ মূল্য আৰু চৰকাৰী যোগান মূল্য কিমান কিমান? প্রত্যেকবিধ জীৱ-জন্তুক যোগান ধৰা খাদ্য সম্ভাৰ পর্য্যাপ্ত হয় নে? যদি হয়, তেনেহলে পর্য্যাপ্ত বুলি বিবেচনা কৰিবলৈ কেনে ধৰণৰ বৈজ্ঞানিক ভিত্তি অৱলম্বন কৰা হয়?

শ্রীৰকিবুল হুছেইন (পৰিবেশ আৰু বন বিভাগৰ মন্ত্রী)য়ে উত্তৰ দিছেঃ

(ক) অসম ৰাজ্যিক চিৰিয়াখানাত বর্তমান মুঠ ১০৪ টা প্রজাতিৰ ৮২৫ টা জীৱ-জন্তু আছে।

(খ) প্রত্যেকবিধ জীৱ-জন্তুৰে বৈজ্ঞানিক নামৰ তালিকাখন সংলগ্ন কৰি দিয়া হ'ল। (সংলগ্ন-'ক')

(See Annexure--XXVI)

(গ) অসম ৰাজ্যিক চিৰিয়াখানাত ০১/০৪/২০০১ চনৰ পৰা ৩১/১২/২০০৯ চনলৈকে বিভিন্ন বেমাৰত মৃত্যু হোৱা জীৱ-জন্তুৰ তালিকাখন সংলগ্ন কৰি দিয়া হ'ল। (সংলগ্ন-'খ')

(See Annexure--XXVII)

(ঘ) অসম ৰাজ্যিক চিৰিয়াখানাত জীৱ-জন্তুৰ চিকিৎসাৰ বাবে এখন পূৰ্ণাঙ্গ পশু চিকিৎসালয় আছে। উক্ত চিকিৎসালয়ত দুজন অভিজ্ঞ পশু চিকিৎসক আছে। তেওঁলোকৰ তত্বাৱধানতে জীৱ-জন্তুক বিভিন্ন ৰোগৰ প্ৰতিষেধকমূলক ব্যৱস্থা তথা প্ৰয়োজন সাপেক্ষে চিকিৎসা প্ৰদান কৰা হয়। ইয়াৰ উপৰিও প্ৰয়োজন সাপেক্ষে খানাপাৰাত অৱস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ বিশেষজ্ঞসকলৰ সহযোগ আৰু তেওঁলোকৰ পৰামৰ্শ অনুযায়ী ৰুগীয়া জীৱ-জন্তুক চিকিৎসা কৰা হয়।

এনেবোৰ প্ৰতিষেধক মূলক আৰু চিকিৎসা ব্যৱস্থাত বাৰ্ষিক খৰছ হোৱা ধনৰ পৰিমাণৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (সংলগ্ন-'গ')

(See Annexure--XXVIII)

(ঙ) বিভিন্ন জন্তুক খোৱাৰ বাবে অনুমোদিত খাদ্য তালিকা অনুযায়ী বিভিন্ন সামগ্ৰী অনুমোদিত যোগানকাৰীয়ে যোগান ধৰে। অনুমোদিত খাদ্যৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (সংলগ্ন-'ঘ')

(See Annexure--XXIX)

খাদ্য সমূহৰ মূল্য প্ৰতিবছৰে নিবিদা আহবান কৰি নিম্নতম মূল্য আগবঢ়োৱা নিবিদাকাৰীক খাদ্য সামগ্ৰী যোগানৰ বন্দৱস্থী দিয়া হয়। অনুমোদিত মূল্যত যোগানকাৰীয়ে এটা বছৰৰ বাবে সামগ্ৰী সমূহ যোগান ধৰিব লাগে। নিবিদা গ্ৰহণ কৰাৰ সময়ত বিভিন্ন বিভাগৰ পৰা সামগ্ৰীসমূহৰ মূল্যৰ তালিকা সংগ্ৰহ কৰি সেই মূল্য নিবিদাৰ মূল্যৰ লগত তুলনা কৰি বন্দৱস্থীৰ ব্যৱস্থা কৰা হয়। বিভিন্ন বিভাগৰ পৰা সংগ্ৰহ কৰা খাদ্যৰ বজাৰৰ মূল্য তালিকা আৰু যোগান মূল্যৰ তালিকা সংলগ্ন কৰি দিয়া হ'ল। (সংলগ্ন-'ঙ')

(See Annexure--XXX)

পর্য্যাপ্ত খাদ্য সম্ভাৰ জীৱ জন্তুক যোগান ধৰা হয়।

খাদ্যৰ তালিকা সমূহ বিভিন্ন চিৰিয়াখানাৰ জীৱ-জন্তুৰ খাদ্যৰ তালিকা বিশ্লেষণ কৰি জন্তুসমূহৰ প্ৰজাতি, বয়স, ওজন ইত্যাদিৰ ওপৰত নির্ভৰ কৰি তথা অভিজ্ঞ জন্তু ৰক্ষকসকলৰ মতামত গ্ৰহণ কৰি পশু চিকিৎসক সকলে তৈয়াৰ কৰে। এনেদৰে প্ৰস্তুত কৰি প্ৰদান কৰা খাদ্যৰ দ্বাৰা জীৱ-জন্তু সমূহৰ স্বাভাৱিক আচৰণ তথা প্ৰজনন সুচাৰু ৰূপে চলি আছে।

Subject :- No. of tourists in Assam.

Dr. Alaka Sarma asked :

131. Will the Minister of Tourism be pleased to state:

(a) In the year 1-4-2009 to 31-3-2010, how many tourists visited Assam?

(b) Of these, how many were Indian tourists & how many were foreigners?

(c) What steps have been taken by Govt. to attract tourists to ASSAM?

Shri Rockybul Hussain (Minister, Tourism, Assam) replied :

a) 27,44,164 Nos. of tourists visited Assam during 1-4-2009 to 31-12-009.

b) Of the above 27,44,164 Nos. of turists 27,34,219 Nos. are Indian and 9,945 Nos. are foreigners,

c) Various steps have been taken by the Govt. for attraction of more tourists to the State of Assam. Among them the following steps may be taken into account.

1) Infrastructure Development of important tourist spots in the State of Assam.

2) Publicity within the country and abroad by participation in fairs and Exhibitions.

3) Strengthening of the Assam Tourism website.

4) Launching of Assam Tourism Policy, 2008.

5) Setting up of 5 star Hotel at Guwahati.

বিষয়ঃ- বনৰীয়া হাতীৰ আক্ৰমণত নিহত ব্যক্তিৰ পৰিসংখ্যা।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১৩২। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা চাৰিটা বছৰত ৰাজ্যখনত কিমান সংখ্যক লোকৰ বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যু ঘটিল ?

(খ) উক্ত সময় ছোৱাত কিমান সংখ্যক পৰিয়াল হাতীৰ আক্ৰমণত ক্ষতিগ্ৰস্ত হ'ল ?

(গ) এই মৃত ব্যক্তি সকলৰ পৰিয়াল বৰ্গই চৰকাৰৰ পৰা উপযুক্ত ভাবে ক্ষতিপূৰণ পাইছেনে ?

(ঘ) যদি পাইছে, কেনে ধৰণৰ ক্ষতিপূৰণ পাইছে?

(ঙ) এই ক্ষতিপূৰণৰ পৰিমাণ দেশৰ বাকী ৰাজ্যৰ ক্ষতিপূৰণৰ পৰিমাণৰ সমানুপাতিকনে?

(চ) বনৰীয়া হাতী আৰু মানুহৰ সংঘাট ৰোধ কৰাৰ বাবে চৰকাৰে কি কি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীৰকিবুল হুছেইন (পৰিবেশ ওঁ বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) যোৱা চাৰিটা বছৰত হাতীৰ আক্ৰমণত সৰ্বমুঠ ২৪৫ জন মানুহৰ মৃত্যু হয়।

(খ) উক্ত বছৰ কেইটাত সৰ্বমুঠ ৭৬৩৩ টা পৰিয়াল হাতীৰ আক্ৰমণত ক্ষতিগ্ৰস্ত হয়?

(গ) ৰাজ্য চৰকাৰৰ নিৰ্দেশ নং FRP. 52/2007/15-A, dt. 15-03-2008 অনুযায়ী আৰু পুঁজি সাপেক্ষে মৃত ব্যক্তি সকলৰ পৰিয়াল বৰ্গক ক্ষতিপূৰণ দিয়া হয়।

(ঘ) বনৰীয়া হাতীৰ আক্ৰমণত মৃত্যু হোৱা প্ৰতিজন ব্যক্তিৰ পৰিয়ালক এককালীন সাহায্য হিচাবে ৪০,০০০.০০ হাজাৰ টকাকৈ দিয়া হৈছে।

(ঙ) সমানুপাতিক নহয়। অৱশ্যে অসম চৰকাৰে মৃত ব্যক্তিৰ পৰিয়ালক এককালীন সাহায্যৰ পৰিমাণ ১,০০,০০০.০০ (এক লাখ) টকাকৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লৈছে।

(চ) হাতীৰ উপদ্ৰৱ নিয়ন্ত্ৰনৰ বাবে বনৰীয়া হাতী আৰু মানুহৰ সংঘাট ৰোধ কৰিবলৈ নিম্ন লিখিত ব্যৱস্থা সমূহ চৰকাৰে গ্ৰহণ কৰিছে।

১) বনৰীয়া হাতীৰ নিয়ন্ত্ৰনৰ বাবে নিয়ন্ত্ৰন বাহিনী, নিয়ন্ত্ৰন কক্ষ খোলা হৈছে।

২) বনৰীয়া হাতীৰ নিয়ন্ত্ৰনৰ বাবে প্ৰয়োজন সাপেক্ষে কোনো কোনো ঠাইত Electric fencing ৰ ব্যৱস্থা কৰা হৈছে।

৩) কুনকী হাতীৰ ব্যৱহাৰ কৰি বনৰীয়া হাতী আৰু মানুহৰ সংঘাট নিয়ন্ত্ৰনৰ ব্যৱস্থা কৰা হৈছে।

৪) গাঁও আৰু চাহ বাগান এলেকা সমূহত গাঁওবুঢ়া আদি অন্যান্য ব্যক্তি সমূহক লৈ বনৰীয়া হাতীৰ নিয়ন্ত্রন গোট গঠন কৰা হৈছে। আৰু বিভাগৰ লগত যৌথ ভাবে হাতী খেদাৰ ব্যৱস্থা কৰা হৈছে।

৫) বনবিভাগৰ তৰফৰ পৰা নিয়ন্ত্রন গোট সমূহক পুঁজি সাপেক্ষে চার্চ লাইট আদি যোগান ধৰা হৈছে।

ওপৰোক্ত হ্রস্বম্যাদী ব্যৱস্থা সমূহৰ উপৰিও দীঘ্রম্যাদী ব্যৱস্থা হিচাবে হাতীৰ আৱাস ভূমিসমূহত হাতীয়ে খাই ভালপোৱা গছ গছনি, বাঁহ ইত্যাদি লগাই আৰু পুখুৰী আদি খান্দি পানীৰ ব্যৱস্থা কৰা হৈছে, যাতে খাদ্যৰ অভাৱত হাতী বনাঞ্চলৰ পৰা বাহিৰত ওলাই আহিব লগা নহয়। তাৰোপৰি পৰিস্থিতি চম্ভালিবৰ বাবে আন্তঃ গাঠনিৰ উন্নতি কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে। আৰু বনৰীয়া হাতী ধৰাৰ বাবে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি থকা হৈছে।

বিষয় ঃ- ৰোপ'ৱে আঁচনি।

বিধায়ক ঃ শ্রীদুর্গা ভূমিজে সুধিছে ঃ

১৩৩। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীৰ পৰা উত্তৰ গুৱাহাটীলৈ ব্রহ্মপুত্রৰ ওপৰেদি ৰাইজৰ যাতায়তৰ সুবিধার্থে গ্রহণ কৰা ব্যয়বহুল ৰোপ'ৱে আঁচনিখন কেতিয়ালৈ সম্পূর্ণ হব? উক্ত ৰোপ'ৱে আঁচনিৰ বিপৰীতে কিমান ধন ব্যয় কৰিবলৈ পৰিকল্পনা কৰা হৈছে?

(খ) গুৱাহাটীৰ উপৰিও এই আঁচনিখন ৰাজ্যৰ অন্য চহৰলৈ সম্প্রসাৰণ কৰাৰ কিবা আঁচনি চৰকাৰৰ হাতত আছে নেকি?

(গ) যদি আছে, ক'ত ক'ত আছে? (তথ্য সহকাৰে সদনৰ মেজত দাখিল কৰিব)

ডঃ হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) গুৱাহাটী মহানগৰীৰ পৰা উত্তৰ গুৱাহাটীলৈ ব্রহ্মপুত্রৰ ওপৰেদি বাইজৰ যাতায়াতৰ সুবিধার্থে গ্রহণ কৰা ৰোপ'ৱে আঁচনিখন অহা ইং ২০১১ চনৰ ৩১ মার্চৰ ভিতৰত সম্পূর্ণ কৰাৰ লক্ষ্য ধার্য্য কৰা হৈছে। উক্ত আচনিৰ বিপৰীতে ২৭.৭২ কৌটি (সোতাইশ কৌটি বাসত্তৰ লাখ) টকাৰ প্রশাসনীয় অনুমোদন দিয়া হৈছে।

(খ) গুৱাহাটীৰ ওপৰিও এই ৰোপ'ৱে আঁচনিখন ৰাজ্যৰ অন্য চহৰলৈ সম্প্রসাৰণ কৰাৰ আঁচনি বর্ত্তমানলৈকে চৰকাৰৰ হাতত নাই।

(গ) নাই।

(Unstarted Quesition No. 134 was Postponed)

Sub:- New PHC.

Shri Sirajuddin Ajmal asked :

135. Will the Minister of Health and Family Welfare be pleased to state :

(a) Whether the Government is planning to set up new PHC's in Rural Areas in the state?

(b) If so, how many new PHC's are to be set up?

(c) Whether the Government has earmarked the areas already? If so, give the list of the areas in details ?

(d) Regarding setting up of one "Model Hospital" in each LAC, by which time the Government is planning to do so?

Dr. Himanta Biswa Sarma (Minister, Health and Family Welfare, Department) replied :

(a) Yes.

(b) There is plan to set up 50 New PHC in rural areas in the Stae excluding the Model Hospital.

(c) & (d) The names of Hospital will be finalised by 31 st March, 2010. In first phase 50.Hospital wills be taken up excluding District and Sub-Divisional Head Quarter.

বিষয় - নার্ছি হোমৰ সংখ্যা।

শ্রীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

১৩৬। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনেঃ

(ক) অসমত বর্ত্তমান কিমানখন ব্যক্তিগত খণ্ডৰ নার্ছিং হোম আছে? উক্ত নার্ছিং হোম সমূহত কিমানজন ডাক্তৰ, নার্ছ আৰু অন্যান্য কর্মচাৰী আছে। নার্ছিং হোম অনুক্রমে জনাবনে?

(খ) নার্ছিংহোম সমূহত কিমানখন এম্বুলেঞ্চ আছে?

(গ) নাছিং হোম সমূহৰ আবর্জনা নিস্কাষণৰ বাবে কি বৈজ্ঞানিক ব্যৱস্থা গ্রহণ কৰা হৈছে? ওচৰত নদী নথকা নার্ছিং হোমৰ আর্বজনা নিস্কাষণ কেনে পদ্ধতিৰে কৰা হয়?

(ঘ) অসমৰ নার্ছিং হোম সমূহৰ পৰা বর্ত্তমান চৰকাৰে কিমান টকাৰ ৰাজহ সংগ্রহ কৰি আছে? উক্ত ৰাজহৰ পৰিমাণ জিলা ভিত্তিক জনাবনে?

(ঙ) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পার্কিং এলেকাৰ পৰা ২০০৯ বর্ষৰ জানুৱাৰীৰ পৰা ডিচেম্বৰলৈকে কিমান টকাৰ মাছুল সংগ্রহ কৰা হৈছে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) অসমত বর্তমান ২০৪ খন ব্যক্তিগত খণ্ডৰ পঞ্জীয়ণ ভূক্ত নার্ছিং হোম আছে।

উক্ত নার্ছিং হোম সমূহত ২০৩৪ জন ডাক্তৰ, ২৬৫৭ গৰাকী নার্চ আৰু ৩৩৩০ জন অন্যান্য কর্মচাৰী আছে।

(খ) State Health Establishments Act, 1993 & Rules, 1995 as amended upto 2007 বিধি অনুসৰি উক্ত পঞ্জীয়ন ভূক্ত নার্ছিং হোমত কমেও একোখনকৈ এম্বুলেঞ্চ আছে।

(গ) নিজা Incinerator ৰ সুবিধা থকা কিছু সংখ্যক নার্ছিং হোমত আৰ্বজনা সমূহ বৈজ্ঞানিক ভিত্তিত নিস্কাষণ কৰা হয়। তেনে সুবিধা উপলব্ধ নথকা নার্ছিং হোম সমূহত অসম প্রদূষণ নিয়ন্ত্রণ পৰিষদে ধার্য্য কৰি দিয়া নির্দেশনা মর্মে বৈজ্ঞানিক ভিত্তিত Deep Burial পদ্ধতিৰে নিস্কাষন কৰে। তাৰোপৰি তৰল আৰ্বজনা সমূহ (Liquied Waste) Effluent Treatment Plant (ETP) ৰ সহায়ত যাবতীয় পৰিশোধন কৰি সাধাৰণ নলাত এৰি দিয়ে।

(ঘ) অসমৰ নার্ছিং হোম থকা অন্যান্য পৰীক্ষাগাৰ (Laboratory/ Diagnostic Centre) হোম সমূহৰ পৰা বর্তমান চৰকাৰে বছৰি প্রায় ৮,২১,৫০০.০০ (আঠ লাখ একৈশ হাজাৰ পাচশ) টকা ৰাজহ সংগ্রহ কৰি আছে।

জিলা ভিত্তিত সংগৃহীত ৰাজহৰ পৰিসংখ্যাৰ তালিকা তলত দিয়া হল ঃ-

১। কামৰূপ	-	২,০৫,৫০০.০০
২। ডিব্রুগড়	-	১,৪২,০০০.০০
৩। ধুবুৰী	-	২,৫০০.০০
৪। গোৱালপাৰা	-	১৬,০০০.০০
৫। বৰপেটা	-	২৪,০০০.০০
৬। গোলাঘাট	-	২৪,০০০.০০
৭। নগাঁও	-	৫০,০০০.০০
৮। শিৱসাগৰ	-	৩৩,০০০.০০
৯। উঃ লক্ষীমপুৰ	-	১৬,০০০.০০
১০। তিনিচুকীয়া	-	৭১,৫০০.০০
১১। যোৰহাট	-	৬৪,০০০.০০
১২। শোনিতপুৰ	-	৫২,০০০.০০
১৩। কাছাৰ	-	৪৫,০০০.০০
১৪। নলবাৰী	-	২৪,০০০.০০
১৫। দৰং	-	১৬,০০০.০০
১৬। বঙাইগাঁও	-	২৪,০০০.০০
১৭। ধেমাজী	-	৮,০০০.০০
১৮। চিৰাং	-	৪,০০০.০০
মুঠ -		৮,২১,৫০০.০০

উপৰোক্ত জিলাকেইখনৰ বাহিৰে আন জিলাবোৰত কোনো পঞ্জীয়ন ভূক্ত নার্ছিং হোম নাই।

(ঙ) গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ পাকিং এলেকাটো সম্পূৰ্ণ নোহোৱা বাবে বৰ্ত্তমান এটা ব্যক্তিগত প্ৰতিষ্ঠানক পৰীক্ষামূলক ভাবে চোৱা চিতাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ইয়াৰ বাবদ প্ৰতিষ্ঠানটোৱে হস্পিতাল কতৃপক্ষক মাহিলী ১০,০০০.০ (দহ হাজাৰ) টকা জমা দিব লাগে। ২০০৯ চনৰ জানুৱাৰী মাহৰ পৰা ২০০৯ চনৰ ডিচেম্বৰ মাহলৈ মুঠ ১,২০,০০০.০০ টকা জমা পোৱা গৈছে।

Sub : Migratory Birds.

Dr. Alaka Sarma asked :

137. Will the Minister of Forest be pleased to state:

(a) Which are the places in Assam where Migratory Birds visit every year?

(b) Is the Government aware of the fact that at Bar Pukhuri under Ghoghrapar G.P. of Borigog Banbhag Block, large No. of Migratory Birds visit every year?

(c) Whether Government has any plan to develop this site as a tourist place?

(d) If so, whether any time bound plan made?

(Kindly highlight)

Shri Rockybul Hussain (Minister of Forest) replied:

(a) There are 46 identified Important Birds Area (IBA) in Assam where migratory birds visit every year. (List enclosed).

(See Annexure--XXXI)

In addition to that the migratory birds visit all the important water bodies of the Protected Area (PA) and some Other bodies outside Protected Areas of Assam.

(b) Yes, during winter season some migratory birds visit that area.

(c) Perhaps the Tourism Department, Govt. of Assam would be able to throw light on the issue.

(d) As in Answer (c) above.

বিষয় ঃ- গুৱাহাটী মহানগৰীৰ নলা-নৰ্দ্দমা নিৰ্মাণ।

বিধায়ক ঃ- ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১৩৮। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্ত্তমান গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত P.W.D. ৰ দ্বাৰা নিৰ্মাণৰত নলা নৰ্দ্দমা সমূহৰ পুঁজি কি Head ৰ পৰা আহৰণ কৰা হৈছে?

(খ) ইয়াৰ বাবে চলিত বৰ্ষত কিমান পুঁজি ধাৰ্য্য কৰা হৈছে?

(গ) বৰ্ত্তমানলৈকে ইয়াৰ কিমান পুঁজি ব্যয় হ'ল?

(ঘ) এই নলা নৰ্দ্দমা সমূহৰ নিৰ্মাণ কাৰ্য্য সমাপ্ত হোৱাৰ পাছত গুৱাহাটী মহানগৰীৰ কৃত্ৰিম ৰান পানীৰ সমস্যাটো সম্পূৰ্ণ ৰূপে সমাধান হ'ব বুলি চৰকাৰে বিশ্বাস কৰে নে?

ডঃ হিমন্ত বিশ্ব শর্মা (গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) (১) বর্তমান গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত P.W.D. ৰ দ্বাৰা নির্মাণৰত নলা-নর্দ্দমা সমূহ গুৱাহাটী উন্নয়ন বিভাগৰ (G.D.D.) Head of account 4217-c. o.-on -Urban -Dev,II-Other State Plan & Non-Plan Scheme-01-State Capital Dev-051 Constn. (a) GDD-997-Award of T.F.C. up-gradation of Standard of Admn. for road side drainage of Guwahati City during 2009-2010 ৰ পৰা আহৰণ কৰা হৈছে।

(২) ইয়াৰোপৰি বর্তমান গুৱাহাটী মহানগৰীৰ বিভিন্ন অঞ্চলত P.W.D. ৰ দ্বাৰা নির্মাণৰত পথ আৰু নলা-নর্দ্দমাবোৰ গুৱাহাটী উন্নয়ন বিভাগৰ (GDD) Head of accoumt "2217-Urban-Dev-II-Other State Plan and Non-Plan Scheme-80-General-800-Other expenditure-09-Grants-in Aid (PWD)" Development of Guwahti City Roads" for the Annual Plan, 2009-2010 under Grants No. 73. ৰ পৰা আহৰণ কৰা হৈছে।

(খ) ইয়াৰ বাবে চলিত বর্ষত গুৱাহাটী উন্নয়ন বিভাগলৈ মুঠ 6525.00 লাখ টকা ধার্য্য কৰা হৈছে।

(গ) বর্ত্তমানলৈকে ইয়াৰ বাবে 2801.45 লাখ টকা ব্যয় কৰা হৈছে আৰু বাকীখিনি মুকলি কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

(ঘ) এই নলা নর্দ্দমাসমূহৰ নির্মাণ কার্য্য সমাপ্ত হোৱাৰ পাছত কৃত্রিম বানপানীৰ সমস্যাটো সম্পূর্ণৰূপে সমাধান হ'ব বুলি আশা কৰিব নোৱাৰি যদিও সেই ঠাইবোৰত বহুখিনি সমস্যা লাঘৱ হ'ব বুলি আশা কৰা হৈছে।

বিষয় ঃ-প্রতিষেধক চিটাৰ সন্দর্ভত।

শ্রীদুর্গা ভূমিজে সুধিছে ঃ

১৩৯। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ঃ

(ক) চাহ বাগিচা সমূহত শ্রমিকসকলৰ সন্তানে প্রতিষেধক বেজি (Immunization) নাপায়, কথাষাৰ সত্যনে ?

(খ) Polio, D.P.T., B.C.G., Measles, D.T., T.T., Rabipur Hydrophobia vaccine আদি কৰি চাহ বাগিচা সমূহত যোগান ধৰা নহয়, কথাষাৰ সত্যনে?

(গ) যদি সত্য, চাহ শ্রমিকৰ সন্তানে এই প্রতিষেধক ঔষধ সমূহ সহজে পাব পৰাকৈ চৰকাৰে কিবা পদক্ষেপ গ্রহণ কৰিছেনে?

(যদি কৰিছে, বিতং তথ্য সদনৰ মজিয়াত দাখিল কৰিব)

এই প্রতিষেধক চিতাবোৰৰ অভাৱত চাহ শ্রমিকৰ সন্তান সকলৰ মৃত্যুৰ সংখ্যা বেছি, কথাষাৰ সত্যনে?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) সত্য নহয়। ৰাজ্যখনৰ সকলো শিশুৰ লগতে চাহ বাগিছাৰ শিশু সকলকো নিয়মীয়া টিকাকৰণৰ সা-সুবিধা প্রদান কৰা হয়।

(খ) Polio, DPT, B.C.G., T.T. এই প্রতিষেধকসমূহ চাহ বাগিচা সমূহত টিকাকৰণৰ দিনা ওচৰৰ প্রাথমিক স্বাস্থ্য কেন্দ্রৰপৰা নিয়মীয়াকৈ যোগান ধৰা হয়। Rabipur Vaccine এটা Trade name । এই নামৰ Vaccine বর্ত্তমান যোগান ধৰা নহয়। Anti Rabis Vaccine হে যোগান ধৰা হয়। এনে Vaccine জিলাৰ যুটিয়া স্বাস্থ্য সঞ্চালক আৰু চিকিৎসা মহাবিদ্যালয় সমূহলৈ পর্য্যাপ্ত

পৰিমাণে যোগান ধৰা হৈছে। জিলাৰ স্বাস্থ্য সঞ্চালকে তেওঁৰ অধীনত থকা চিকিৎসা অনুষ্ঠান সমূহলৈ প্ৰয়োজন অনুযায়ী উক্ত বেজীৰ যোগান ধৰে।

চাহ বাগিচা সমূহত এনে বেজীৰ অভাৱ হোৱাৰ প্ৰতিবেদন চৰকাৰে পোৱা নাই।

(গ) সচাঁ নহয়। 'ক' ও 'খ' দ্ৰষ্টব্য।

বিষয় ঃ-হস্পিতালৰ বিষয়া কৰ্মচাৰীৰ সংখ্যা।

শ্ৰীশন্তু সিং মালাহে সুধিছে ঃ

১৪০। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত ত্ৰিশ খন বিচনাযুক্ত হস্পিতালত কেইজন Categories-wise বিশেষজ্ঞ ডাক্তৰ , G.N.M. আৰু A.N.M. থাকিব লাগে?

(খ) বৰ্ত্তমান ৰামকৃষ্ণ নগৰ ত্ৰিশ খন বিচনাযুক্ত হস্পিতালখন সম্পূৰ্ণ নে, তাত কেইজন ডাক্তৰ আছে, তেওঁলোকৰ নাম আৰু Date of joining অনুগ্ৰহ কৰি জনাবনে?

(গ) ৰামকৃষ্ণ নগৰ ত্ৰিশ খন বিচনা যুক্ত হস্পিতাল খনত সকলো বিভাগত কেইজন কৰ্মী থকিব লাগে? বৰ্ত্তমান সেই হস্পিতাল খনত সকলো বিভাগত কেইজন কৰ্মীক নিযুক্তি দিয়া হৈছে?

(ঘ) ৰামকৃষ্ণ নগৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত কেইজন মেলেৰিয়া কৰ্মী আছে? তাৰ ভিতৰত কেইজন কৰ্মী Death and Birth Certificate ৰ কাম কৰি আছে?

(নাম আৰু পদবী জনাব)

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছে ঃ

(ক) ৩০ খন বিচনাযুক্ত হস্পিতালত সাধাৰণতে তলত উল্লেখ কৰা ধৰণে চিকিৎসক আৰু G.N.M. ৰ ব্যৱস্থা আছে।

উপ অধীক্ষক	১ জন
জেষ্ঠ চিকিৎসা ও স্বাস্থ্য বিষয়া	২ জন
চিকিৎসা ও স্বাস্থ্য বিষয়া	৪ জন
জিন এম এম	৭ গৰাকী

এ এন এমৰ ব্যৱস্থা নাই।

(খ) ৰামকৃষ্ণ নগৰ ৩০ খন বিচনাযুক্ত হস্পিতালৰ গৃহ মিৰ্ণাণৰ কার্য্য সম্পূর্ণ হৈছে। চিকিৎসক নিযুক্তি দিয়া হোৱা নাই। যিহেতু পদ মঞ্জুৰী হোৱা নাই।

(গ) ৩০ খন বিচনাযুক্ত হস্পিতালত সাধাৰণতে ৩১ জন কর্মী থাকিব লাগে। পদ মঞ্জুৰী হোৱা নাই বাবে এজনো নিযুক্তি দিয়া হোৱা নাই।

(ঘ) ৰামকৃষ্ণ নগৰ প্রাথমিক স্বাস্থ্য কেন্দ্রৰ অধীনত ১৫ জন মেলেৰিয়া কর্মীয়ে কাম কৰি আছে। তাৰ ভিতৰত ২ জনে জন্ম-মৃত্যুৰ প্রমাণ পত্রৰ কাম কৰি আছে।

তেওঁলোক দুজনৰ নাম হ'ল ঃ-

১) শ্রী প্রদীপ কুমাৰ দে	জৰীপ পৰিদর্শক।
২) শ্রীবাবুল চন্দ্র ভৌমিক	জৰীপ কর্মী

বিষয় ঃ-আৰ্দশ চিকিৎসালয়।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

১৪১। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) চৰকাৰ অৱগত নে, ৰাজ্যখনত আৰ্দশ চিকিৎসালয় স্থাপনৰ বাবে বিধায়কলৈ পত্ৰ প্ৰেৰণ কৰিছিল আৰু সেই মৰ্মে বিধায়ক সকলে নিজ নিজ সমষ্টিত চিকিৎসালয়ৰ বাবে স্থান নিৰ্বাচন কৰি চৰকাৰক অৱগত কৰিছিল?

(খ) যদি অৱগত, সেই স্থান সমূহৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে বৰ্তমানলৈকে অনুমোদন জনাইছে নে?

(গ) যদি অনুমোদন জনাইছে, সমষ্টি ভিত্তিত সবিশেষ তথ্য দাখিল কৰিবনে?

(ঘ) এই আদৰ্শ চিকিৎসালয় সমূহৰ নিৰ্মাণ কাৰ্য্য কেতিয়ালৈ আৰম্ভ হ'ব?

(ঙ) ইয়াৰ বাবে কিমান পুঁজি ব্যয় কৰা হ'ব?

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) হয়, অৱগত।

(খ) মাননীয় বিধায়ক সকলৰ প্ৰস্তাৱৰ ভিত্তিত জিলা উপায়ুক্ত সমূহৰ পৰা এই সম্পৰ্কে Feasibility Report বিচৰা হৈছিল। সেইমতে ৪৫ টা সমষ্টিৰ ক্ষেত্ৰত এনে প্ৰতিবেদন পোৱা হৈছে। সম্পূৰ্ণ প্ৰতিবেদন পোৱাৰ পিচত এই সম্বন্ধে ৩১ মাৰ্চ, ২০১০ ৰ ভিতৰত সিদ্ধান্ত লোৱা হব।

(গ) 'খ' ত কোৱা হৈছে।

(ঘ) আৰু (ঙ) স্থান নিৰ্বাচন চূড়ান্ত কৰাৰ পিছত কাম আৰম্ভ কৰা হব। আশা কৰা হৈছে যে মে বা জুন, ২০১০ ৰ ভিতৰত এই কাম আৰম্ভ কৰিব পৰা যাব। পুঁজিৰ ব্যয়ৰ পৰিমাণ তালিকা সম্পূৰ্ণ কৰাৰ পিছতহে কব পৰা যাব।

বিষয় ঃ-চাহ বাগিচাৰ শ্ৰমিকৰ সন্তানক ইমুনাইজেচন।

শ্ৰীদুৰ্গা ভূমিজে সুধিছে ঃ

১৪২। **মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ**

(ক) ২০০৭-০৮ আৰু ০৯ বৰ্ষত টি. বি. অথবা কৰ্কট ৰোগৰ চিকিৎসা শিতানত কিমান টকা মঞ্জুৰী পাইছিল ? ইয়াৰে কিমানজন ৰোগীক চিকিৎসাৰ বাবে সুব্যৱস্থা অথবা বিত্তীয় সাহায্য প্ৰদান কৰা হৈছিল ? (নামৰ তালিকা সহ তথ্য জমা দিব)

(খ) কৰ্কট ৰোগগ্ৰস্থ সকলে বিত্তীয় সাহায্য পাবৰ বাবে বিভাগীয় কি নীতি নিৰ্দ্দেশনা আছে জনাবনে ?

ডঃ হিমন্ত বিশ্ব শৰ্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ২০০৭-০৮ আৰু ২০০৮০৯ বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা Revised National Tubercolosis Control Programme (RNTCP) শিতানত অনুদান পোৱা পুঁজিৰ পৰিমাণ-

২০০৭-০৮ - ৪৫০.০০ লাখ

২০০৮-০৯ - ৪৮৫.০০ লাখ

কৰ্কট ৰোগৰ বাবে অসম চৰকাৰৰ পৰা বি বৰুৱা কেন্সাৰ চিকিৎসা কেন্দ্ৰলৈ দিয়া অনুদানৰ পৰিমাণ-

২০০৭-০৮ - ১৮১.০৪ লাখ

২০০৯-১০ - ২২২.৫৬ লাখ

তদুপৰি কাছাৰ জিলাৰ শিলচৰত থকা বেচৰকাৰী কৰ্কট চিকিৎসালয়কো অসম চৰকাৰৰ পৰা বিত্তীয় অনুদান দিয়া হয়। যোৱা দুই বছৰত দিয়া অনুদান এনেধৰণৰঃ-

২০০৭-০৮ - ৫০.০০ লাখ

২০০৮-০৯ - ৫০.০০ লাখ

উক্ত সময়চোৱাত বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰা ৰোগীৰ সংখ্যা এনেধৰণৰ-

২০০৭- - ৩৬,৭৬৬ জন

২০০৮- - ৩৮,৩০০ জন

২০০৯- - ৩৯,৯২৬ জন

উল্লেখ কৰা হয় যে যক্ষ্মা আৰু কৰ্কট ৰোগী সকলক বিত্তীয় সাহায্য দিয়া নহয় যদিও সকলো যক্ষ্মা ৰোগী আৰু দুখীয়া কৰ্কট ৰোগী সকলক বিনামূলয়াকৈ চিকিৎসা প্ৰদান কৰা হয়।

বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰা কৰ্কট ৰোগীৰ সংখ্যা এনেধৰণৰ ঃ-

২০০৭-০৮ - ১৫৮৯ জন

২০০৮-০৯ - ১৭০৫ জন

উল্লেখ কৰা হয় যে অসমৰ তিনিখন চিকিৎসা মহাবিদ্যালয়, বি. বৰুৱা কৰ্কট প্ৰতিষ্ঠান আৰু শিলচৰৰ বেচৰকাৰী কেন্সাৰ চিকিৎসালয়ত ২০০৮ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা প্ৰৱৰ্তন কৰা বিনামূলীয়া কেমোথেৰাপী ঔষধ উপলব্ধ কৰা হৈছে। এনেধৰণৰ ঔষধ ক্ৰয় কৰাৰ বাবে ২০০৭-০৮ চনৰ পৰা ২০০৯-১০ চনলৈ মুঠ ১২.৫৬ কোটি টকা অসম চৰকাৰৰ স্বাস্থ্য সঞ্চালকালয়ক দিয়া হৈছে।

অসমত বাস কৰা কৰ্কট ৰোগীয়ে তলত দিয়া ধৰণে কেমোথেৰাপী ঔষধৰ সুবিধা পাইছে-

২০০৮-০৯ - ৭৩২৩ পালি ঔষধ

২০০৯-১০ - ৬৭৪৩ পালি ঔষধ

(খ) বিনামূলীয়া কৈ কৰ্কট ৰোগৰ চিকিৎসা পাবলৈ হলে (১) ৰোগীজনৰ নাম BPL তালিকাত থাকিব লাগিব, (২) সংশ্লিষ্ট চক্ৰ বিষয়াৰ পৰা বাৰ্ষিক উপাৰ্জনৰ প্ৰমাণ পত্ৰ দিব লাগিব।

বিষয় ঃ-মডেল হস্পিতাল।

শ্ৰীশম্ভু সিং মালাহে সুধিছে ঃ

১৪৩। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত প্ৰতিটি সমষ্টিত এখন মডেল হস্পিতাল দিয়াৰ কথা আছিল আৰু তাৰ বাবে চৰকাৰে কিমান পুঁজিমোকলাই দিছে?

(খ) ৰাতাবাড়ী সমষ্টিত কোন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰক মডেল হস্পিতাল কৰাৰ বাবে চৰকাৰে Decision লৈছে, তাৰ বাবে কিমান ধন মোকলাই দিয়া হৈছে আৰু কাম কেতিয়ালৈকে আৰম্ভ কৰা হব?

ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্রী) য়ে উত্তৰ দিছেঃ

(ক) প্রতি সমষ্টিত এখন মডেল হস্পিতাল স্থাপন কৰা হব। স্থান নির্বাচনৰ সিদ্ধান্ত লোৱা হোৱা নাই বাবে বর্তমান পূঁজি মোকলাই দিয়াৰ প্রশ্ন নুঠে।

(খ) উপায়ুক্তৰ পৰা প্রতিবেদন পোৱা হৈছে যদিও সিদ্ধান্ত লোৱা হোৱা নাই, সেয়েহে ধন মোকলাই দিয়া সম্পর্কে বর্তমান প্রশ্ন নুঠে। মে' বা জুন, ২০১০ ৰ পৰা কাম আৰম্ভ কৰিব পৰা যাব।

(Mr. Speaker vacated the chair and Madam Deputy Speaker occupied the chair.)

MISCELLANEOUS

***শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মই অতি দুখেৰে সদনক জনাব বিচাৰিছো যে ইং ৪/৩/২০১০ তাৰিখে সদনৰ কার্য্যক্রমনিকাৰ মহামান্য ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত বিশৃঙ্খল পৰিস্থিতিৰ সৃষ্টি হোৱাৰ পৰিপেক্ষিতত আজি ইং ৫/৩/২০১০ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ে আহি থাকোতে বিৰোধী পক্ষই পথ অৱৰোধ কৰিছে। সেয়েহে আজি সদনৰ কাম কাজ ১০ মিনিটৰ বাবে স্থগিত ৰখা হওঁক। সদনৰ কাম কাজ নিয়াৰীকৈ চলাবৰ বাবে মই বিৰোধী পক্ষৰ সহযোগিতা বিচাৰিছো।

***শ্রীপ্রনৰ কলিতা ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় বন বিভাগৰ মন্ত্রী ডাঙৰীয়াই সদনক জনোৱাৰ লগতে মইও আপোনাৰ জৰিয়তে সদনৰ দৃষ্টি গোচৰ কৰিছো যে যোৱা কালিয়েই নহয়, সদন ২ মার্চ তাৰিখৰ পৰা আৰম্ভ হৈছে, ৩ আৰু ৪ মার্চ তাৰিখেও সদনত আলোচনা হৈছে। বৰ পৰিতাপৰ কথা যে এই আলোচনা ব্যক্তিগত খণ্ড যুদ্ধলৈ পৰিবর্ত্তিত হৈ বিতর্কিত হ'ল। বাতৰি কাকত আৰু ইলেক্ট্রনিক মাধ্যম যোগে এই বিষয়টো সমগ্র ভাৰতবর্ষই জানিব পাৰিছে। এইটো বৰ দুর্ভাগ্যজনক। সেয়েহে মই আপোনাৰ জৰিয়তে বিৰোধী পক্ষ অনুপস্থিত যদিও বিধান সভাৰ কাম কাজত সকলোকে

** Speech not Corrected*

সহায় কৰিবলৈ অনুৰোধ কৰিবলৈ বাধ্য হৈছো। এই ঘটনাই বিগত ৯ বছৰৰ অভিলেখ ভঙ্গ কৰিছে। এই ক্ষেত্ৰত কঠোৰ দৃষ্টি লৈ আপুনি কি পৰামৰ্শ আগবঢ়াই তাৰ বাবে অপেক্ষা কৰিলো। এই ক্ষেত্ৰত সুপৰামৰ্শ আগবঢ়াবলৈ মই আপোনাক অনুৰোধ জনালো।

মাননীয়া উপাধ্যক্ষা মহোদয়া ঃ এটি ঘোষনা ——

"সদনৰ কার্য্যক্রমনিকা আজি ১০ মিনিটৰ বাবে স্থগিত ৰখা হ'ল।"

The House stood adjourned at 10-03 AM for 10 minutes.

The House reassembled at 10-15AM with Hon'ble Deputy speaker in the chair.

শ্রীৰকিবুল হুছেইন (মন্ত্রী)ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, আমি আগতে ১০ মিনিট সময় সদন স্থগিত প্রস্তাৱ ৰাখিছিলো, পুনৰ আধা ঘণ্টাৰ কাৰণে সদন স্থগিত ৰাখিবৰ বাবে মাননীয়া উপাধ্যক্ষাৰ পৰা অনুমতি বিছাৰিছো।

মাননীয়া উপাধ্যক্ষা ঃ মাননীয় সদস্য সকলৰ সন্মতি আছেনে?

(সদনৰ সদস্য সকলে সন্মতি প্রকাশ কৰে)

পুনৰ আধা ঘণ্টাৰ বাবে সদন স্থগিত ৰখা হ'ল।

The House then stood adjourned at 10-15AM for another 30 minutes.

The House reassembled at 10-45 AM with Hon'ble Speaker, Shri Tanka Bahadur Rai in the Chair.

(Madam Deputy Speaker vacated the chair and Mr. Speaker occupied the chair.)

RULING FROM THE CHAIR

মাননীয় অধ্যক্ষ ঃ- মাননীয় সদস্য-সদস্যা সকল।

কালি ৪-৩-২০১০ তাৰিখে সদনৰ কার্য্যসূচী অন্ত পৰাৰ পিচত মাননীয় সদস্য সকল অসম গণ পৰিষদ দলৰ শ্রী চন্দ্র মোহন পাটোৱাৰী, এই ইউ-ডি-এফ ৰ শ্রীচিৰাজুদ্দিন

আজমল, চি-পি-আইৰ, শ্রীদ্রুপদ বৰগোহাঁই, চি-পি-আই-এমৰ শ্রীউদ্ধৱ বৰ্মন, বি-জে-পিৰ শ্রী মিশ্বন ৰঞ্জন দাস, নির্দ্দলীয় সদস্য শ্রী ভূৱন পেগু আৰু এ-এছ-দি-চিৰ শ্রীজগত সিং ইংতিৰ পৰা অসম বিধান সভাৰ বিৰোধী দলৰ দলপতিৰ কক্ষত অনুষ্ঠিত হোৱা বিৰোধী দল সমূহৰ সভাই সর্বসন্মতক্রমে গ্রহণ কৰা এটা প্রস্তাৱ পাওঁ। প্রস্তাৱটোৰ জৰিয়তে কালি বিধান সভাৰ মজিয়াত মহামান্য ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্রস্তাৱৰ ওপৰত হোৱা বিতর্কত মাননীয় সদস্য শ্রীপ্রফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই অংশ গ্রহণ কৰি ভাষণ দি থকা অৱস্থাত মাননীয় মহন্ত ডাঙৰীয়া আৰু মাননীয় স্বাস্থ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাৰ মাজত হোৱা কথা কটা কটিৰ মাজত ব্যৱহাৰ হোৱা অসংসদীয় বাক্য কার্য্য বিৱৰণীৰ পৰা প্রত্যাহাৰ কৰিবলৈ অধ্যক্ষই কোনো পদক্ষেপ গ্রহণ নকৰা বুলি আৰু অধ্যক্ষই বিৰোধী দল সমূহৰ সদস্য সকলৰ অধিকাৰ, মর্য্যদা আৰু নিৰাপত্তাৰ ক্ষেত্রত ৰক্ষণাবেক্ষণ দিয়াত ব্যর্থ হোৱা বুলি অভিযোগ উত্থাপন কৰে।

এই সন্দর্ভত মই সদনৰ মাননীয় সদস্য-সদস্যা সকলৰ জ্ঞাতার্থে অৱগত কৰিব খোজো যে, অতি হুলস্থুলীয়া এক পৰিবেশত কোনে কি কৈছে অধ্যক্ষৰ আসনৰ পৰা স্পষ্টকৈ শুনিবলৈ নোপোৱাৰ বাবে তৎকালে সিদ্ধান্ত লৈ কোনটো অসংসদীয় আৰু কোনটো সংসদীয় বাক্য তাৰ সিদ্ধান্ত লৈ কার্য্যবিৱৰণীৰ পৰা প্রত্যাহাৰ কৰাটো সম্ভৱ নহ'ল। উল্লেখ কৰিব পাৰি যে, সদনৰ মাননীয় নেতা তথা মাননীয় মুখ্যমন্ত্রী মহোদয়েও উক্ত হুলস্থুলীয়া পৰিবেশৰ কথাৰ কটাকটিৰ কালত ব্যৱহাৰ কৰা সকলো অসংসদীয় বাক্য প্রত্যাহাৰ কৰিবলৈ এই বুলি আহ্বান জনাইছিল- "মই সকলোকে ৰিকুয়েষ্ট কৰিবলৈ উঠিছিলো। তেখেতসকলে ধৈর্য্য ধৰি শুনিলে ভাল আছিল। যিয়ে আন পার্লিয়ামেন্টৰী কথা কৈছে এক্সপান্জ কৰিব লাগে। মই কাৰো নাম কোৱা নাই, এ বি চি ডি। ডিচকাশ্যন হওঁক। আমিও উত্তৰ দিম। মই ভাবো যে কোনো ফালৰ পৰা প্রভোকেশ্যন হব নেলাগে।"

বিৰোধী দলৰ মাননীয় সদস্যসকলৰ পৰা লিখিত অভিযোগ পাই মই সদনৰ কার্য বিৱণীৰ প্রতিলিপি পঢ়ি চালো আৰু অসংসদীয় বুলি বিবেচিত হোৱা বাক্যাংশ কালি ৪-৩-২০১০ তাৰিখৰ কার্য্যবিৱৰণীৰ পৰা প্রত্যাহাৰ কৰা হ'ল বুলি ঘোষণা কৰিলো। সেই মর্মে "এনেকৈ কলে পৰিস্থিতি বিষম হব, চাই থাকিব।"

কার্য্যবিৱৰণীৰ পৰা প্ৰত্যাহাৰ কৰা হ'ল।

আশাকৰো মাননীয় সদনৰ ইয়াত অনুমোদন আছে আৰু বিষয়টোৰ ইমানতে অন্ত পৰিব। শাসকীয় আৰু বিৰোধী উভয় পক্ষৰ মাননীয় সদস্য-সদস্যা সকলে প্ৰচলিত সংসদীয় বিধি ব্যৱস্থাৰ মাজেৰে গণতান্ত্ৰিক মৰ্য্যাদা ৰক্ষা কৰি পবিত্ৰ সদনৰ কাম কাজ চলাই নিয়াত মোক সম্পূৰ্ণৰূপে সহায় আগবঢ়াবলৈ সকলোৰে প্ৰতি অনুৰোধ জনালো।

অলপ আগতে মোৰ কনফাৰেন্স ৰুমত আমাৰ এখন সৰ্বদলীয় সভা অনুষ্ঠিত হৈছিল। তাত সৰ্বসম্মত ক্ৰমে সিদ্ধান্ত লোৱা হৈছে যে কোনো এজন মাননীয় সদস্যই বক্তব্য ৰাখোতে আন এজন মাননীয় সদস্যই হস্তক্ষেপ কৰিব নেলাগে। যদি কিবা কবলগীয়া থাকে পিচত পইন্ট অৱ অৰ্ডাৰ আনি মোৰ এটেনচন ড্ৰ কৰিব পাৰিব। মই সকলো মাননীয় সদস্যকে সদলত মাৰ্জিত ভাবে বক্তব্য ৰাখিবলৈ অনুৰোদ জনাইছো আৰু ৰুলচ্ এণ্ড প্ৰচিডিঅৰ মানি চলিবলৈ অনুৰোধ জনাইছো। লগতে মই সকলো মাননীয় সদস্যক সদন-চলাই নিয়াত মোক সহায় কৰাৰ কাৰণে অনুৰোধ জনাইছো।

DISCUSSION ON ZERO HOUR MATTER

মাননীয় অধ্যক্ষ ঃ এতিয়া জিৰো আৱাৰ। তলত উল্লেখ কৰা মাননীয় সদস্য সকলৰ পৰা সৰ্বমুঠ ৬ খন শুণ্যকালীন জাননী পাইছো। ১। শ্ৰীভূপেন বৰা, ২। শ্ৰীআব্দুল খালেক, ৩। শ্ৰীৰাজীৱ লোচন পেগু, ৪। শ্ৰীপ্ৰদীপ হাজৰিকা, ৫। মোঃ মহিবুল হক, উক্ত জাননী সমূহৰ পৰা নিয়মানুসৰি মই ৩ খন শূণ্যকালীন ঘন্টাৰ জাননী উপস্থাপন কৰিবলৈ অনুমতি প্ৰদান কৰিলোঁ। এতিয়া মই মাননীয় সদস্য মোঃ মহিবুল হকক ইং ২৪-২-২০১০ তাৰিখৰ "অসমীয়া বাতৰি" কাকতত প্ৰকাশিত 'গুৱাহাটীক কেন্দ্ৰ কৰি গঢ়ি উঠিছে ড্ৰাগছৰ এখন বিশাল আন্তঃৰাষ্ট্ৰীয় বজাৰ।' শীৰ্ষক বিষয়টো উৎথাপন কৰিবলৈ অনুৰোধ কৰিলো।

মোঃ মুহিবুল হক ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই ২৪-২-২০১০ তাৰিখৰ 'অসমীয়া প্ৰতিদিন' বাতৰি কাকতত প্ৰকাশিত "গুৱাহাটীক কেন্দ্ৰ কৰি গঢ়ি উঠিছে ড্ৰাগছৰ

এখন বিশাল আন্তঃৰাষ্ট্ৰীয় বজাৰ।" শীৰ্ষক বাতৰিটো মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। আজি প্ৰশ্নত্তোৰ কালত এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন কৰা হৈছিল আৰু যোৱা পৰহিও গুৱাহাটীত অপৰাধজনিত ঘটনাবৃদ্ধি পোৱা বুলি প্ৰকাশ হোৱা এটা বাতৰিৰ কথা উত্থাপন কৰিছিলো। আজি আমাৰ ৰাজধানী গুৱাহাটী মহানগৰীত এখন বিশাল আন্তঃৰাষ্ট্ৰীয় বজাৰ গঢ় লৈ উঠিছে বুলি প্ৰতিদিন কাকতত এটা বাতৰি উপস্থাপন কৰিছে যিটো বাতৰি আমাৰ অসম ৰাজ্যখনৰ কাৰণে এটা উদ্বেগজনক বিষয় হৈ পৰিছে। আজি ইয়াত মদ, ভাং, গাজা, কানি, হিৰোইন আদি নিচাযুক্ত সামগ্ৰীৰ এখন বৃহত্তৰ বজাৰ গঢ়ি উঠিছে। এই বিলাকৰ উপৰিও ড্ৰাগচকে ধৰি জীৱন দায়িনী ঔষধ, নিচাযুক্ত ঔষধৰ সামগ্ৰীৰ এখন বজাৰ সমান্তৰাল ভাবে এই মহানগৰীৰত চলি আছে। আমাৰ অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ এটা আছে যদিও ইয়াত মদ, ভাং, ব্ৰাউন চুগাৰ, হিৰোইন আদি নিচাযুক্ত সামগ্ৰী ব্যাপক আৰু ভয়াবহ ভাবে বিক্ৰী হৈ আছে।

মাননীয় অধ্যক্ষ মহোদয়, আজিকালি ছাত্ৰ-ছাত্ৰী সকলক এই জীৱন দায়িনী ঔষধ বিলাকে ধ্বংশৰ পথলৈ আগুৱাই নিছে। আপুনি নিশ্চয় শুনিলে আচৰিত হব যে গৰ্ভৱতী মহিলা সকলেও এনেকুৱা ঔষধ ব্যৱহাৰ কৰি আছে। কিছুমান কাফ চিৰাপ আছে ফেঞ্চিদাইল আদি এই যুৱক যুৱতিসকলে আজি কালি সেৱন কৰি আছে। কোনো ডাক্তৰৰ প্ৰেচক্ৰিপশ্যন নোহোৱাকৈ ফামচী বিলাকে এই দৰৱ দিয়ে। এই ফামচী বিলাকে এনেকৈয়ে চলি আছে।গতিকে সমাজত কি চলি আছে সেইটো সহজে অনুমান কৰিব পাৰি। ড্ৰাগচ সেৱন কৰাৰ বাবে মাক দেউতাক সকলো উপায়হীন হৈ পৰিছে। আজি কালি ল'ৰা ছোৱালীবিলাকে ডেনড্ৰাইট খায়। এবাৰ মোৰ সমষ্টি গৌৰীপুৰ তথা ধুবুৰী জিলাত তালাচী কৰা হৈছিল, তেতিয়া এই ফামচী বিলাকে বিক্ৰী কৰাত ধৰা পৰিছিল। মই এইখিনিতে এটা বাস্তৱ ঘটনাৰ প্ৰতি মাননীয় অধ্যক্ষ মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। ফামচী নহয় আজিকালি সৰু সৰু পান দোকান বিলাকেও এই ঔষধ বিলাক বিক্ৰী কৰে। আজি এই ড্ৰাগচ গুৱাহাটী মহানগৰীক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে।

এই ক্ষেত্রত স্বাস্থ্য বিভাগে উচিৎ ব্যৱস্থা হাতত লব বুলি আশা কৰিলো । আৰক্ষী বিভাগৰ অনুসন্ধান শাখা যিটো আছে এই অনুসন্ধান শাখাই বিভিন্ন ঠাইত ৰেইদ কৰি বহুত মানুহক কৰায়ত্ব কৰিছে। হিৰোইন গাজা বহুত জব্দ কৰিছে। কিন্তু আমি আশ্বস্থ প্রকাশ কৰিছো আশা কৰামতে অনুসন্ধান সস্থাবোৰে কাম কৰিবলৈ সফল হোৱা নাই। গতিকে নতুন প্রজন্মক ৰক্ষা কৰিবলৈ চৰকাৰে আৰু অধিক আইন প্রয়োগ কৰাৰ দৰ্কাৰ। কাৰণ অকল পিতৃ-মাতৃয়ে তেওঁলোকৰ লৰা ছোৱালীক অকলেই ইয়াৰ পৰা ৰক্ষা কৰা সম্ভৱ নহয়। সেই কাৰণে মন্ত্রী মহোদয়ে বলিষ্ঠ পদক্ষেপ লব বুলি আশা কৰিলো।

*** ডঃ হিমন্ত বিশ্ব শর্মা (স্বাস্থ্য মন্ত্রী)** ঃ-মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্রী মহিবুল হক ডাঙৰীয়াই আজি যিটো বিষয় সদনত উৎথাপন কৰিছে সেইটো সময়োপযোগী হৈছে তাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। আজি আমি দেখিবলৈ পাইছো ফাৰ্মাচী বিলাকে ডাক্তৰে প্রেচক্রিপচনত নিদিয়া দৰব বিলাকো বিক্রী কৰা আমি শুনিছো। আনকি বহুত ক্ষেত্রত দেখিছো ডাক্তৰৰ পঞ্জীয়ন নম্বৰ সহ চিল বনাই ঔষধ বিক্রী কৰা গম পাইছো। গতিকে মাননীয় সদস্য শ্রীমহিবুল হক ডাঙৰীয়াই বিষয়টো সদনৰ মজিয়াত উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাইছো। অসম চৰকাৰৰ চিআইডি বিভাগে সময়ে সময়ে ৰেইদ কৰি বহুত অসাধু ব্যৱসায়ীক বা অসাধু ব্যৱসায় জব্দ কৰিছে। চৰকাৰ এইখিনিতে যে সন্তুষ্ট হৈছে এনে নহয়। চৰকাৰৰ আৰু অধিক কৰাৰ প্রয়োজন আছে। মই স্বাস্থ্য মন্ত্রী হিচাবে সকলো জিলাৰ নির্দিষ্ট বিষয়ালৈ চিঠি লিখিম যাতে জিলা পর্য্যায়ত একোটা টাস্কফোর্চ কৰি ৰেগুলাৰ ৰেইদ কৰাৰ ব্যৱস্থা কৰে। একোখন ফাৰ্মাচীয়ে দিনটোত বহুতধৰণৰ ঔষধ বিক্রী কৰে তাৰ ভিতৰত ইৰেগুলাৰিটিও বহুত কৰে । আমি এতিয়া নির্দ্দেশ দিম যে জিলা পর্য্যায়ত টাস্কফোর্চ কৰি তাত আমাৰ সহকাৰী এজন ড্রাগ ইন্সপেক্টৰো থাকিব। তেওঁলোকে ৰেগুলাৰ ৰেইদ কৰিলে বহুত চোৰাং বিক্রী ৰোধ কৰিব পাৰিব। মই মাননীয় মুখ্যমন্ত্রী মহোদয়কো অনুৰোধ কৰিম যাতে তেখেতেও যাতে জিলা অধীক্ষকক নির্দ্দেশ দিয়ে যাতে এই ব্যৱস্থা অতি সোনকালে কার্য্যকৰী কৰে। মই মোৰ চিঠিখন বিধান সভাৰ অধিবেশনতে প্রেৰণ কৰিম আৰু তাৰ প্রতিলিপি একোটা মাননীয় সদস্য

** Speech not Corrected*

সকলক দিম। কাৰণ মাননীয় সদস্য সকলে বিভিন্ন মঞ্চত আৰক্ষী অধীক্ষকক সঘনাই লগ পাই থাকে। আমাৰ লগতে তেখেত সকলেও আৰক্ষীক প্ৰেচাৰাইজ কৰিলে সোনকালে কার্যকৰী ব্যৱস্থা হাতত লব। মই আপোনাৰ জৰিয়তে মাননীয় সদস্য সকলকো ইয়াৰ লগত জৰিত হবলৈ অনুৰোধ জনালো।

মাননীয় অধ্যক্ষ ঃ- মই এতিয়া মাননীয় সদস্য শ্রীভূপেন বৰা ডাঙৰীয়াক " Why North east should be a separate Time Zone " বাতৰিটো উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

*** শ্রীভূপেন বৰা ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই সদনত এই বিষয়টো উত্থাপন কৰিব বিছাৰিছো। আমি যেতিয়া সৰু আছিলো ঘৰত ৰেডিওত শুনিছিলো ডঃ ভূপেন হাজৰিকাই গোৱা এটি গীত য'ত তেখেতে গাইছিল অসমখন হেনো ভাৰতৰ পূব্‌দিশৰ সূর্য্য উঠা দেশ। লাহে লাহে আমি গৌৰৱ কৰিবলৈ ধৰিলো যে উত্তৰ পূৰ্ব্বাঞ্চলৰ অন্যান্য ৰাজ্যৰ তুলনাত অসম সমৃদ্ধিশালী। গতিকে এইখন সূর্য্যউঠা দেশ। মোৰ জন্ম দেউতাৰ চাকৰী সূত্রে বাগানত আছিল। সৰুতে আমি ঘড়ী চাব জনা নাছিলো। বাগানত এক ঘন্টা মুৰে মুৰে হুইচেল বজায় অর্থাৎ ৭ বজাৰ কামৰ কাৰণে ৬ বজাত হুইচেল। ইয়াৰ কাৰণ হ'ল সূর্য্য যিহেতু উত্তৰপূবত আগতে উদয় হয় গতিকে শ্রমিক সকলে আগতেই শোৱা পাতিএৰি অন্য ঘৰুৱা কাম বিলাক কৰি বাগানৰ কামৰ কাৰণে ৰেডি হব পাৰে। আজি কালি মাৰে নে নাজানো।

(ভইচ-আজিকালি নামাৰে)

মই এতিয়াও ৬ বজাৰ আগতে শোৱাপাতি এৰো। মই জাহু বৰুৱাৰ এখন কিতাপ পঢ়িছিলো। তাত কামৰ পৰিসৰ এঘন্টা আগলৈ আনিবলৈ পৰামর্শ দিছিল । আমাৰ এতিয়া কার্য্যালয় বা স্কুল কলেজৰ সময় দিনৰ ১০ বজাৰ পৰা । আমাৰ দেশত যিহেতু সূর্য্যৰ পোহৰ আগতে পৰে। কামত ওলোৱাৰ আগতে আমি যথেষ্ঠ সময় পাঁও ঘৰৰ অন্য কাম কৰি কার্য্যালয়ত বা স্কুলত যাবৰ কাৰণে।

** Speech not Corrected*

—— আমি গাঁওত থাকো। গতিকে দেখা পাঁও গাঁৱৰ কৃষক সকলে পুৱা ৫/৬ টা বজাতে শোৱাৰ পৰা উঠে, দুই তিনি কিলোমিটাৰ চাইকেল মাৰি কামলৈ যায়। চহৰত থকা মানুহ খিনিয়ে ৬ টাত উঠি নটা বজালৈকে কি কৰি থাকে? মোৰ এজন চাৰৰ কথা কওঁ, অভিযোগ নহয়, তেখেতে শ্রেণীলৈ গৈ টোপনি মাৰি থাকে, কাৰণ তেখেতে স্কুললৈ যোৱাৰ আগতে পথাৰত হাল মাৰি যায় বা আন কাম কৰি যায়। সেই কাৰণে এই কথা মই কব লগা হৈছে। মই বহুত কথা কৈছো আৰু কম। আপোনালোকে যিমান কব পাৰে কব। মই সেই কাৰণে কব বিচাৰিছো " Extra electricity use Per house Per day for two hours." এই কথাটোত অসমৰ উত্তৰ পূৰ্বাঞ্চলৰ কথা ওলাইছে। জাহ্নু বৰুৱাই বক্তিগত ভাবে এটা তথ্য দিছে যে ৪.৩০ টা বজাত কাম কাজ আৰম্ভ কৰি খেতিয়ক সকল ৬ টা বজাত হাললৈ গৈ ৭ টা বজাত ঘূৰি আহে। আমি আশা কৰিছোঁ এই সিদ্ধান্তই আৰ্থিক ক্ষেত্রত আমাক কিছু লাভবান কৰিব। আমাক এই খিনি কবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ দিছোঁ আৰু মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

ডঃ হিমন্ত বিশ্ব শর্মা (মন্ত্রী) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ বক্তব্যৰ বাবে ধন্যবাদ জনাইছোঁ আৰু জাহ্নু বৰুৱা ডাঙৰীয়াই বিষয়টো অৱতাৰণা কৰি তোলাত ভূপেন বৰা ডাঙৰীয়াই বিষয়টো সদনৰ মজিয়ালৈ আনি আলোচনা কৰাৰ সুবিধা দিয়াত ধন্যবাদ জনাইছোঁ। তেখেতে এটা গুৰুত্বপূর্ণ কথা উল্লেখ কৰিছে, এলাহাবাদ আৰু গুৱাহাটীৰ সময়ৰ অগা পিছাৰ কথা কৈছে। এলাহাবাদতকৈ গুৱাহাটীত আগতে সূর্য্যোদয় হয়। আমাৰ ইয়াত ১০ টাৰ পৰা ৫ টালৈ কাম কৰি ঘূৰি যাওঁতে দে লাইট নাথাকে, কিন্তু দিল্লী বা বম্বেত বাহিৰত দিন হৈ থাকে।

মাননীয় অধ্যক্ষ মহোদয়, ৰছৰ ধৰি আমাৰ উত্তৰপূব অঞ্চলত আমি দুঘন্টা সময় লাইট বেছি জ্বলাব লগীয়া হয়। আমাৰ উত্তৰ পূব অঞ্চলত পুৱা সোনকালে হয় যদিও বিছনাত এনেয়ে পৰি থাকি সেই সময় খিনি অপব্যৱহাৰ কৰা হয়। আমি যেতিয়া বেঙ্গলোৰত যাওঁ তাত পঢ়ি থকা লৰা ছোৱালী বিলাকে বা অফিছত কাম কৰা মানুহ খিনিয়ে অফিছৰ পৰা গৈ বজাৰ আদি কৰিবলৈ সময় পায় আৰু লৰা-ছোৱালী খিনিযেও কামেও দুঘন্টা

সময় জিৰণি লবলৈ সময় পায়। কিন্তু আমাৰ ইয়াত দেখিছো অফিছৰ পৰা ঘুৰি ঘৰলৈ যাওতে যথেষ্ট ভাৰাক্রান্ত হৈ যায়। লৰা-ছোৱালী বিলাকো যথেষ্ট ভাগৰুৱা হৈ থাকে। দুঘন্টা সময় এনেয়ে অপব্যৱহাৰ কৰে বা হয়। শ্রীজাহ্নু বৰুৱা ডাঙৰীয়াই এই বিষয়টো ডাঙি ধৰিছে আৰু এই ক্ষেত্রত পৰামর্শও দিছে আৰু ভূপেন বৰা ডাঙৰীয়াইও এই বিষয়টো সদনলৈ আনি বক্তব্য ৰাখিছে আৰু আমাকো কোৱাৰ সুযোগ দিছে, তাৰ কাৰণে এই সকলক ধন্যবাদ দিম। এতিয়া আমি কি কৰিছো, সীমামুৰীয়া ৰাষ্ট্রবিলাক ভাৰত বা বিদেশৰ বহু ৰাজ্যই তেওঁলোকৰ নিজা নিজা Standard time follow কৰে। It is a Scientific method। বিজ্ঞান আৰু প্রযুক্তি বিজ্ঞান আৰু একতাৰ ক্ষেত্রত যি তাৰতম্য ঘটিছে সেইখিনি আলোচনা কৰিবলৈ আমি অহা এপ্রিল মাহত আমাৰ অসমতে বহি সকলো ৰাজ্যৰ অর্থাৎ উত্তৰ পূব অঞ্চলৰ মুৰব্বী সকলক লৈ 'দে লং' চেমিনাৰ কৰিব খুজিছো আৰু তেখেতসকলক অসম ৰাজ্যত আলোচনা কৰাৰ কাৰণে অনুৰোধ জনাইছো। আমি আশা ৰাখিছো যাতে সেই চেমিনাৰত এটা প্রস্তাৱ লৈ ভাৰত চৰকাৰলৈ পঠাম। ভূপেন বৰা আৰু জাহ্নু বৰুৱা দেৱক ধন্যবাদ জনাইছো, অহা এপ্রিল মাহৰ পৰাই ব্যৱস্থা লম। পিছৰ ৬ মাহত ৰাজ্যিক সদনত জনাম।

মাননীয় অধ্যক্ষ ঃ- এতিয়া ৰাজীৱ লোচন পেগুক কবলৈ অনুৰোধ জনাইছো।

শ্রীৰাজীৱ লোচন পেগু ঃ- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ৫/২/১০ ইং তাৰিখৰ দৈনিক জনমভূমিত এটা গুৰুত্বপূর্ণ বিষয় প্রকাশ কৰিছে। ব্রহ্মপুত্রই গ্রাস কৰিলে অসমৰ প্রায় চাৰি বর্গ কিলোমিটাৰ মাটি। এইটো এটা গুৰুত্বপূর্ণ বিষয়। মাননীয় মন্ত্রী মহোদয় গুৰুত্বপূর্ণ বিষয়টো মোক আলোচনা কৰিবলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। চাৰ, অসমৰ মুঠ মাটিকালি ৭৮ হাজাৰ বর্গ কিলোমিটাৰ। বছৰি ৮০ বর্গ কিলোমিটাৰ যদি ব্রহ্মপুত্রৰ খহনীয়াৰ ফলত জাহ যায় ই অসমৰ কাৰণে এটা ডাঙৰ ভাবুকি। তাৰোপৰি গাই নদী, জীয়াধল, সোৱণশিৰি ৰঙানদী আদি নদীবোৰেও বহু মাটি মৰুভূমি বালি চৰলৈ পৰিণত কৰি আহিছে। গতিকে দীর্ঘম্যাদী আঁচনিৰে যদি ব্রহ্মপুত্র নদীখনক নিয়ন্ত্রণ নকৰে বিজ্ঞানসন্মত দৃষ্টিভঙ্গী যদি আজিয়ে আমি নলও তেতিয়াহলে

এক ভয়ঙ্কৰ পৰিস্থিতিৰ সন্মুখীন অসমৰ ৰাইজে কৰিব লাগিব। অসম চৰকাৰে নতুন টেকনলজীৰে এই বিষয়টো চিন্তা চৰ্চা কৰক তাৰ বাবে ইয়াৰ যোগেদি মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিলো।

(আজি ৫-৩-১০ তাৰিখে বিয়লি ৩ বজাত মধ্যাহ্ন ভোজনৰ অন্তত পুনৰ বিধান সভা আৰম্ভ হয়)

শ্রীপৃথিবী মাঝী (মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্রীৰাজীব লোচন পেগু ডাঙৰীয়াৰ শূণ্য কালীন ঘন্টাৰ দৈনিক জনমভূমিৰ প্রকাশিত বাতৰিৰ ওপৰত মই সদনত উত্তৰ দিবলৈ বিচাৰিছো। সময়ৰ প্রতি লক্ষ্য কৰি চমুকৈ এই সদনত মই উত্তৰ দিবলৈ বিচাৰিছো, আমাৰ ব্রহ্মপুত্র নদী আমাৰ ৰাজ্যখনৰ মুঠ ভৌগলিক অংশৰ ৩,৮৬০ বর্গ কিঃ মিঃ ইতিমধ্যে গ্রাস কৰিছে। এই ব্রহ্মপুত্র নদীখন হৈছে পৃথিবীৰ ৫ ম বৃহৎ নদী। এই নদীখনৰ মুঠ অৱবাহিকা ৫,৮০,০০০ বর্গ কিঃ মিঃ, ইয়াৰে তিব্বতৰ অৱবাহিকা ২,৯৩,০০০ বর্গ কিঃ মিঃ, ভাৰত-ভুটান ২,৪০,০০০ বর্গ কিঃ মিঃ, আৰু বাংলা দেশৰ অৱবাহিকা ৪৭,০০০ বর্গ কিঃ মিঃ। ব্রহ্মপুত্র নদী বহল ৬ কিঃ মিঃ পৰা ১০ কিঃ মিঃত কৈ অধিক। ইয়াৰ দৈর্ঘ্য হৈছে ২৯০৬ কিঃ মিঃ ইয়াৰে তিব্বতত ১,৬২৫ কিঃ মিঃ, ভাৰতত ৯১৮ কিঃ মিঃ অসমত ৬৪০ কিঃ মিঃ। ১৯৫০ চনত যি ভূমিকম্প হৈছিল তাৰ পিচত খহনীয়া আৰম্ভ হয়। ১৮৯৭ চনতো ভূমিকম্প হৈছিল প্রবল ভাবে যদিও ১৯৫০ চনৰ বৰ ভূমিকম্প হোৱাৰ পিচত ১৯৫৪ চনৰ পৰা খহনীয়া হবলৈ আৰম্ভ কৰে। এই খহনীয়াৰ ফলত ব্রহ্মপুত্রৰ গর্ভ বাম হোৱাৰ কাৰণে খহনীয়া বেছিকৈ হোৱাত বহুত মাটি ব্রহ্মপুত্রত জাহ গৈছে। ১৯৫৪ চনৰ পৰা এতিয়ালৈকে আমি ব্রহ্মপুত্রৰ গড়াখহনীয়াত ৩৮৬০ বর্গ কিঃ মিঃ মাটি হেৰুৱাইছো। আমি আমাৰ ৰাজ্যৰ ৭.৪ শতাংশ মাটি হেৰুৱাইছো। লগতে আমি ২,৫৩৪ খন গাঁও হেৰুৱাইছো আৰু ৯০,৭০০ টা পৰিয়াল ইয়াৰ বাবে ক্ষতিগ্রস্থ হৈছে। আমি এইবিলাকৰ পৰা পৰিত্রান পাবৰ বাবে দীর্ঘম্যাদি ব্যৱস্থা হাতত লব লাগিব। খহনীয়াৰ ফলত ব্রহ্মপুত্রৰ তলি ৭/৮ মিটাৰ ওপৰলৈ উঠাত ইয়াৰ বহণ শক্তি কমি গৈছে। আমাৰ ইয়াত হোৱা ভূমিকম্প পাহাৰ বিলাক কটাত পাহাৰৰ পৰা খহি অহা মাটি আৰু বিশেষ কৈ আমাৰ অঞ্চলত হোৱা প্রচুৰ বৰষুণ, বৰষুণৰ লগতে অন্যান্য কাৰণো আছে। এই বিলাক কথাৰ কাৰণে এই সমস্যাটো হৈছে যদিও ইয়াক

সমাধান কৰিব লাগিব। আমি ইয়াৰ কাৰণে এটা দীৰ্ঘ ম্যাদি ব্যৱস্থা হাতত লব লাগিব। সেই কাৰণে আমাৰ প্ৰয়োজন হব ৫০/৬০ হেজাৰ কোটিতকৈ অধিক টকা কৰি। ব্ৰহ্মপুত্ৰৰ যিটো মুলধাৰা তাক ভাগ আনিব পাৰিলে, এই সমস্যা কিছু পৰিমাণে লাঘৱ হব। এই কামখিনি কৰিবৰ বাবে অন্ততঃ ১৫/২০ বছৰ সময়ৰ প্ৰয়োজন হব আৰু লগতে বহু কোটি টকাৰ দৰকাৰ হব।

আপোনালোকে নিশ্চয় জানে ঢকুৱাখানা মহকুমাত মতমৰাত আধুনিক প্ৰযুক্তিৰে যিমান মঠাউৰি নিৰ্মান কৰা হৈছে এয়ে আমাক আশাৰ ৰেঙনি আনি দিছে। তেনে ধৰণে অন্যান্য ঠাইটো মঠাউৰি নিৰ্মাণ কৰা হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, এইটো ক্ষেত্ৰত ইতিমধ্যে আমি 'অসম ষ্টেট ওৱাটাৰ ৰিচিচ কাউঞ্চিল' এখন কমিটি গঠন কৰা হৈছে। ইয়াত আমাৰ মাননীয় মুখ্যমন্ত্ৰী সভাপতি আৰু ভালে কেইজন সদস্য আছে লগতে আসাম ষ্টেট ওৱাটাৰ বৰ্ড গঠন কৰা হৈছে। এইখনৰ চেয়াৰ মেন হিচাবে থাকিব আমাৰ মুখ্য সচিব, আৰু বহুতো কাৰিকৰী জ্ঞান থকা লোকক সদস্য ৰখা হৈছে। এতিয়া আমি ভাবিছো ব্ৰহ্মপুত্ৰৰ পৰা হোৱা আমাৰ এই সমস্যা বিলাক নিয়ন্ত্ৰন কৰিব পৰা যাব। আমি ব্ৰহ্মপুত্ৰক নিয়ন্ত্ৰণ কৰিব পাৰিলে অসমৰ জনসাধাৰণৰ উপকাৰ হোৱাৰ লগতে অৰ্থনৈতিক দিশটোত আমি সকাহ পাম। এই সমস্যা বিলাক সমাধান কৰিবৰ কাৰণে আমাৰ চৰকাৰে চেষ্টা চলাই আছে আৰু ইয়াক গুৰুত্ব সহকাৰে লৈছে।

*** শ্ৰীতৰুণ গগৈ (মুখ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নৰ্থ ইষ্টত অথৰিটি গঠন কৰিবৰ কাৰণে অৰুনাচলৰ সন্মতি লাগিব। আগৰ মুখ্য মন্ত্ৰীয়ে সন্মতি দিব বুলি কৈছিল। যদি সহযোগ নকৰে আমি একো কৰিব নোৱাৰো। আমাৰ সমস্যা আছে। এই বিষয়ে বহুত আলোচনা হৈছে, দিল্লীতো এই বিষয়ে আলোচনা হৈছে। অৰবিন্দ ফুকনৰ দৰে এক্সপৰ্টিক লৈ অসমত কমিটি গঠন কৰা হৈছে। আমাৰ মূল কথা হৈছে আমাৰ সমস্যা জনাবলৈ আমাৰ অথৰিটিয়ে কেতিয়া কি কৰিব তেওঁলোকক জনাম বুলি কৈছে। আমাৰ ফালৰ পৰা আমি ভাবিছো আমি অপেক্ষা নকৰি 'ইনটাৰনেচনেল কনফাৰেন্স' পাতি কাম আৰম্ভ কৰা হব। সেইবুলি এটা দিনত নহব।

** Speech not Corrected*

CALL ATTENTION NOTICE

মাননীয় অধ্যক্ষ ঃ আইটেম নং ২। শ্রীঅনন্ত ডেকাই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ ন নিয়মৰ অধীনত ২০১০ চনৰ ১৫ ফেব্রুৱাৰী তাৰিখৰ "অসমীয়া প্রতিদিন" কাকতত প্রকাশিত "বাজেট নাই। ধন নিদিলে নলৰে ফাইল- পেঞ্চন কার্য্যালয়ত অভাৱনীয় দুর্ভোগৰ বলি অৱসৰ প্রাপ্ত কর্ম্মচাৰী।" শীর্ষক বাতৰিটোৰ প্রতি মাননীয় মুখ্য মন্ত্রীৰ মনোযোগ আকর্ষণ কৰিব।

শ্রীঅনন্ত ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০১০ চনৰ ১৫ ফেব্রুৱাৰী তাৰিখৰ "অসমীয়া প্রতিদিন" কাকতত প্রকাশিত বাজেট নাই শীর্ষক বাতৰিটো মই মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। অৱসৰপ্রাপ্ত বিষয়া, কর্ম্মচাৰী সকলৰ পেঞ্চনৰ কাম বিলাক যিমান সোনকালে পৰা যায় কৰাটো উচিত। বিভিন্ন ক্ষেত্রত বিভিন্ন নির্দেশনা জাৰি কৰিছে। ৩ মাহৰ ভিতৰত পেঞ্চনৰ কামবিলাক সমাধা কৰি দিব লাগে। যদি কোনোবাই কামত গাফিলতি কৰে বা হাৰাশাস্তি কৰে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমাৰ মাননীয় মুখ্য মন্ত্রী ডাঙৰীয়াইও হাৰাশাস্তি কৰা সকলৰ ওপৰত ব্যৱস্থা লোৱা কথাটো উল্লেখ কৰিছে। কিন্তু আমি দেখিছো বিভাগীয় নীতি নির্দেশনাক ভ্রূক্ষেপ কৰা দেখা নাযায়। পেঞ্চন বিভাগ আৰু পেঞ্চন সঞ্চালকালয়ত যি সকল বিষয়া আৰু কর্মচাৰী আছে তেওঁলোকে বিভিন্ন সময়ত বিভিন্ন ধৰণে হাৰাশাস্তি কৰি আহিছে। সেয়েহে এই অভিযোগবোৰ উঠিছে। যদিহে পেঞ্চনৰ কাৰণে আগতিয়াকৈ ধন নিদিয়ে কাম নহয় এই কথাটো সকলোৱে জানে। অৱসৰপ্রাপ্ত বিষয়া সকলে পেঞ্চনৰ কাৰণে দিশপুৰলৈ তাত বাতি কৰিবলগীয়া হয়। তেখেতসকলে কয় বাজেটত ধন দিয়া নাই আমি কেনেকৈ দিম। আমাৰ পেঞ্চন বিভাগত নীতি নির্দেশনা আছে ৩ মাহৰ ভিতৰত অৱসৰ পোৱা বিষয়া কর্ম্মচাৰী সকলৰ পেঞ্চন দিয়া ব্যৱস্থা কৰিব লাগে। যাতে তেখেতসকলৰ কোনো হাৰাশাস্তি নহয় তাৰ ব্যৱস্থা কৰা হয়। এনেধৰনৰ কেইজনমান ময়মতালী বিষয়াৰ নাম বাতৰি কাকতত ওলাইছিল মই নাম উল্লেখ নকৰো। মই মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াক অনুৰোধ কৰিছো এই ক্ষেত্রত বিশেষ ব্যৱস্থা গ্রহণ কৰে যেন।

মাননীয় অধ্যক্ষ মহোদয়, অৱসৰ লোৱা বয়সস্থ লোকসকলে পেঞ্চনৰ টকা কেইটা আনিবৰ কাৰণে এচ বি আইত যাতে হাৰাশাস্তি খাব নালাগে তাৰো ব্যৱস্থা কৰি দিব লাগে।

* **শ্রীমহিবুল হক** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা মাননীয় মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছো —

মাননীয় অধ্যক্ষ ঃ আপুনি বহক। মই আপোনাক বক্তব্যৰ বাবে এলাউ নকৰো।

* **শ্রীতৰুণ গগৈ (মুখ্য মন্ত্রী)** ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় বিধায়ক ডেকা ডাঙৰীয়াই কোৱা দৰে পেঞ্চনাৰ সকলে যথেষ্ট কষ্ট ভুগিবলগীয়া হৈছে। কেৱল পেঞ্চনেই নহয় মেডিকেল বিলৰ ক্ষেত্রতো এনেকুৱা হয়। বাকীবিলাক আছেই। মোৰ বিলেচন হোৱা সত্বেও কাম আদায় কৰাত দিগদাৰি হয়। পেঞ্চন বিভাগটো আগতকৈ ভাল হৈছে যদিও সম্পূর্ণ ভাল হোৱা নাই। আমি আদালত কৰিছো তাৰ কাৰণে অফিচলৈ নগৈ যাতে তেওঁলোকে কমপ্লেইন নকৰি দম দি কাম আদায় কৰি লব পাৰে। ইমপ্রোভ কৰিবলৈ চেষ্টা কৰা হব।

MATTER UNDER RULE-301

মাননীয় অধ্যক্ষ ঃ আইটেম নং ৩ । ডাঃ কমলা কান্ত কলিতই অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০১০ চনৰ ২৫ জানুৱাৰী তাৰিখৰ 'আজিৰ অসম' কাকতত প্রকাশিত "মথাউৰিতেই জীৱন, চৰকাৰী আঁচনিয়ে ঢুকি নাপায় যাক।" এই বিষয়টো উত্থাপনৰ জৰিয়তে বাজহ ও দুর্যোগ ব্যৱস্থাপনা মন্ত্রীৰ দৃষ্টি আকর্ষণ কৰিব।

* **ডাঃ কমলা কান্ত কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্রক্রিয়া আৰু কার্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ২০১০ চনৰ ২৫ জানুৱাৰী তাৰিখৰ 'আজিৰ অসম ' কাকতত প্রকাশিত "মঠাউৰিয়েই জীৱন, চৰকাৰী

আঁচনিয়ে ঢুকি নাপায় যাক"। শীর্ষক বিষয়টো মই উত্থাপন কৰিব বিচাৰিছো এই বিষয়টো চাৰ, স্পর্শকাতৰ। বাতৰি কাকতত উল্লেখ কৰা মতে আমাৰ ৰাজ্যখনত গগৈ চৰকাৰৰ দিনত ৬৬,৫৪৫ জন ভূমিহীন হৈ মঠাউৰিত বসবাস কৰি আছে। বিশেষকৈ মৰিগাঁও আৰু কামৰূপ জিলাৰ বেছি সংখ্যক লোকে মথাউৰিত আশ্রায় লৈ আছে। আমাৰ মাননীয় মন্ত্রী মহোদয়ক এই কাৰণে কব বিচাৰিছো মথাউৰিত আশ্রয় লোৱা লোকসকল সকলোফালৰ পৰাই বঞ্চিত হৈছে। লৰা ছোৱালীৰ চিকিৎসাৰ ব্যৱস্থা নাই। য'ত নিজা ঘৰ দুৱাৰ নাই, বিজুলী বাতিৰ সুবিধা নাই। সেইসকলৰ অৱস্থা অতি দুখ লগা হৈছে। অথচ আমাৰ ইয়াত ওৱাটাৰ ৰিচোর্চ ডিপার্টমেন্ট এটা আছে। মথাউৰিত বসবাস কৰা লোক সকলৰ প্রতি চৰকাৰে কি ব্যৱস্থা লৈছে মাননীয় মন্ত্রী মদোহয়ে অনুগ্রহ কৰি জনাবনে?

অথচ এনেকুৱা আৱস্থাতো ওৱাটাৰ ৰিচোর্চ ডিপার্টমেন্টে তেওঁলোকক আতৰাই দি পঠাই। গতিকে সংস্থাপনৰ ক্ষেত্রত চৰকাৰে কেনে ধৰণৰ দায়িত্ব লৈছে, এই বিষয়ে মন্ত্রী মহোদয়ে জানিব দিব লাগে। যি সময়ত কামৰূপ জিলাৰ সস্কৃতি আৰু সাহিত্য ভৰাল পলাশবাৰীৰ নিচিনা ঠাই ব্রহ্মপুত্রৰ মাজত নিশ্চিহ্ন হোৱাৰ উপক্রম হৈছে। সেই ঠাইত আজি মঠাউৰিৰ কোনো প্রকল্প নাই। গঢ়েমাৰী চহৰ খন ব্রহ্মপুত্রৰ পৰা মাত্র একফালং আতৰত। যোৱা বাৰ ৰেডিনিউ মন্ত্রীৰ ওচৰত আবেদন কৰিছিলো আৰু আশ্বাসো দিছিল। চি আৰ এফৰ পৰা ৫ কোটি টকা আহিছে। কিন্তু তাৰ পৰা কোনো কাম হোৱা নাই। মথাউৰিৰ প্রস্তাৱটো অহাৰ পাচত ৰিলিফ ৰিহেবিলেচন ৰিভাগে অনুমোদন দিব লাগে। কিন্তু এতিয়ালৈ অনুমোদন দিয়া নাই। যোৱা বছৰ ই এন ডি বিভাগে যিটো ব্যৱস্থা লব লাগিছিল সেইটো নকৰা কাৰণে ৰাইজে তেওঁলোকৰ ওপৰত আস্থা হেৰুৱাইছে। তাত মুছলমান সকলে এমাহ ধৰি নামাজ পঢ়িছিল আৰু হিন্দু সকলে এমাহ ধৰি যজ্ঞ কৰিছিল। এতিয়া মার্চ মাহ পৰিল , এপ্রিল মাহ হোৱাৰ পাচত এই লোক সকলৰ কি অৱস্থা হব? এতিয়াও ৬৪৫৪৫ টা পৰিয়াল মঠাউৰিৰ ওপৰতে আছে। অতি শীঘ্রে যদি কাম আৰম্ভ নকৰে, তেতিয়াহলে ৪১ খন গাওঁ আৰু ২৫ হাজাৰ পৰিয়াল গৃহহীন হবআৰু ৫০ খন গাঁও, ৰেভিনিউ ভিলেজ নিশ্চিহ্ন হৈ যাব। সেয়ে মই মুখ্য মন্ত্রীমহোদয়ক প্রশ্ন কৰিব বিচাৰিছো যে—

মাননীয় অধ্যক্ষ ঃ আপুনি প্রশ্ন কৰিব নোৱাৰে। ৰেইজ কৰক।

*** ডাঃ কমলা কান্ত কলিতা ঃ** মই কথাটো ৰেইজয়েই কৰিছো, উত্তৰত মই তেখেতৰ পৰা জানিব বিছাৰিছো। যোৱা চাৰি বছৰে কিমান পৰিয়ালক সংস্থাপন দিয়া হ'ল? আৰু এই খিনি পৰিয়ালক এতিয়ালৈকে সংস্থাপন দিয়াৰ বাবে কি পৰিকল্পনা কৰিছে? ব্ৰহ্মপুত্ৰৰ পৰা গঢ়েমাৰী চহৰ খনত ভাবুকি আহিছে। গতিকে মাৰ্চৰ ভিতৰতে কাম আৰম্ভ কৰিবনেকি?

*** ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য কলিতা ডাঙৰীয়াই যিটো কথা কৈছে এই সম্পৰ্কত মই দুটামান কথা কব বিচাৰিছো। ইতিমধ্যে জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে বহলাই কৈ গৈছে। ১৯৫৯ চনৰ ভূমিকম্পৰ পাছত এই সমস্যাটো দুগুনে বাঢ়িছে। অসমৰ বিভিন্ন ঠাইত গঢ়েমাৰী জয়গাওকে ধৰি মোৰ সমষ্টিৰ বহু অঞ্চল ব্ৰহ্মপুত্ৰৰ বুকুত লীন গৈছে। পলাশবাৰী এতিয়া মিজাঁলৈ আহি পাইছে। ইমান বিলাক সমস্যাৰ মাজতো চৰকাৰ ৰৈ থকা নাই। ভূমি উন্নয়নৰ কাৰণে ভাৰত চৰকাৰে বহু কোটি টকা ইতিমধ্যে আমাক দিছে ভালেমান প্ৰজেক্টৰ কামো হৈছে। আৰু ভালেমান আঁচনি লৈ থকা হৈছে। যোৱা বছৰ তেখেতৰ সমষ্টিত এবাৰ মই গৈছিলো। কামৰূপ জিলাৰ পুৰণি পলাশবাৰী নগৰ খন এতিয়া নদীৰ বুকুত। পলাশবাৰী, গোমী আৰু গঢ়েমাৰী অঞ্চলৰ প্ৰায় ৩০ খন গাঁও নদীত জাহ গৈছে। অসমৰ বিভিন্ন জিলাত বহুতো লোকে মথাউৰিত আশ্ৰয় লৈছে। গড়াখহনীয়াত আক্ৰান্ত গৃহহীন পৰিয়াল সকলৰ সংস্থাপনৰ বাবে চেষ্টা চলাই থকা হৈছে। কিন্তু উপযুক্ত মাটি আৰু বিভিন্ন কাৰণত বহুতো পৰিয়ালক এতিয়াও সংস্থাপন কৰিবলৈ বাকী আছে। বহৰি, আৰু চেঙা অঞ্চলত একে অৱস্থা। গড়াখহনীয়া অসমৰ এটা ভয়াবহ সমস্যা। দ্বিতীয়তে, জিলা উপায়ুক্তৰ পৰা পোৱা তথ্য মতে এতিয়ালৈকে ৬৬,০৩১ পৰিয়াল গড়া খহনীয়াত আক্ৰান্ত হৈছে আৰু মথাউৰিৰ ওপৰত বাস কৰি আছে। উক্ত পৰিয়ালৰ কিছু সংখ্যক পৰিয়ালত চৰকাৰী ভূমিত পুনৰ সংস্থাপন কৰা হৈছে।

** Speech not Corrected*

জিলা সমূহত পর্য্যাপ্ত পৰিমাণৰ চৰকাৰী ভূমি নথকা কাৰণে আশাপ্রদ ভাবে ভূমি আৱন্টন দিব পৰা হোৱা নাই। কামৰূপ জিলা , পূব চমৰীয়া মৌজাৰ অধীনস্থ কাকাৰ পথাৰ ৰিজাৰ্ভত মথাউৰিৰ ওপৰত বাস কৰা গড়া খহনীয়া আক্রান্ত ৩০৭ পৰিয়ালক এক কঠা পাঁচ লেচাকৈ ভূমি আৱন্টন দি পুনৰ সংস্থাপন দিয়া হৈছে। আকৌ কামৰূপ জিলাত ১১৪ টা পৰিয়ালক জিয়াকুৰ গাওঁত চৰকাৰী ভূমি আৱন্টন দিয়া হৈছে। ৪৮ পৰিয়ালক জখলাপাহাৰত। ৮৪৮ পৰিয়ালক গঢ়েমাৰী চক্র এলেকাত সংস্থাপন কৰা হৈছে। ইয়াৰ ওপৰি ২৭৬ টা পৰিয়ালক গঢ়েমাৰী ৰিজাৰ্ভত আবন্টন দিয়া প্রক্রিয়া চলি আছে। গড়া খহনীয়া দুৰ্যোগ সাহায্য পুঁজিৰ অন্তর্ভুক্ত নোহোৱা হেতুকে গড়া খহনীয়া সমস্যা পীড়িত লোকৰ ক্ষেত্রত সাহায্য প্রদানৰ কিছু সমস্যা হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰে গড়াখহনীয়া দুৰ্যোগ সাহায্য অর্ন্তভূক্ত কৰিবলৈ গৃহমন্ত্রালয়ত যোগাযোগ কৰি আছে। ৰাজহুৱা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে গড়খহনীয়া পীড়িতলোকক দুখ দুর্দশাৰ প্রতি লক্ষ্য ৰাখি বানপানী আৰু গড়াখহনীয়া একেলগে কৰি দুৰ্যোগ সাহায্য পুঁজিৰ পৰা পুনৰ সংস্থাপনৰ সাহায্য দিয়া হৈছে। বিগত তিনি বছৰত দুৰ্যোগ সাহায্য পুজিৰ পৰা পুনৰ সংস্থাপৰ সাহায্য এনে ধৰণে দিয়া হৈছে । ২০০৭/৮ বছৰত ১৭,৪১,০৯,৪৩০ টকা আৰু ২০০৮/৯ বর্ষত ৩২,৫৯,৮৮,৬৭০ টকা আৰু ২০০৯/১০ বর্ষত বর্ত্তমানলৈ ১৮,৭০,৪৯,৯৬০ টকা। ইয়াৰ ওপৰি গড়েমাৰী মাজৰ চুপ অঞ্চলত ব্রহ্মপুত্র গড়াখহনীয়াৰ প্রকোপৰ পৰা উদ্ধাৰ কৰাৰ বাবে ৫ কোটি টকাতকৈ অধিক ব্যয় সাপেক্ষে এখন আচনি মজুৰী দিয়াৰ বাবে বিভাগত প্রচেষ্টা চলি আছে।

DEBATES ON THE MOTION OF THANKS ON THE GOVERNOR'S ADDRESS

মাননীয় অধ্যক্ষ ঃ এতিয়া অসম গণ পৰিষদ দলৰ ফালৰ পৰা মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত কব।

*** শ্রীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত যি খিনি কথা দাঙি ধৰিছে সেই ভাষণৰ ওপৰত আমাৰ গণ পৰিষদ দলৰ ফালৰ পৰা বক্তব্য ৰখাৰ ক্ষেত্রত আমি বৰ সন্তুষ্ট নহয়। কিয়নো চৰকাৰে যিমতে কাম কাজ খিনি কৰিব লাগিছিল সেই মতে হোৱা নাই। বহু ক্ষেত্রত চৰকাৰ ব্যর্থ হৈছে। নিৰাপত্তা বাহিনীৰ আৰু আইন

* *Speech not Corrected*

শৃঙ্খলাৰ যথেষ্ট উন্নতি হৈছে বুলি আৰু কেইজনমান আলফা আৰু এন ডি এফ বিক গ্ৰেপ্তাৰ কৰিব পৰা হৈছে বুলি সন্তুষ্টি লাভ কৰিছে। কিন্তু আলোচনাৰ মাজেৰে যে এটা স্থায়ী সমাধান কৰিব পাৰি তাৰ কোনো ইংগিত নিদিলে। ২০০১ চনতেই এই বিধান সভাৰ মজিয়াত আলোচনাৰ মাজেৰে সমাধান কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু আজি চৰকাৰৰ আলোচনাৰ সমস্যা সমাধানৰ কোনো আন্তৰিকতা দেখা নাই। আমি আশা কৰিছিলো কেন্দ্ৰ আৰু ৰাজ্যত একেখন চৰকাৰে আছে। গতিকে মুখ্য মন্ত্ৰী মহোদয়ে এই সমস্যা বিলাক আন্তৰিকতাৰে সমাধান কৰাৰ ক্ষেত্ৰত আগবাঢ়িব লাগিছিল। কিন্তু তেনে ধৰণে কৰা নাই। আনহাতে, মুখ্য মন্ত্ৰীয়ে কৈছে আলফাৰ পৰা চিঠি আহিব লাগে। কিন্তু ৩ দিন পিছত যেতিয়া কেন্দ্ৰৰ গৃহ সচিবে চিঠি নহলেও আলোচনা কৰিব পৰা হব বুলি কলে তেতিয়া মুখ্য মন্ত্ৰীও কলে যে আলোচনা হব। এইটো কেনে ধৰণৰ কথা ৰাজ্যৰ মুখ্য মন্ত্ৰীৰ ওপৰত এজন সচিবে কথা কবলগীয়া হৈছে। ইয়াত মুখ্য মন্ত্ৰী মহোদয়ৰ সন্মানৰ কথা আছে। উত্তৰ কাছাৰৰ ওপৰত মই বিশেষ কবলৈ নাযাওঁ। এই কথা বিলাকৰ তদন্ত হব লাগে আৰু ৰাইজক আশ্বস্ত কৰিব লাগে। কেন্দ্ৰীয় চৰকাৰে আমাক সদায়ে মাহীআইৰ চকুৰে চায়। আমি ভাবিছিলো আমাৰ মুখ্য মন্ত্ৰী মহোদয় কেন্দ্ৰৰ সাংসদ আছিল। তেওঁ ইয়াতে সাংঘাতিক ধৰণে দপ্‌দপাই কথা কয় কেন্দ্ৰতো কব পাৰিব। কেন্দ্ৰৰ লগত আলোচনা কৰি অসমৰ আঁচনি সমূহ কাৰ্য্যকৰি কৰা ক্ষেত্ৰত যিখিনি তৎপৰ হব লাগিছিল সিমান খিনি হব পৰা নাই। সংসদত কুমাৰ দীপক দাস সীমান্ত উন্মুক্ত হৈছে বুলি কৈ সীমান্ত চীল কৰি দিব লাগে বুলি দাবী জনায়। মুখ্যমন্ত্ৰী মহোদয়ে যদি এই ক্ষেত্ৰততে জোৰ দাৰ দাবী জনালেহেঁতেন আমি সুখী হলোঁহেতেন। আজি নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত স্থায়ী ভাবে কোনো ব্যৱস্থা কৰা নহল। আমাৰ অসমৰ লাখ লাখ নিবনুৱা যুৱক-যুঁৱতীয়ে পেটৰ তাড়নাত অসমৰ বাহিৰলৈ গুছি গৈছে। কোম্পেনীত ৪/৫ হাজাৰ টকাতে চাকৰি কৰিছে। মোৰ সমষ্টিৰে ৪/৫ হাজাৰ যুৱক-যুঁৱতী বাহিৰলৈ গুছি গৈছে। সেইসকল নিবনুৱাক নতুন উদ্যোগীকৰণ নীতি লৈ বা অন্য কোনো প্ৰকাৰে সংস্থাপন দিয়াৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা কৰিব লাগিছিল। কিন্তু কৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, আজি বেংক বিলাকত যিখিনি ধন জমা হৈ আছে তাৰ ৬০ শতাংশ ধন ইনভেষ্ট কৰিব লাগে। কিন্তু ৩০ শতাংশ ধনো ইনভেষ্ট কৰা নাই। বেংকৰ যি কমিটি আছে সেই কমিটিয়ে কাম কাজ কৰিছে নে নাই সেইটো চাব লাগে। আমাৰ

নিবনুৱা যুৱক যুৱতী সকলক সকাহ দিয়াৰ বাবে আজি উদ্যোগ বিভাগে সঠিক পদক্ষেপ লব পাৰে। চাহ উদ্যোগক সকাহ দিয়াৰ বাবে ব্যৱস্থা লব পাৰে। মই নিজেই চাহ উদ্যোগৰ লগত জড়িত থাকিও মই ঘোচ দিবলগা হৈছিল। এইবোৰ ব্যৱস্থা দুৰ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে। আমাৰ নিৰনুৱা সকলক সংস্থাপন কৰাৰ কাৰণে আৰু তেওঁলোকক উপকৃত কৰিবৰ কাৰণে এই চৰকাৰৰ বহুখিনি কৰিবলগীয়া আছে। সেই কাৰণে মই আজি মাননীয় মুখ্য মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে আপুনি এই বিষয়ে এটা সঠিক পদক্ষেপ লওক যাৰ জৰিয়তে তেওঁলোকে সঠিক বাস্তা বিচাৰি পায়। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্রতো আপুনি ব্যৱস্থা গ্রহণ কৰক। আমি আপোনাক যোগাত্মক সঁহাৰি আগবঢ়াম। মাননীয় অধ্যক্ষ মহোদয়, মই আজিও কৈছো যে আমাৰ শোণিতপুৰত আজি সমান্তৰাল চৰকাৰ চলি আছে। তাত চৰকাৰখনে যিদৰে ব্যৱস্থা গ্রহণ কৰিব লাগিছিল সেই ধৰণে ব্যৱস্থা গ্রহণ কৰা নাই। এই বিষয়ে মোৰ হাতত বহুত তথ্য আছে। কিন্তু সেইবোৰ তথ্য এতিয়া দিলে সেই মানুহবোৰৰ বিপদ হব পাৰে। আজি মানুহে প্রশাসনক জনাব ভয় কৰা হৈছে। গতিকে চৰকাৰে নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ মই মাননীয় মুখ্য মন্ত্রী আৰু মন্ত্রী সভাৰ প্রতি গৰাকী মন্ত্রীকে অনুৰোধ জনালো। আপোনালোকৰ চৰকাৰে কিছুমান ভাল কাম নকৰা বুলি আমি নকওঁ । কিছুমান ভাল কামো কৰিছে। ২০০৭ চনত জামুগুৰিৰ বাৰে ৰহনীয়া ভাওনালৈ আমাৰ মাননীয় মন্ত্রী শ্রীৰকিবুল হুছেইন ডাঙৰীয়া আৰু আমাৰ মুখ্য মন্ত্রী মহোদয়েও গৈছিল। তাত ১ কোটি টকা দিয়া হব বুলি মুখ্য মন্ত্রী মহোদয়ে ঘোষণাও কৰিলে। আধাৰশিলাও স্থাপন কৰা হ'ল। কিন্তু আজিলৈ এই হলটোৰ বাবে এটা ইটাও নপৰিল। এনেদৰে যদি আপোনালোকে প্রতিশ্রুতি দিও দিব নোৱাৰে, তেনেহলে প্রতিশ্রুতি নিদিয়াই ভাল। যোৱা বছৰ কোৱা হৈছিল যে মাতমৰা মথাউৰিৰ কাম এই বছৰ সম্পূর্ণ হব। কিন্তু মাতমৰা মাথাউৰিৰ কাম সম্পূর্ণ হব লাগিছিল যোৱা বছৰ। যোৱা বছৰ কিহৰ কাৰণে সম্পূর্ণ নহ'ল। শ্রীৰামপুৰত বস্তুবোৰ পৰি থাকিল যাৰ বাবে হয়তো এইটো সম্পূর্ণ নহল। আপোনালোকে এই কথাবোৰ খবৰ লওক। বান নিয়ন্ত্রন বিভাগে কিছুমান স্কীম লৈছিল। মোৰ সমষ্টিতো কেইটামান স্কীম আছিল। কিন্তু এতিয়াও দিল্লীত ফাইল পৰি আছে। এতিয়া মাৰ্চ মাহ শেষ হবৰ হ'ল। গতিকে

আপোনালোকে যদি দুখীয়াৰ দুখ মোচন কৰিব বিচাৰিছে তেন্তে এই কথাবোৰ চিৰিয়াচলি ভাবিবৰ কাৰণে মই অনুৰোধ জনালো। মাননীয় অধ্যক্ষ মহোদয়, আজি প্লেনিঙৰ টকাবোৰ কিয় খৰছ কৰিব নোৱাৰে। ত্রিপুৰা চৰকাৰে যদি দে টু দে মনিটৰ কৰিব পাৰে তেন্তে অসম চৰকাৰে নোৱাৰে কিয়? গতিকে চৰকাৰে চিৰিয়াছলি পদক্ষেপ লওক। আজি আমাৰ টকাবোৰ বাহিৰলৈ গৈ আছে। বাহিৰলৈ যোৱা টকাবোৰ কেনেকৈ ৰোধ কৰিব পাৰি আৰু নিবনুৱা সকলক কেনেকৈ সংস্থাপন কৰিব পাৰি তাৰ ব্যৱস্থা কৰক। ১৩ কোটিৰো অধিক টকা কাপোৰ কানিৰ বাৰে বাহিৰলৈ গৈ আছে। মুখ্য মন্ত্রী এই কথাবোৰ চিৰিয়াছলি ভাবিব লাগে । আপোনালোকে উগ্রপন্থী সমস্যাৰ স্থায়ী সমাধানৰ প্রতিশ্রুতি দিছিল। কিন্তু বিশেষ কাৰণত এইটো নোহোৱাৰ বাবে এতিয়া সঠিক ভাবে উন্নয়নৰ পৰিকল্পনা কৰক, যাতে দুনীতি নির্মূল কৰিব পাৰে তাৰ ব্যৱস্থা কৰক। এতিয়া দুর্নীতিৰ মুকলি বেহা হৈছে। সেই কাৰণে এই ক্ষেত্রত চৰকাৰে বিহিত ব্যৱস্থা গ্রহণ কৰি ৰাইজক এটা ধাৰণা দিয়া দৰকাৰ যে এই চৰকাৰে দুনীতিৰ ওপৰত ব্যৱস্থা গ্রহণ কৰিছে। আজি ৰাজ্যত মূল্য বৃদ্ধিৰ বাবে মানুহে এই চৰকাৰক সন্দেহ কৰিছে। ৰাইজে সন্দেহ কৰিছে যে কলা বেপাৰীৰ লগত চৰকাৰৰ সম্পর্ক আছে। আপোনালোকে গৰীবৰ কথা কয়। আপোনালোকে শ্লোগান দিয়ে-কংগ্রেছৰ হাত গৰীবৰ ভাত। কিন্তু এতিয়া মানুহে কবলৈ বাধ্য হব যে আপোনালোকৰ হাত গৰীবৰ মৃত্যুৰ বাট। যদি এনেকুৱা ভাবে আপোনালোকে আৰু চৰকাৰ কনটিনিউ কৰে তেন্তে মানুহে নাখাই মৰিব। গৰীব মৰি মৰি শেষ হব। ২০০১ চনৰ আগতে মানুহৰ আমাৰ ওপৰত খং হৈছিল। কিন্তু আপোনালোক ক্ষমতালৈ অহাৰ পিছত পৰিবর্ত্তন আনিব পাৰিব বুলি মানুহে আপোনালোকৰ মুখলৈ চাই আছিল। কিন্তু আজি মানুহে হতাশ হৈছে। সেয়েহে আপোনালোকে কিবা উপায় উদ্ভাৱন কৰক। আমি বিৰোধী দলত আছো যদিও জনসাধাৰণৰ প্রতি আমাৰ দায়িত্ববোধ আছে। গতিকে আমাৰ যোগাত্মক সঁহাৰি আছে। আজি গড়কাপ্তানীৰ কথা কোৱা হৈছে। ২০০১ চনৰ পৰা যিখিনি ৰাস্তাৰ কাম হৈছে এতিয়াও কিন্তু আধাতকৈ বেছি ৰাস্তাৰ কাম কৰিবলৈ বাকী আছে। আজি গড়কাপ্তানী বিভাগৰ বিষয়া কর্মচাৰী সকলে সঠিক ভাবে কাম কৰিছে নে নাই। মই আমাৰ গড়কাপ্তানি মন্ত্রী মহোদয়ক এই বিধান সভাৰ মজিয়াত কথা এটা

কৈছো যে এ এ চি পিত ২০০৬ চনত ৩ টা ৰাস্তাৰ বাবে টেণ্ডাৰ কল হৈছিল। কিন্তু এটা ৰাস্তাৰ কাম এতিয়াও আৰম্ভ নহ'ল। দুটা ৰাস্তাৰ কাম বহুত দিন পেলাই ৰখাৰ বাবে ৰাইজে বন্ধ ক�ৰিবলগীয়া হৈছে। পিছত খবৰ লৈ গম পালো যে কৰবাৰ ৰাস্তা এটা কেনচেল কৰিবলগীয়া আছিল সেইটো কেনচেল নকৰি মোৰ সমষ্টিৰ ৰাস্তা কেনচেল কৰিলে। গতিকে বিভাগৰ ভুলৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা টকাখিনিও সঠিক ব্যৱহাৰ নহ'ল।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখিনি লেপচ হৈছে কেন্দ্ৰীয় চৰকাৰৰ পৰা যি খিনি পুঁজিৰ সঠিক ব্যৱহাৰ হোৱা নাই আৰু যিখিনি উলটি গৈছে সেই খিনি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আমাৰ অসমৰ জনসাধাৰণৰ দুখীয়া ৰাইজৰ উন্নতিৰ হকে ব্যৱহাৰ কৰিব লাগে। নহলে চৰকাৰে বিকশিত অসম বুলি কলেই অসম বিকশিত হৈ নাযায়। ৰাজ্যপালৰ ভাষণত গড়কাপ্তানি বিভাগৰ কাম-কাজৰ উন্নতি হৈছে বুলি কৈছে। কিন্তু তেনে হোৱা নাই। মোৰ মনত আছে আজি এবছৰ আগতে মোৰ সমষ্টিৰ গড়কাপ্তানী বিভাগৰ কিছুমান ৰাস্তাৰ কাম হোৱা নাই বা নিকৃষ্ট হোৱাৰ বাবে মই গড়কাপ্তানি মন্ত্ৰী অজন্তা নেঁওগৰ কাৰ্য্যালয়ত লগ ধৰি সেই সম্পৰ্কে অৱগত কৰিছিলো। কিন্তু আজিও কাম নহল। দুখীয়া মানুহ বিলাক দুখীয়া হৈয়ে আছে। তেওলোকৰ উন্নতি হোৱা নাই। আজি কালি গাওঁৰ সাধাৰণ মহিলা এগৰাকীও ৰাস্তালৈ ওলাই যাব লগা হৈছে কামৰ বাবে। গাঁওৰ ৰাস্তা ঘাটৰ উন্নয়ন হোৱা নাই। অলপ দুই এটা শিল বালি পৰিলেই উন্নয়ন নহয়। চৰকাৰে যিবিলাক ধন ধাৰ্য্য কৰে তাৰ কাম কাজ হোৱাৰ দৰকাৰ। সেইখিনি সঠিক বাবে ৰূপায়িত হব লাগে। কিন্তু সেয়া হোৱা নাই। চৰকাৰ মন্ত্ৰী মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত সঠিক পদক্ষেপ লৈ আগবাঢ়িব লাগে। বি.পি.এল. কার্ডৰ কথা আহিছে। বি.পি.এলত চাউল পায় ১৯ লাখে। ৮৭ চনৰ পৰা । বি.পি.এলৰ ৯ লাখ এপিএল হল। এইটো কেনেকৈ হল। দুখীয়া ৰাইজক সহায় কৰিবৰ কাৰণে বি.পি.এল কার্ডৰ ব্যৱস্থা আছিল। ইয়াৰ দ্বাৰা দুখীয়া ৰাইজে সকাহ পায়। কিন্তু চৰকাৰ এই ক্ষেত্ৰত ব্যৰ্থ হৈছে। সটিক ভাবে ৰূপায়িত হোৱা নাই। আজি কালি সকলোতে বি.পি.এল কার্ড লাগে। গেছ লবলৈ , ইলেকট্ৰিচিটিৰ কানেকচন লবলৈও। গতিকে এই ক্ষেত্ৰত খেলি মেলি হলে

ৰাইজৰ অপকাৰ হয় আৰু দুখীয়া ৰাইজ অসুবিধাত পৰে। গতিকে চৰকাৰে এই খেলি মেলি বোৰ চালি জাৰি চাই সঠিক পদক্ষেপ লব লাগে। ২০০১ চনৰ পৰা প্ৰাদেশীকৰণৰ কথা চৰকাৰে কৈছে। প্ৰতিশ্ৰুতি দিছিল সেই বিলাক প্ৰতিশ্ৰুতি ফিক্স পেয়তে ফাইনেল হৈ ইয়াতে শেষ কৰিলে নহব ই এটা স্থায়ী সমাধান নহয়, স্থায়ী সমাধানৰ ব্যৱস্থা কৰক। মই আৰু এটা কথা উল্লেখ কৰিছো আমাক এটা কথা কৈছে যে আমি অ.বি.বি শিক্ষক সকলক জন্মতে মৃত্যু দিছিলো। তেতিয়া তেওঁলোক অৱশ্যে আমাৰ দায়বদ্ধতাতে আছিল। অবিবি ৯০ জনৰ ১৮ জন আপোনালাকৰ দিনত। তেওঁলোক শোনিতপুৰ জিলাৰ ৰেগুলাৰ নোহোৱাৰ কাৰণে মোৰ ওচৰলৈ আহিছিল মই তেওঁলোকক শিক্ষামন্ত্ৰীক লগ ধৰাই দিছিলো। কিন্তু কাহিলিপাৰাৰ জইন্ট ডাইৰেক্টৰ এজনে তেওঁলোকক বহুতো আমনি কৰিছিল টকা পইছা খুজি। মই তেওঁলোকক অলপ পইচা দিছিলো। ডিচি, এছপিক জনাইছিল। কেৰানি আদিয়েও পইচা খায়। আমাৰ চৰকাৰৰ দিনত অবিবি শিক্ষকক নিয়মীয়া কৰাৰ কাৰণে ফাইনেন্সলৈ ফাইল যাব লগা হৈছিল। ফাইনেন্স কমিচনাৰে এপ্ৰভেল দিয়া নাছিল। মুখ্যমন্ত্ৰী মহোদয়ে কমিছনাৰক ফোন কৰি চহী কৰাব লগা হৈছিল। কিন্তু কমিছনাৰে এপইন্টমেন্ট লেটাৰৰ ওপৰতে তেওঁলোকৰ মৃত্যুৰ দিন ধৰি দিছিল। গতিকে এই ক্ষেত্ৰত আমি দোষমুক্ত নহওঁ। কিন্তু এইটো আমি অপৰাধ স্বায়ত্ব শাসনৰ কথা ওলাইছে, জনজাতি কৰনৰ কথা ওলাইছে। এই বিলাক ক্ষেত্ৰত চৰকাৰে সঠিক পদক্ষেপ লব লাগে। যিটো চৰকাৰে কৰা নাই। এই সদনতে চৰকাৰী দলৰ এজন মাননীয় সদস্যই কৈছে যে আন্দোলনকাৰীয়ে তেখেতৰ ঘৰ ঘেৰাও কৰিছিল। এইটো কেনেকুৱা কথা হৈছে এয়া হব নেলাগিছিল। চৰকাৰে এই বিলাক মীমাংসা কৰিব লাগে। মই কোৱা নাই চৰকাৰৰ সকলোবোৰ কামেই বেয়া। ভাল কামত আমি সহায় কৰিম। চৰকাৰে আমাৰ পৰা কিবা সহায় পৰামৰ্শ বিচাৰিলে আমি দিয়াত আপত্তি নকৰো। আমি সহযোগ কৰিম। তেওঁলোকে তোষামোদকাৰীৰ তোষামোদক বিশ্বাস কৰি থাকিব নেলাগে। এইটো এটা ভুল কথা হব। যিটো ভুল আমি কৰিছিলো। আমাকো তোষামোদকাৰিয়ে ঘেৰি আছিল। মই এটা কথা কবলৈ ওলাইছো, শোনিতপুৰ জিলাত আমাৰ দলৰ পৰা কংগ্ৰেছ দলত যোগদানৰ ২২ তাৰিখে এখন সভা অনুষ্ঠিত হৈছিল সেই সভাত সন্মুখৰ স্কুলখনৰ পৰা হেড মাষ্টাৰে

যোগদান কৰিছিল ১১ ৰজাত। স্কুল চলি থাকোঁতে তেওঁ কেনেকৈ সভাত যোগদান কৰিলে। তেনেকৈ জামুগুৰিত সহশিক্ষক এল পি স্কুলৰ শিক্ষক আদিয়ে সভাত যোগদান কৰিছিল বিদ্যালয় চলি থকা সময়ত । এইটো কেনে পৰম্পৰা। এনেকৈ হলে শিক্ষকে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিব কেনেকৈ। এই সকলো খিনি চৰকাৰে চকু দিব লাগে। মাননীয় অধ্যক্ষ মহোদয় চৰকাৰৰ দৃষ্টিভঙ্গীৰ কথা আছে, এটা কথা কৈছো সমাজ ধংস যাতে নহয় তাৰ ব্যৱস্থা আপোনালোকে কৰক। নিবনুৱা সমস্যাৰ কথা আছে। সেই নিবনুৱা সকলৰ কাৰণে চৰকাৰে বিশেষ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কথা ২০০৬ চনৰ পৰাই মই এই বিধানসভাত উত্থাপন কৰি আহিছো। আজি যদি এই ক্ষুদ্ৰ বাগিছাবোৰ নাথাকিলেহেঁতেন দহ হেজাৰো ওপৰৰ লৰাই আজি হাতত বন্দুক তুলি ললেহেঁতেন। তেওঁলোকক মাটিৰ অধিকাৰৰ পৰা বঞ্চিত নকৰিবলৈ মই অনুৰোধ জনাইছো। তেওঁলোকক মাটিৰ পট্টা দিব লাগে। এই বিষয়লৈ এটা সময়ত মই মুখ্যমন্ত্ৰী মহোদয়ক এখন পত্ৰ দিছিলো। কিন্তু মুখ্যমন্ত্ৰী মহোদয়ে মোৰ সমুখতে পত্ৰখন ফালি পেলাইছিল।

***মাননীয় মুখ্যমন্ত্ৰী ঃ** এইটো গোকাট মিছা কথা। এনেকুৱা কথা মই নামানো।

*** শ্ৰীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তথ্য নোহোৱাকৈ কথা নকওঁ। তথ্য মই আপোনালোকক দিম। মাজতে আমাৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ সম্পৰ্কত এখন মিটিং হৈছিল। তাত ক্ষুদ্ৰ চাহ খেতিয়ক সস্থাৰ প্ৰেচিডেন্ট, চেক্ৰেটাৰী, মই, শৰৎ বৰকটকী ডাঙৰীয়া, টি বোৰ্ডৰ প্ৰতিনিধি উপস্থিত আছিল। মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত তেওঁলোকৰ লগত কেইবাবাৰো আলোচনা হৈছিল। টি বোৰ্ডৰ পৰা যিটো ৰাজ সাহায্য পায় সেইটো ভূমিৰ অধিকাৰ নাথাকিলে নাপায়। পজেশ্যন চাৰ্টিফিকেট দিলে তেওলোকে পাব পাৰে বুলি ওলাইছিল, কিন্তু টি বোৰ্ডে সেইটো মনা নাই। ৰাজ্যপালৰ ভাষণত ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ কথা নাই। ৪০ হেজাৰো অধিক মানুহ ক্ষুদ্ৰ চাহ বাগিচাৰ দ্বাৰা উপকৃত হৈছে। এই ক্ষেত্ৰত চৰকাৰে ছিৰিয়াচলি ব্যৱস্থা লব লাগে। ৰকিবুল হুছেইন ডাঙৰীয়াই মোৰ বাগিছা থকা কাৰণে মই এই বিষয়ত কোৱা বুলি কৈছে। কিন্তু এইটো কাৰো ব্যক্তিগত কথা নহয়। মই ইয়াত ব্যক্তিগত কথা কবলৈ অহা নাই। অধ্যক্ষ মহোদয়, মোৰ কাৰণে কথা নহয়, অসমৰ ৪০ হাজাৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ ভূমিৰ অধিকাৰৰ কথা মই কৈ আছো। এই কথাত বেয়া পালে মই আৰু কথা নকওঁ।

** Speech not Corrected*

*** শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** অধ্যক্ষ মহোদয়, এইবিলাক শব্দ মই কোৱা নাই। আপুনি কিয় ৰঙা চকু দেখুৱাইছে?

(হুলস্থুল)

*** শ্রীপদ্ম হাজৰিকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৪০ হাজাৰ ক্ষুদ্র চাহ খেতিয়কৰ কথা কৈ আছো। এই সমস্যাৰ এটা স্থায়ী সমাধান বিচাৰিছো। পজেশ্যন দিলে ৰাজ সাহায্য পাব পাৰে নেকি এই বিষয়ত মুখ্য মন্ত্রী মহোদয়ে টি বোর্ডৰ একজুকিউটিভ ডাইৰেক্টৰক মাতি আনি আলোচনা কৰক, আৰু যাতে এইটো পায় তাৰো ব্যৱস্থা কৰিবলৈ মই অনুৰোধ কৰিলো । আপোনালোকৰ সফলতাৰ কথা আপোনালোকৰ দলৰ ফালৰ পৰা কৈছে। চৰকাৰৰ ফালৰ পৰা ভাল কাম কৰা নাই বুলি আমি নকওঁ। কিন্তু কিছুমান কথা মই আপোনালোকৰ দৃষ্টিগোচৰ কৰিলো। কথাবিলাক মানি লয় নে নলয় সেইটো আপোনালোকৰ কথা। আপোনালোকে সহায় বিচাৰিলে আমি সহায় কৰিবলৈ প্রস্তুত। মুখ্যমন্ত্রী মহোদয়ৰ প্রতি থকা আস্থা অটুত থাকক, কোনো কেন্দ্রীয় গৃহ সচিবে যাতে বেয়াকৈ কবলগা নহয়। তেখেতে আমাৰ ৰাজ্য খনলৈ সাহায্য আনি থাকক। আমি বিচাৰিছো জেলৰ ভিতৰত থকা আৰু বাহিৰ থকা সকলো উগ্রপন্থীক লৈ ৰাজনৈতিক ভাবে শান্তি আলোচনাত আগবাঢ়ক। এটা স্থায়ী শান্তিৰ বাবে আগবাঢ়ক। ইয়াত যদি আমাৰ কিবা সহায় লাগে আমি নিশ্চয় সহায় আগবঢ়াম। সকলো ধৰণৰ গুপ্ত হত্যা বন্ধ হব লাগে। আপোনালোকে সঠিক ভাবে তদন্ত কৰি দোষীক শাস্তি দিয়ক। আমি মাত মাতিবলৈ নাযাওঁ। আমি তাত সঁহাৰিহে জনাম। ৰাজ্যপালৰ ভাষণত সংশোধনী বিচাৰি এই কথাখিনি যিখিনি উপস্থাপন হোৱা নাই, সেইখিনি কৈ অধ্যক্ষ মহোদয় আপোনালৈ ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিলোঁ।

*** শ্রীপৃথিবী মাঝি (মন্ত্রী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পদ্ম হাজৰীকা ডাঙৰীয়াই জল সম্পদ বিভাগৰ যি ৪০ পার্চেন্ট কমিশ্যনৰ কথা কৈছে সেইটো মই মানি লব নোৱাৰিম। মই দায়িত্ব গ্রহণ কৰাৰ পিচত এই বিভাগটোত বহুতো কাম হৈছে। অভিযন্তা, কর্মচাৰী সকলে যথেষ্ট ভাল ধৰণে কাম কৰিছে। কোনোবা ঠিকাদাৰৰ কথা শুনি এনেকুৱা কথা কব নালাগে।

** Speech not Corrected*

* **শ্রীৰকিবুল হুছেইন (মন্ত্রী) ঃ** চাৰ, এটা পইন্ট অব অর্ডাৰ আছে। মাননীয় সদস্য শ্রীপদ্ম হাজৰিকাই মোৰ নাম উত্থাপন কৰি কৈছে যে বাৰে চহৰীয়া ভাওনাত এক কোটি টকা দিয়াৰ কথা কৈছে। মই কৈছিলো যে আমাৰ মাননীয় মুখ্য মন্ত্রী মহোদয়ে এক কোটি টকা ঘোষণা কৰিছিল। এক কোটি টকা দিয়াৰ কথা আছিল, কিন্তু আমাৰ হাতত টকা নাছিল। পিচত ৫০ লাখ টকা মঞ্জুৰ কৰা হৈছিল। এই ক্ষেত্রত পর্য্যটন বিভাগে টেণ্ডাৰ কৰিছে, কাম আৰম্ভ কৰিব। আমি সংস্কৃতি জীয়াই ৰখাৰ কাৰণে চেষ্টা কৰিছো। এই ক্ষেত্রত যাতে খেলি মেলি নহয়। এই বিষয়ে যাতে বার্ত্তা ভুলকৈ নাযায়। ৰাইজক শূদ্ধকৈ জনালে ভাল হব।

মাননীয় অধ্যক্ষ ঃ এ. জি. পি ক ৩ মিনিট সময় দিয়া হৈছে।

শ্রীআনোৱাৰুল হক ঃ- মাননীয় অধ্যক্ষ মহোদয়, মহামান্য রাজ্যপাল বাহাদুরের ভাষণের উপর আমার বক্তব্য পেশ করতে চাই। অধ্যক্ষ মহোদয়-আমরা লক্ষ্য করছি যে এই সরকার আমরা বরাক ভেলির লোকের প্রতি অন্যায় করছে। অত্যন্ত দুঃখের সহিত বলছি যে যোগাযোগের ক্ষেত্রে সমগ্র বরাক উপত্যকাকে কেন এত অবহেলা ও অবজ্ঞার মধ্যে ফেলে দেওয়া হয়। যোগাযোগের ব্যাপারে লাইফ লাইন বলে খ্যাত হোজাই বদরপুর NH-44 নং রাস্তার বর্তমানে এহেন দুর্বিসহ অবস্থা যে দেখলে মনে হয়- আমরা আধুনিক সভ্যতা থেকে সেই মহেঞ্জদারো সভ্যতার মধ্যে অবস্থান করছি। বরাক উপত্যকার মানুষের যোগাযোগের একমাত্র উপায় এই NH-44 এতই খারাপ যে প্রায় ৮০ কিঃ মিঃ জায়গা গাড়ি নিতে ৪ ঘন্টা সময় লাগে তাও আবার ভালো গাড়ীতে। কংকাল সদৃশ এই রাস্তা কিছু কিছু জায়গায় মৃত্যুর হাতছানি দিছে। আমি সরকারকে অনুরোধ করবো- মন্ত্রী সভার কোন সদস্য একটি বারের জন্য এই রাস্তাটি দেখে আসুন তখনই বিশ্বাস হবে আমরাকি অবস্থার মধ্যে বাস করছি। আগে আন্দোলন হয়েছে রাস্তাকে নিয়ে কিন্তু সরকারের কোন পদক্ষেপ না থাকায় দুঃখ প্রকাশ ছাড়া আমাদের কিছু কথায় নাই।

লামডিং বদরপুর রেল লাইনের অবস্থার ব্যাপারের বিভিন্ন সময়ে এই পবিত্র সদনে আলোচনা করেছি। যদিও এই সমস্যা বর্তমানে নাই তবুও কাজের গতি যেন অগ্রসর

হচ্ছেনা। মাননীয় মুখ্যমন্ত্রীকে অনুরোধ করছি আপনি কেন্দ্রীয় সরকারের কাছে বিষয়টি উত্থাপন করে যাহাতে ব্রডগজের কাজ ত্বরান্তিত হয় তার ব্যবস্থা করে দিন। আগের একটি বিষয়ের উপর সরকারের দৃষ্টি আকর্ষণ করেছি। কিছুদিন আগে সরকার ১৫২১ খনা EGS Centre য়ে উন্নতি করে Lower Primary Status করে সরকারী করণ করা হয়ছে। কিন্তু অত্যন্ত দুঃখের সঙ্গে লক্ষ্য করেছি যে আমার নির্বাচন চক্রে সবচেয়ে ভালো EGS Centre কে গৃহীত হয়নি-কারনটা কি? কিসের ভিত্তিতে এই সব স্কুল গৃহীত হয়ছে। মাননীয় শিক্ষামন্ত্রী দয়া করে ইহার তদন্তের ব্যবস্থা করার অনুরোধ রহিল। অনেক Centre গৃহীত হয়ছে যাহা বাস্তবে নাই। শুতরাং এই ব্যাপারের যেন পুনর্বিবেচনা করা হয়।

মহোদয় অত্যন্ত গুরুত্বপূর্ণ কথা হলো যে দীর্ঘদিন ধরে আন্দোলনের ফসল হিচাবে বিভিন্ন রাজনৈতিক দল অরাজনৈতিক সংগঠন ও সামাজিক সংগঠনের মত অনুসারে নাগরিকত্বের ব্যাপারে ১৯৭১ সালের ২৫ মার্চ ভিত্তি হিচাবে গৃহীত হয়েছিল অথচ কেন্দ্রীয় গৃহ মন্ত্রনালয় গত ৯ নবেম্বর ২০০৯ সালে রাষ্ট্রীয় নাগরিক পঞ্জির জন্য ১৯৬৬ সালকে ভিত্তি বর্ষ করার অর্থে এক অধিসুচনা জারী করেছেন। অথচ মাননীয় মুখ্যমন্ত্রী বার বার ঘোষনা করছেন যে ১৯৭১ সালই হবে নাগরিক পঞ্জী প্রস্তুতের ভিত্তিবর্ষ। মুখ্যমন্ত্রী মহোদয় এই পবিত্র সদনে এই ব্যাপারে যেন তাঁর স্পষ্ট বক্তব্য রাখার জন্য অনুরোধ রাখছি এবং সরকার যেন কেন্দ্রীয় সরকারের উপর চাপ সৃষ্টি করে ঐ ৯/১১/২০০৯ সালের অধিসুচনা বতিল করার জন্য ব্যবস্থা নেন। অন্যথায় পরিস্থিতি খুবই ভয়াবহ হবে।

(Mr. Speaker vacated the chair and Madam Deputy Speaker occupied the chair.)

মাননীয়া উপাধ্যক্ষা ঃ এতিয়া বি, জে, পিৰ কোনে কয় কওঁক।

*** শ্রীসুশীল দত্ত ঃ** মাননীয়া উপাধ্যক্ষা মহোদয়া, ইতিমধ্যে যোৱা দুদিন ধৰি মহামান্য ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য সকলে বহুতো বক্তব্য আগবঢ়াই

* *Speech not Corrected*

গৈছে। The Govt. will give assurance and will ensure for taking appropriate steps against corruption and misuse of Govt fund. মাননীয়া উপাধ্যক্ষা মহোদয়া, অসমত যি কৰাপচন চলি আছে, বিশেষকৈ এন, চি, হিলচত যি ১০০০০ কোটি টকীয়া কেলেঙ্কাৰী হৈছে তাৰ ওপৰত বহুতো তর্ক বিতর্ক হৈছে। সদলত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টিও হৈছে। এই বিলাক ভালদৰে ইনভেচটিগ্যেশ্বন হব লাগে। বিশেষকৈ গাওঁ পঞ্চায়ত সমূহত যি দূৰ্নীতি তাৰ কথা পেপাৰে পত্রয়ো মাজে মাজে প্রকাশ পাই আছে। এই বিষয়ত ইনভেচটিগ্যেশ্বন কৰাৰ কাৰণে অনুৰোধ জনাইছো। লগতে বিভিন্ন কামৰ ক্ষেত্রত। বিশেষকৈ এনৰেগাৰ ক্ষেত্রত বহুতো অনিয়ম হৈছে। যোৱা ২০০৪ চনৰ পৰা আমি অসমত দৰকাৰী বস্তুৰ মূল্য বৃদ্ধি পাইছে। ২০০৪ চনৰ মে মাহত সাধাৰণ চাউলৰ দাম আছিল আঠ টকা ১০ টকা। এতিয়া ২০ টকা ২৫ টকা প্রায় ১০০ শতাংশ বাঢ়িছে। আটাৰ ১০ টকাৰ পৰা ২০ টকা হৈছে। প্রায় ১০০ শতাংশ বাঢ়িছে। তেনেকৈ চেনীৰ ১৪ টকা ১৬ টকাৰ পৰা ৪০ টকা ৪৪ টকা, মুগ দাইল ২৫ টকাৰ পৰা ৯০ টকা সেই হিচাবত ২৭৫ শতাংশ বাঢ়িল। ৰহৰ ডাইল ২৬ পৰা ৮৬ টকালৈ বৃদ্ধি পাইছে। এনেদৰে অন্যান্য সকলো সামগ্রীত ৫০ শতাংশ বৃদ্ধি পাইছে। ৰন্ধন গেছত ২৯ শতাংশ বৃদ্ধি পাইছে। এই সম্পর্কত যোৱা কালি সদনত প্রশ্ন উঠিছিল। ইটাৰ ২০২৫ টকাৰ পৰা ৪০০৯ টকা বৃদ্ধি পাইছে। এইটো এটা Sensitive কথা। বস্তুৰ দাম বৃদ্ধিৰ ক্ষেত্রত কর্ম্মচাৰী সকলে হয়তো অলপ সকাহ পাব। যিহেতু তেওঁলোকৰ দৰমহা অলপ বৃদ্ধি পাব। এতিয়া কথা হ'ল আমাৰ কৃষক বন্ধু সকল বা অন্যান্য মজদুৰ সকলৰ কি অৱস্থা হব। গতিকে তেওঁলোকৰ কাৰণে চৰকাৰে এটা বিশেষভাবে ব্যৱস্থা গ্রহণ কৰিব লাগে।

মাননীয়া উপাধ্যক্ষ মহোদয়া; আমাৰ অসমত প্রায় ২২ লাখৰ পৰা ২৬ লাখ নিবনুৱা আছে। এই সকলৰ সংস্থাপনৰ বাবে অসম চৰকাৰে ব্যৱস্থা গ্রহণ কৰিব লাগে। অসম চৰকাৰৰ কার্য্যালয় সমূহৰ অধীনত হাজাৰ হাজাৰ পোষ্ট খালী হৈ পৰি আছে। গতিকে এই পোষ্ট বিলাকত নিবনুৱা সকলক সংস্থাপনৰ দিয়াৰ ব্যৱস্থা শীঘ্রে প্রস্তুত কৰিব লাগে। ইতিমধ্যে যোৱা কালি ভেঞ্চাৰ স্কুল সমূহৰ কথা আলোচনা হৈছে। অসমৰ যিসকলে চচাইটি চার্ভিচ দি অসমৰ নাম উজ্জল কৰি আছে সেই সকলৰ কাৰণে ভাল ব্যৱস্থা লব পৰা হোৱা নাই। তেওঁলোক কাৰণে ভাল ব্যৱস্থা কৰিব লাগে। অসমৰ সকলো ভেঞ্চাৰ

স্কুল প্রভিনচিয়েলাইজ কৰিব লাগে। Government will take steps to provincialise venture schools। আমাৰ যি নতুন পে স্কেল দিয়াৰ কথা হৈছিল এতিয়ালৈকে হোৱা নাই। আমাৰ যোৱা বিধান সভাত কোৱা হৈছিল যে চেণ্ট্রেলতকৈ এটকা হলেও বেছি দিম। চৰকাৰে যেনে ধৰণে কৈছিল সেইধৰণে হোৱা নাই। Government will solve the demand of new scale of pay of State Government Employees. মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ যিসকল বিভিন্ন প্রাকৃতিক দুর্যোগৰ বলি হৈ বিভিন্ন কেম্পত আছে সেই সকলৰ শীঘ্রে সুব্যৱস্থা গ্রহণ কৰিব লাগে। Government will take steps to rehabilitate natural calamity affected people.। মাননীয় উপাধ্যক্ষা মহোদয়া, যে আমাৰ যিখিনি মাষ্টাৰ ৰোলত কাম কৰা কর্ম্মচাৰী আছে, তেওঁলোকে এটা আশা কৰি থাকে যে আমাৰ ভাল পইচা পাতি হব আৰু আমি ভালধৰণে সংস্থান, বাসস্থান আদি কৰিব পাৰিম। মই অনুৰোধ কৰিলো যাতে তেওঁলোকৰ আশাৰোৰ আমাৰ চৰকাৰে বাস্তবায়িত কৰিব পাৰে। The Government will take Steps to regularise the Services of Master Roll worker Employed in different Government departments। মাননীয়া উপাধ্যক্ষা মহোদয়া, কৰিমগঞ্জ জিলাত এনৰেগা আঁচনিৰ অধীনত যিমান কাম হব লাগিছিল সেইমতে কৰিব পৰা নাই। তাত এখন গাওঁত এনৰেগাৰ অধীনত এখন স্কুলত এটা ৰন্ধন শালাৰ কাম চলি আছিল আৰু কাম চলি থকা অৱস্থাতে ওৱাল ভাগি এজনৰ মৃত্যু হ'ল আমাৰ মাননীয় শিক্ষা মন্ত্রী এতিয়া বিধান সভাত উপস্থিত নাই, এই ক্ষেত্রত মই অনুৰোধ জনাইছো যাতে এইটো কোনে বনাইছিল, কি কৰিছিল তাৰ এটা উচিত তদন্ত হব লাগে। মাননীয়া উপাধ্যক্ষা মহোদয়া, ইতিমধ্যে লামডিং শিলচৰ ব্রডগজ লাইন হোৱাৰ কথা চলিছে, এইটো কেন্দ্রীয় চৰকাৰৰ লগত আলোচনা কৰি শীঘ্রে ব্যৱস্থা গ্রহণ কৰিব লাগে। আমি ইনফৰমেচন পাইছো এইটো যিহেতু নেচনেল হাইওৱে অথৰিটিক হেল্ড অভাৰ কৰা হৈছে। গতিকে কামতো পিছতো কৰিব পাৰে। যিহেতু বন বিভাগৰ ডিফিকালটিজ আছে। সেয়েহে কিছু মেইনটেনেন্সৰ কাম কৰি ৰাস্তা ভালকৈ ৰাখিব লাগে। ইয়াত মাননীয় গড়কাপ্টানী মন্ত্রী ডাঙৰীয়ানী উপস্থিত আছে। লামডিংৰ পৰা লংকালৈ যোৱা ৰাষ্টাটো বেয়া হৈ আছে।

ঠিক তেনেদৰে নগাওঁৰ পৰা লংকা আৰু লামডিংৰ পৰা এন চি হিলচলৈ যি ৰাস্তা গৈছে সেই ৰাস্তাৰ অৱস্থাও ভাল নহয়। লংকাৰ পৰা ডেৰ কিলোমিটাৰ ইফালে যোৱা বাই পাচ ৰাস্তা আৰু ডেৰ কিলোমিটাৰ সিফালে যোৱা বাইপাচ ৰাস্তা বেচি বেয়া হৈ আছে। ঠিক তেনেদৰে লামডিংত সোমাই ডেৰ কিলোমিটাৰ ইফালে যোৱা বাইপাচ ৰাস্তা আৰু ডেৰ কিলোমটাৰ সিফালে যোৱা বাইপাচ ৰাস্তা আৰু বেচি বেয়া হৈ আছে। মই এই ৰাস্তা কেইটা মেৰামতি আৰু নিৰ্মাণ কৰাৰ কাৰণে মন্ত্রী মহোদয়াৰ দৃষ্টি আকর্ষণ কৰিলো। মেইনটেনেন্সৰ কাৰণে কোটি কোটি টকা আহি আছে। তাঁৰ কাৰণে নেচনেল হাইওৱে অথৰিটিৰ ঠিকাদাৰ সকল আৰু বিষয়া সকল সন্তুষ্ট। গতিকে মূল পথৰ কাম নহলেও মেইনটেনেন্সৰ কাম বিলাক ভালকৈ কৰিব লাগে। এই কথাটো মই মাননীয় মন্ত্রী মহোদয়াৰ দৃষ্টি আকর্ষণ কৰিলো। এইখিনিকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয়া উপাধ্যক্ষা ঃ মাননীয় সদস্য, শ্রীউদ্ধৱ বর্মন।

শ্রীউদ্ধব বর্মণ ঃ- মাননীয়া উপাধ্যক্ষা মহোদয়া, মাননীয় সদস্য ৰাণা গোস্বামী ডাঙৰীয়াই ২ মার্চ তাৰিখে ৰাজ্যপালৰ ভাষণৰ ওপৰত যিটো ধন্যবাদসূচক প্রস্তাৱ উত্থাপন কৰিছে সেই সন্দর্ভত মই কেইটামান কথা সংযোগ কৰাৰ কাৰণে কিছু কথা কব বিচাৰিছো। এটা কথা ঠিক যে আমাৰ মাননীয় ৰাজ্যপালৰ ভাষণে মূলতঃ চৰকাৰী নীতি আৰু কাম কাজৰ কথাকেই উল্লেখ কৰিছে। এইটো কথা স্পষ্ট। কিন্তু ৰাজ্যপালৰ ভাষণত আমি কিছুমান কথা বাদ পৰা দেখিবলৈ পাইছো। আমাৰ ৰাজ্যখন কৃষি প্রধান ৰাজ্য বুলি কোৱা হৈছে। কিন্তু কৃষি প্রধান ৰাজ্য বুলি কোৱা হৈছে যদিও ৰাজ্যপালৰ ভাষণত কিন্তু কৃষি আৰু কষৃকৰ সমস্যা সম্পর্কে কোনো কথা উল্লেখ কৰা নাই। আমাৰ ৰাজ্যখনৰ কৃষি খণ্ড এক ভয়াবহ সংকটৰ মাজেৰে গৈ আছে। বানপানী, গড়া খহনীয়া আদি প্রাকৃতিক দুর্যোগে আমাৰ ৰাজ্যখনৰ যথেষ্ট পৰিমাণৰ কৃষি পথাৰ নষ্ট কৰিছে। তাৰোপৰি আমাৰ ৰাজ্যখনত জলসিঞ্চনৰ ব্যৱস্থাও যথেষ্ট দুর্বল। কৃষিৰ ক্ষেত্রত কৃষি মেলাৰ কথা কোৱা হৈছে যদিও সম্প্রতি কালত কৃষিৰ কাৰণে যি বীজ, সাৰ, বিদুৎ, মেচিনাৰী সামগ্রী আদি বিভিন্ন সামগ্রী প্রয়োজন অনুসৰি কৃষক সকলে পোৱা নাই। কৃষকে কৃষি সামগ্রীৰ উৎপাদনৰ বাবে

যিমান ব্যয় কৰে তাৰ তুলনাত যথেষ্ট কম দাম পায়। স্বাভাবিকতে আমাৰ ৰাজ্যখনত কৃষিৰ বিকাশ হোৱা নাই। আমাৰ ৰাজ্যখনত জনসংখ্যা অনুপাতে যেনেধৰণে কৃষিৰ উৎপাদন হব লাগিছিল। তেনেধৰণে কৃষিৰ উৎপাদন হোৱা নাই। কৃষি বিকাশৰ হাৰ আমাৰ ইয়াত কমি গৈছে। আমাৰ ইয়াত কৃষকৰ অৱস্থা যথেষ্ট পৰিমাণে বেয়া। আমাৰ ৰাজ্যখনত কৃষি অর্থনীতি ভাঙি গৈ আছে। আনহাতে গাওঁ অঞ্চলত প্রয়োজনীয় উন্নয়ন মূলক কাম কাজ হোৱা নাই। ফলত গাওঁ অঞ্চলৰ পৰা চহৰ অঞ্চললৈ মাইগ্রেচন হৈছে। অকল গাওঁৰ পৰা আমাৰ ৰাজ্যখনৰ চহৰ অঞ্চললৈকে যে মাইগ্রেচন হৈছে এনে নহয়, অসমৰ বাহিৰৰ ৰাজ্যলৈকো মাইগ্রেচন হৈছে। আর্থিক বিকাশ হোৱা নাই কাৰণেই আমাৰ ৰাজ্যখনৰ জনসাধাৰণ আজি বাহিৰৰ ৰাজ্যলৈ যাবলগীয়া হৈছে। মেনুফেকচাৰিং চেক্টৰত বিকাশ যথেষ্ট কম হৈ আছে। ফলত গাওঁ অঞ্চলৰ পৰা কর্মসংস্থান বিচাৰি মানুহে নগৰলৈ যাবলগীয়া হৈছে। আমাৰ কৃষিৰ ক্ষেত্রত যথেষ্ট পৰিমাণে সংকট বঢ়াৰ কাৰণেই এই অৱস্থা হৈছে। গতিকে ইয়াৰ পৰা আমাৰ ৰাজ্যখনৰ জনসাধাৰণক সকাহ দিয়াৰ কাৰণে কিছুমান প্রগ্রেম ইম্পলিমেন্ট কৰিব লাগে। কেন্দ্রীয় চৰকাৰে গ্রীণ ৰিভোলিউচনৰ কথা কৈছে। অন্যান্য ৰাজ্যত কৃষি উৎপাদন বৃদ্ধি হৈছে যদিও আমাৰ উত্তৰ পূর্বাঞ্চলত কিন্তু তেনেদৰে উৎপাদন বৃদ্ধি হোৱা নাই। গ্রীণ ৰিভোলিচনৰ কাৰণে আমাৰ যি সম্ভাৱনা আছিল কেন্দ্রীয় চৰকাৰৰ পৰা পর্য্যাপ্ত পৰিমাণৰ সা-সুবিধা নোপোৱাৰ কাৰণে আমি তাৰ পৰাও বঞ্চিত হব লগীয়া হৈছো। এই সম্ভাৱনাৰ পৰা বঞ্চিত হবলগীয়া হোৱাতো যথেষ্ট পৰিমাণে প্রকট হৈ পৰিছে। আমাৰ গাওঁ অঞ্চলৰ লোকে পইচা আয় কৰাৰ কাৰণে চিন্তা কৰিবলগীয়া হৈছে। এনৰেগা আঁচনিৰ ক্ষেত্রত মই কব বিচাৰিছো যে গাওঁ অঞ্চলৰ যি বিলাক মানুহে জব কার্ড বিচাৰিছে সেই সকলো মানুহে জৱকার্ড পোৱা নাই। যি বিলাকে জৱকার্ড পাইছে তেওঁলোকৰো কিছুমানে কাম পোৱা নাই। যিবিলাকে কাম পাইছে তেওঁলোকেও এশ দিনৰ কাম পোৱা নাই। গতিকে গাওঁ অঞ্চলৰ মানুহক আর্থিক ক্ষেত্রত যেনে ধৰণে সকাহ দিব লাগিছিল তেনে ধৰণে সকাহ দিব পৰা নাই। তাৰ কাৰণে কৃষিৰ ক্ষেত্রত গাওঁ অঞ্চলত যথেষ্ট পৰিমাণে সমস্যা বাঢ়িছে। ইয়াৰ উপৰিও বি পি এল আঁচনি, অন্তোদয়া আঁচনি, ৰাজীৱ গান্ধী বৈদ্যুতিক আঁচনি আদি বিভিন্ন আঁচনি আছে। বি পি এল আচনিটো এটা গুৰুত্বপূর্ণ আচনি। এই আঁচনি বিলাক ভালদৰে ইমপ্লিমেন্ট কৰাৰ ব্যৱস্থা

কৰিব লাগে। অর্জুণ সেনগুপ্ত কমিচনে দৰিদ্ৰৰ সংখ্যা সম্পৰ্কত অলপ বেলেগ ধৰণৰ কথা কৈছে। চাকচেনা কমিচনেও বি পি এল লোকৰ সংখ্যা ৫০ শতাংশৰ কথা কৈছে। আমাৰ ৰাজ্যখনত বি পি এল লিষ্টত যিমান সংখ্যক মানুহৰ নাম থাকিব লাগে সিমান সংখ্যক মানুহৰ নাম নাই। কিন্তু কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্যখনত বি পি এল সংখ্যা আৰু কমাব বিচাৰিছে। এইটো কৰিলে আমাৰ ৰাজ্যখনৰ সমস্যা আৰু বাঢ়িব। গতিকে আজি এই কথা বিলাক লক্ষ্য কৰা উচিত।

মাননীয়া উপাধ্যক্ষা মহোদয়া, আমাৰ ৰাজ্যখনত সংখ্যালঘু সকলৰ সমস্যা বাঢ়িছে। বিভিন্ন সংবাদ মাধ্যমত তেওঁলোকক হাৰাশাস্তি কৰা হৈছে বুলিও বাতৰিত কোৱা হৈছে। আৰু ৰঙ্গনাথ কমিচনে তেওঁলোকৰ চাকৰি, শিক্ষা আদি সংৰক্ষণৰ পৰামৰ্শও দিছে। আমাৰ ৰাজ্যখনৰে হওক বা অন্যান্য ৰাজ্যৰে হওক এই বিষয়ে চিন্তা চৰ্চ্চা কৰা উচিত। উপাধ্যক্ষা মহোদয়া, উগ্রপন্থীসকলৰ কাম কাজ ৰাজ্য খনত চলি আছে। আজি ইঞ্চাৰ্জেঞ্চি সমস্যা আছে। এই সমস্যাটোৰে আমাৰ দেশ তথা ৰাজ্যখনত উন্নয়নমূলক কাম কাজত যথেষ্ট বাধা-বিঘিনিৰ সৃষ্টি কৰিছে। এই সমস্যাটোৰ সমাধান পথ এটা উলিওৱাটো অতি জৰুৰী। আমাৰ ৰাইজেও ইয়াত সহযোগ কৰিব। মই আশা কৰিছো মোৰ এই কথাখিনি ৰাজ্যপালৰ ভাষণত সন্নিবিষ্ট কৰিব বুলি আশা কৰিলো।

মাননীয়া উপাধ্যক্ষাঃ শ্রীদ্রুপদ বৰগোঁহাঁই।

শ্রীদ্রুপদ বৰগোহাঁই ঃ মাননীয়া উপাধ্যক্ষা মহোদয়া, মোৰ সময় মাত্র দুই মিনিট। মোৰ ভূৰুকাত হাতী ভৰোৱা অভ্যাস নাই। তথাপিও দুটামান কথা কব বিচাৰিছো। আমাৰ চৰকাৰে কাম কৰিছে। তেওঁলোকে কাম নাই কৰা বুলি নকও। কিন্তু ৰাজ্যপালৰ ভাষণৰ যিখন কিতাপ ছপাইছে সেইখন মই পঢ়িছো। তাৰে ৪ পৃষ্ঠাত এটা কথা আছে। তেওঁলোকে ৩৪.৪০ লাখ লোকক জব কার্ড দিছে বুলি আছে। কিন্তু জব কার্ডৰ যিসকল লোকক দিয়া হৈছে তেওঁলোকক সুধিলে গম পোৱা যায় যে তেওঁলোকে কাম আৰু সময় মতে মজুৰী পোৱা নাই। তেওঁলোকে কয় বি ডি অৰ কথা, বি ডি অই বেংকৰ কথা কয়। জব কার্ডত এশ দিনৰ কাম দিব লাগে আৰু প্রত্যেককে এশ টকাকৈ মজুৰি দিব

লাগে। কিন্তু সঠিক ভাবে পোৱা নাই । মাননীয় বিধায়ক পদ্ম হাজৰিকাই ঠিকা ঠুকলি বিলাকৰ কথা কৈছে। সেই বিলাক ঠিকাদাৰ সকলে কিনি নিব লগা হৈছে। তেওঁ কৈছে ৪০% মাননী দিব লাগে। কিন্তু ৪০% হয় নে নহয় নাজানো। কিন্তু ৫% বা ৬% দিব যে লাগে খাটাং। PMGSY ৰাস্তা বনোৱা হৈছে। কিন্তু এবছৰতে ভাগি গৈছে। মোৰ সময় হৈছে, পট্টা দিয়া বুলি কোৱা হৈছে, কিন্তু বৰপেটাৰ কাৱৈমাৰি, নলবাৰী গ্ৰেজিং, শিৱসাগৰৰ গ্ৰেজিং ৰিজাৰ্ভ, নগাওঁৰ কাকী বনাঞ্চলত আজি বহু বছৰ ধৰি বসবাস কৰি আছে। সেই বিলাকক পট্টা কিয় দিয়া হোৱা নাই। পট্টা নাথাকিলে কোনো কাম কৰিব নোৱাৰি। ইলেক্ট্ৰিচিটি লবলৈও মাটিৰ পট্টা লাগে। ঋণ লবলৈও মাটিৰ পট্টা লাগে। বন্দোবস্তি দিয়া হৈছে কিন্তু পট্টা দিয়া হোৱা নাই। এনেবোৰ সত্য ৰাজ্যপালৰ ভাষণত অন্তর্ভুক্ত কৰিব লাগে।

(Madam Deputy Speaker Vacated the Chair and Mr. Speaker Occupied the Chair.)

শ্ৰীআব্দুল আজিজ ঃ-মাননীয় অধ্যক্ষ মহোদয়, মোক সময় দিছে ৩ মিনিট । এই ৩ মিনিট সময় বহুত কম। তথাপি ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত আমাৰ বিৰোধী দলপতি ডাঙৰীয়াই যি সংশোধনী প্ৰস্তাৱ আনিছে মই তাক সমর্থন কৰি কেইটামান কথা কব বিছাৰিছো। মই যিহেতু সংখ্যালঘু সম্প্ৰদায়ৰ লোক সংখ্যালঘুৰ কথা কবই লাগিব। ২০০৬ চনৰ পৰা আজিলৈ মই ৰাজ্যপালৰ ভাষণ পঢ়িলো সকলো ভাষণেই পৃষ্ঠাই পৃষ্ঠাই পঢ়িছো ভাষণটো একেজনে লিখে আৰু একে কথাকে লিখে মাত্ৰ ৰাজ্যপাল গৰাকী সলনি হৈছে, অসমত মুছলমানৰ সংখ্যা তেতিয়াও শতকৰা ২৫ ভাগ আছিল। কিন্তু অৰুনাচল, নাগালেণ্ড, মিজোৰাম যোৱাৰ পাছতো সেই একেই সংখ্যা আছে। এতিয়া অসমত শতকৰা ৩৫ ভাগ মুছলমান লোক হব। আমি অসমৰ ভিতৰত নতুনকৈ মাটি বিচৰা নাই । আজি জনজাতি সকলৰ বিভিন্ন গোটে স্বায়ত্ব শাসন বিচাৰিছে পাছে বড়োভাই সকলে বড়োলেণ্ড বিচাৰিছে হয়তো পাব। কিন্তু বিমলা প্ৰসাদ চলিহাৰ দিনৰ পৰা মুছলমানে কিবা বিচাৰিছে? অসমত শতকৰা ৩৫ ভাগ মুছলমানৰ কাৰণে এন আৰ চিৰ কথা আহিছে। এই সংক্ৰান্তত মই বিধান সভাত কেবাবাৰো প্ৰশ্ন উত্থাপন কৰিছো।

১৯৭১ চনক ভিত্তি বছৰ হব লাগে বুলি কৈছো। কিন্তু মোৰ অসমত ২.৭০ লাখ ভোটাৰৰ নামৰ পাছত 'দি' লিখিছে। আজি বিভিন্ন ঠাইত পুলিচ সোমাইছে আৰু ১৯৬৬ চনৰ ভোটাৰ লিষ্ট খুজিছে দুখীয়া নিছলা মানুহে বাৰু ভোটাৰ লিষ্টখন লগত ৰাখে নে? মোৰ সমষ্টি জুৰীয়াত মই আজিও খবৰ পাইছো পুলিচে ১৯৬৬ চনৰ ভোটাৰ লিষ্ট বিচাৰি বিভিন্নজনক হাৰাশাস্তি কৰিছে। আমি আমাৰ গ্ৰেণ্ড ফাদাৰৰ জন্মৰ আগতে আহিছো। পাকিস্তানৰ লগত বাংলাদেশ চামিল হৈ থাকোতে আজিও যদি সেই সকল লোকক হাৰাশাস্তি কৰে কেনেকৈ এওঁলোক জীয়াই থাকিব। যোৱা ২ নবেম্বৰ, ২০০৯ যিখন চাকুৰ্লাৰি ওলাইছে ৰাজ্যপালৰ ভাষণত তাক কৈছে ১৯৭১ চনক ভিত্তি বছৰ হিচাবে লৈ এন আৰ চি কৰিব বিচাৰিছে আমি মানিছো। কিন্তু সংখ্যালঘু লোক দেখিলেই এতিয়া মহানগৰীত পুলিচে ধমক দিয়ে আৰু য'তে ত'তে ভোটাৰ লিষ্ট বিচাৰে। (সময়ৰ সংকেট) আমি এ জি পি, বি জে পি, কংগ্রেছ, এ ইউ দি এফ আমি সকলোৱে লগ হৈ কৈছে যে এন আৰ চি কাৰৰ আগতে অন্তত মুছলমান বুলিয়েই হাৰাশাস্তি কৰাটো বন্ধ কৰিবলৈ মুখ্যমন্ত্রী মহোদয়ক অনুৰোধ জনাইছো। সেই কাৰণে আমি কৈছো যে ১৯৭১ চনৰ ভোটাৰ তালিকাক ভিত্তি কৰি ১৯৫১ এন আৰ চি উন্নতিকৰণৰ ক্ষেত্রত আমাৰ মুঠেই আপত্তি নাই, বৰং আমি ইয়াক আদৰণি জনাইছো। কিন্তু এন আৰ চি উন্নতিকৰণৰ ক্ষেত্রত সংখ্যালঘুৰ দাবী হ'ল।

এন আৰ চি উন্নীতকৰণ কৰা হওঁক, সর্বভাৰতীয় নীতিৰ ভিত্তিত বৈষম্যমূলক সুকীয়া আধাৰনীতিৰ ভিত্তিত নহয়।

ফৰেইন ট্রিবুনেলত থকা সকলোবোৰ গোচৰ নিস্পত্তি কৰাৰ পিছত এন আৰ চিৰ কাম আৰম্ভ কৰা হওক।

ফৰেইন ট্রিবুনেলত থকা সকলোবিলাক গোচৰ তিনিৰ পৰা পাচ বছৰৰ ভিতৰতে নিস্পত্তি কৰাৰ বাবে লোক আদালত বা স্থায়ী লোক আদালত লেখীয়া বিশেষ বিচাৰ ব্যৱস্থাৰ সৃষ্টি কৰা হওক।

কোনো বাচ বিচাৰ নকৰাকৈ সংখ্যা লঘু জনগোষ্ঠীৰ বিৰুদ্ধে যধেমধে এফ টি বোৰত গোচৰ-ৰুজু কৰা প্রক্রিয়া বন্ধ কৰক আৰু ভোটাৰ তালিকাৰ পৰা 'দি' আখৰ উঠাই দিয়া হওক।

এইখিনি নকৰি যধে মধে মুছলমানৰ ওপৰত অত্যাচাৰ চলালে মই ৰাজনীতিৰ পৰা বিদায় লম। এইখিনি কৈ বক্তৃতাৰ সামৰণি মাৰিলো।

***শ্রীজগৎ সিং ইংতি** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত বিৰ্তক ৰাখি মই এটা কথা কব বিচাৰিছো। আমাৰ কাৰ্বিআংলংৰ প্রথম সমস্যা হৈছে সন্ত্রাসবাদ। চৰকাৰে এই সন্ত্রাসবাদৰ সমস্যা সমাধানৰ কাৰণে আলোচনা কৰি আছে আমি তাক আদৰনি জনাইছো। নুনিচা গ্রুপৰ লগত আলোচনা আৰম্ভ কৰিছে সমাধান সূত্র ওলাব বুলি আশা কৰিছো। সোনকালে সমস্যাবোৰৰ সমাধান কৰিব নোৱাৰিলে এতিয়া তেওঁলোক কেম্পত আছে ওলাই আহি বা কি কৰে? পার্টিজান চোলুচন আমি নিবিচাৰো। কার্বিআংলঙৰ মানুহ যদি অসমতে থাকিব লাগে তেনেহলে সোনকালে সমস্যাটোৰ সমাধান কৰক।

দ্বিতীয়তে, উত্তৰ কাছাৰ জিলাৰ এহেজাৰ কোটি টকীয়া য়িটো কেলেংকাৰী সেই সম্পর্কত কবলৈ নাযাও। কিন্তু উত্তৰ কাছাৰ বা কার্বি আংলঙৰ মাজত যিখন অফিছ মেমোৰান্দাম আছে তাত দুটা কিস্তি টকা মোকলাই দিয়া কথা আছে আৰু টকা চিঙ্গল বিলত বিলিজ কৰা হব ——

মাননীয় অধ্যক্ষ — আপুনি বহক। এতিয়া সময় ৫ বাজিছে আৰু কেইবাজনো নির্দ্দলীয় বিধায়কে কবলগীয়া আছে। মাননীয় মুখ্যমন্ত্রীও উত্তৰ দিব। কংগ্রেছ দলৰ সময় শেষ হৈছে। গতিকে বিতর্ক শেষ নোহোৱালৈ আমি বহিব পাৰো ইয়াৰ বাবে সদনৰ সন্মতি আছে নে?

(ভইচ-হয় আছে)

আপোনাৰ সময় শেষ হৈছে। এতিয়া মাননীয় সদস্য শ্রীভুবন পেগুৱে কব।

*** শ্রীভুবন পেগু** ঃ- মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক উন্নয়নৰ কথা কৈছে কিন্তু কত কি উন্নয়ন হৈছে। ঘৰ এখনৰ আটাইতকৈ দুর্বল মানুহ জনৰ প্রতি কেনেকুৱা ব্যৱহাৰ কৰা হৈছে সেইটো চালেই গম পোৱা যাব ঘৰ খনৰ উন্নয়ন কিমান হৈছে।

** Speech not Corrected*

চাৰ, অসম ডেভলপমেন্ট বেকৱাৰড কমিটি ৰুৱাৰ কথা কৈছে। উন্নয়নৰ টকা আহিছে Govt. Committed SC/ST and other Socially and back ward Communities। প্ৰায়ৰিটি বুলি কৈছে আৰু ভাল পাইছে, কমিটি বুলি কৈছে শুনি ভাল পাইছো। আজিৰ তাৰিখত মনত ৰখা হওক যে ছটা কমিটিৰ কথা কৈছে, ঠেঙাল, কছাৰী আদি আৰু বাকী চাৰিটা পোৱা নাই। মাৰ্চ মাহৰ যি পোন্ধৰ দিন বাকী আছে পইছা পাওতে এই ১৫ দিনও শেষ হৈ যাব। এইদৰে মাৰ্চ মাহটো শেষ হব। ক'ত কেনা লাগিছে। আজিৰ সদনত গড়কাপ্তানী বিভাগৰ মন্ত্ৰী আছে, মাননীয় মুখ্যমন্ত্ৰী আছে। মই শুনিব খুজিছো বছৰৰ শেষত টকা দিয়াটোৱেই প্ৰায়ৰিটি হ'ল নেকি? আজিলৈকে লিখিত ভাবে জনোৱা নাই কোনো ডিচিচন লোৱা নাই। যি খিনি টকা দিছে আজিলৈকে পোৱা নাই। মনিচেনা আয়োগ The Monisena Sing Commission of Inquiry wrote two letters on 14.7.2008 and 21.7.2008 to Principal Secretary. Home & political Departments Seeking additonal Powers under Subsection (2),(3),(4) or (5) of Section 5 of the Commission of Inquiry Act. It is found that these letters had gone to wrong hands. I expect that Govt. will take necessary Steps on the matter। কেবিনেট ডিচিচন হোৱা নাই। ইয়াত স্পষ্টকৈ কৈছে যে চৰকাৰে চীল কৰিবৰ চেষ্টা কৰিছে। মই চৰকাৰক চীল কৰিবলৈ মানা কৰিছো। কিমান টকা পালে কিমান ব্যৱহাৰ হ'ল বা নহ'ল তাৰ একো উল্লেখ নাই। এই সংশোধনী প্ৰস্তাৱটো আগবঢ়াইছো।

মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় মুখ্যমন্ত্ৰী।

*** শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ**-প্ৰফুল্ল মহন্তই ৰাজীৱ ভৱনত টকা দিয়া বুলি কৈছে প্ৰমাণ কৰক। তেওঁ বহু ক্ষেত্ৰত এটা কথাকে কৈছে, অকল হাত জোকাৰি থাকিলেই নহব। মই আজি স্পষ্ট কৰিব বিচাৰিছো আমাৰ চৰকাৰৰ দিনত যিমান ইন্ট্ৰিগ্ৰেল গ্ৰুপ কৰিছো ইমান আনে কৰা নাই। অ'ল পাৰটিৰ মিটিং হৈছিল বি. জে. পি. নাহিলে, এ. জি.

* *Speech not Corrected*

পি আহিল। ইউ পি দি এচে যদি পায় পাওক। যদি মই চিনচিয়েৰ নহও তেনেহলে কেনেকৈ পাই আছে। এসময়ত মোৰ এজন কাজিন ব্রাদাৰ মাৰিলে। কেন্দ্রীয় চৰকাৰে মানুহ মৰা নাই। কথা হ'ল চিনচিয়েৰিটি কিমান। মহন্তই কৈছিল মোৰ লগত আলফাৰ সম্বন্ধ আছে। মই কও মোৰ লগত আলফাৰ সম্বন্ধ নাই। এই কথা আপুনিও জানে সম্বন্ধ কাৰ লগত আছে। মাৰ্ঘেৰিটাৰ ইলেকশ্যনত মই যাব পৰা নছিলো। আজি আলফাই হওক বা এন ডি এফ বিয়ে হওক তেখেত সকলে বন্ধ দিয়া নাছিল। তেখেত সকলে কৈছে যে চিনচিয়েৰিটি আজিও নাই। তেন্তে তেখেত সকল কিয় আহিছে। মই প্রথমতে কৈছো যে ৰাজ্যখনৰ উন্নয়ন হব লাগিব। ২ নং হ'ল মানুহ মাৰিবলৈ দিব নোৱাৰো। ৩ নং দৰ্জাখন খুলি ৰাখিব লাগিব। কিমান মানুহ অসন্তুষ্ট হয় হওক, উন্নয়ন হব লাগে আৰু তাৰ ষ্টেটমেন্ট লব লাগিব।

উন্নয়নৰ ফলত মানুহ সন্তুষ্ট হৈছে, হস্পিতালৰ সুবিধা হৈছে, লৰা-ছোৱালীৰ কাৰণে উপার্জনৰ যি স্কীম লোৱা হৈছে, তেওলোকে সুবিধা পাইছে। মই বিশেষ ভাবে ত্রয়োদশ বিত্ত আয়োগৰ সিমান্তৰ ঠাই সমূহ লাগে অৰুণাচলেই হওঁক, সেইবোৰৰো উন্নয়ন হব লাগে, মুঠতে সকলো বিলাক ঠাইৰ উন্নতি হব লাগে। মুঠতে আমাৰ উন্নয়নমূলক আঁচনি সফল হৈছে। আজি চাওঁক গুৱাহাটী, নলবাৰী, ধুবুৰী, তিনিচুকীয়াই হওঁক সকলোলৈকে 'দে এণ্ড নাইট' বাছ চলে আৰু আধুনিক সুবিধা সকলোখিনি আছে। এইটোৱে মোৰ সপোন আৰু সেইমতে কামবোৰ কৰি আছো। আমি মানুহ মাৰিবলে দিব নোৱাৰো। গুপ্তহত্যাই কি কয়। ৰাতি শুই থাকোতে মুখত কলা কাপোৰ বান্ধি শুই থকাৰ পৰা নি এটাৰ পিচত এটাকৈ হত্যা কৰি আহিছে। মোৰ দিনতো তেনে দুই এটা ঘটনা হব পাৰে, এই বিলাক বন্ধ কৰাৰ দায়িত্ব কাৰ সেই দায়িত্ব আমাৰেই। প্রফুল্ল মহন্তৰ দিনত প্রেচিডেন্টচিয়েল ৰুল হব লাগে বুলি দাবী কৰিছিল। কিন্তু প্রধান মন্ত্রী আহোতে প্রফুল্ল মহন্তই আদৰিবলৈ নগল অথচ সেইজন প্রধানমন্ত্রীয়ে কি দিয়া নাই? আসাম একর্ডত চহী কৰিলে, ৰিফাইনেৰী দিলে, আই, আই টিকে ধৰি বহু বস্তু দিলে, কেন্দ্রীয় বিশ্ববিদ্যালয়

দিলে, কিন্তু সেই জন প্রধান মন্ত্রী অসমলৈ আহোঁতে আদৰিবলৈ নগল। ভাৰতবৰ্ষৰ অন্য ঠাই উৰিষ্যা, বেঙ্গল আদি ঠাইৰ এনে উদাহৰণ পাবলৈ নাই। ১৯৯৬ চনত কেনেকৈ নগাওঁৰ পৰা আৰম্ভ কৰি ভোট গনণাৰ সময়ত মাৰি খেদিছিল। আমাৰ কেইজন মানুহ আহিছিল, ১৯৮৫ চনত কংগ্রেছৰ পৰা। ১৯৮৬ চনত চি. পি. এমক সমাজিক ভাবে বয়কট কৰা হৈছিল। মই এই কথাটো এই কাৰণেই কৈছো, কেতিয়াবা হাৰিব, কেতিয়াবা জিকিব। আত্ম নিয়ন্ত্রণৰ কথাটো পুৰণা বক্তব্য।

মাননীয় অধ্যক্ষ মহোদয়, আমি এতিয়া আত্ম নিয়োগৰ কথা কৈছো। আমাৰ ফালৰ পৰা কৈছো। আমাৰ কথা হৈছে আমি ভাৰতবৰ্ষত থাকো। আমাৰ সংস্কৃতি ভাৰতীয় সংস্কৃতি এই বিলাক হাজাৰ বছৰৰ আগৰ শংকৰ দেৱ আমাৰ চুকাফাও ইয়ালৈ আহিছিল। ইয়াত আহি ভাৰতীয় সংস্কৃতি আপোন কৰি লৈছিল। আমি এতিয়া ভাৰতীয় আৰু ভাৰতীয় হৈ থকিম। আমি ক্ষমতা পাব লাগে। নক্সালিষ্টে উৰিষ্যাত কি কৰিছে। আমি কেৱল অসমৰে নহয় আমি ভাৰতীয়ৰ লগতে পৃথিবীৰো মানুহ। আমি ওৱাৰ্লড বেংকৰ বা এচিয়ান ডেভেলপমেন্ট বেংকৰ পৰা লোন লবলগীয়া হয়। মই আত্ম পৰিচয়ৰ কথা কৈছো। আলফাও আমাৰ ইয়াতে আছে, এই পৃথিবীতে আছে। এইটো হৈছে ইনটাৰ নেচনেল কথা। মই ক্ষমতা বিতৰণৰ কথা কৈছো- সংবিধানে পঞ্চায়তক ক্ষমতা নিদিয়ে পঞ্চায়ত নিৰ্বাচন নেপাতিলে। নিৰ্বাচিত পঞ্চায়তে ক্ষমতা পাব। গ্রাম্য অঞ্চলৰ মানুহক আমি বহুত বেছি ক্ষমতা দিবলৈ বিচাৰিছো। We are very concerned for the people of Assam এইখিনি মই ডাইৰেক্ট কথা কৈছো। আমাৰ কাউনঞ্চিল বিলাকৰ কথা কৈছো তেওঁলোকে ক্ষমতা পাইছে। মিচিং কাউনচিল আছে তেওঁলোকেও পাইছে। আৰু এটা কথা ৬ ষ্ঠ অনুচ্ছেদৰ কথা কৈছো। ৬ ষ্ঠ অনুচ্ছেদৰ ক্ষমতা অধিক। সেই কথাবোৰ বহুতে নেজানে। ডিষ্ট্রিক্ট কাউনঞ্চিলে বহুত কৰিব পাৰে। কেন্দ্রীয় চৰকাৰৰ পৰা এই ক্ষমতা পাইছে। চি বি আইৰ কথা আমি কৈছো , এন আই এ ৰ কথাও আমি কৈছো। এই বিলাকৰ কাৰণে এটা বিষয় দিব লাগে। এন আই এ কি কৈছে-চি বি আইয়ে অনুসন্ধান কৰিব লাগে। আৰু কৈছে যে আমি কেন্দ্রীয় চৰকাৰক হেচা প্রয়োগ কৰা নাই। যি বিলাকৰ

কোনো ৰিপৰ্ট নাই তাত কি কৰিব পাৰি। দুনীতিৰ কথা কৈছোৱে-এই বিলাকৰ অনুসন্ধান কৰা হৈছে। দোষীয়ে শাস্তি পাব। অনুসন্ধান কৰা নথিৰ কথা কৈছো-কোনজন মুখ্যমন্ত্রীয়ে নথি নোচোৱাকৈ চহী কৰে। হেচাঁ প্রয়োগ কৰি নথি চহী কৰাব পাৰে নেকি? মই তৰুণ গগৈয়ে কাৰো হেচাঁ প্রয়োগত কাম নকৰো। তৰুণ গগৈয়ে বেলেগ কথা নকয়। যিটো সত্য বুলি ভাবো সেইটো কম। আমি উন্নয়নৰ ক্ষেত্রত অঞ্চল ভিত্তিত কৰিব লাগিব, জিলা ভিত্তিত কৰিব লাগিব আৰু ৰাজ্য ভিত্তিত কৰিব লাগিব সকলোতে কৰিব লাগিব। মন্ত্রী সকলে সেই মতে কাম কৰিব লাগিব। বিদেশী খেদা আন্দোলন কোনে কৰিছিল। অৰুণাচলীকো কোনে বিদেশী বুলি কৈছিল। আমাৰ দেশত কোনো বিদেশীকে ৰক্ষনা-বেক্ষন দিয়া নহব।

মাননীয় অধ্যক্ষ মহোদয়, মই কোনো বিদেশী নাগৰিকক ৰক্ষনা-বেক্ষন দিয়া নাই, কিন্তু প্রতিজন ভাৰতীয় নাগৰিকক ৰক্ষনাবেক্ষন দিম বুলি কৈ আহিছো। তাৰ কাৰণে কোনো লুক-ঢাক কৰা নাই। আজি আই এম ডি টি আইনখন কি হ'ল? কোনে কি কৰিলে? সকলোৱে ৰুলিং পার্টিকে গালি পাৰে। বিদেশী নাগৰিক বুলি সন্দেহ কৰি যধে মধে নটিচ দিব নালাগে। নেপালী, বঙালী আৰু মুছলমান সম্প্রাদয়ৰ লোকক বিদেশী বুলি নোটিচ দিছে। ৰাষ্ট্রীয় নাগৰিক পঞ্জীয়ন কোন চনৰ পৰা হব লাগে সেই লৈ লাগিছে। কিছুমানে কৈছে ১৯৬৬ চনৰ পৰা হব লাগে, আমি কৈছো ১৯৭১ চনৰ পৰা হব লাগে। বিষয়টো কেন্দ্রীয় চৰকাৰৰ লগত আলোচনা কৰি সমাধানৰ বাবে আমি চেষ্টা কৰিম। তাৰ কাৰণে কিছু সময় লাগিব। 'এন এচ চি এন' ৰ লগত আলোচনাত বহিবৰ বাবে কিমান দিন লাগিছে আপোনালোক সকলোৱে জানে। আলফাৰ লগত আলোচনাত নবহা কথাটো আমি কোনো দিনে কোৱা নাই। আলোচনাৰ বাবে বাতাবৰণ ভাল হোৱাটো আমি বিচাৰিছো। বাকী যি সকল জেলৰ বাহিৰত আছে মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাকে আদি কৰি সকলোৱে কেন্দ্রীয় চৰকাৰ আৰু আমাৰ পলিচিটো একে হওঁক। কেন্দ্রীয় চৰকাৰ আৰু আমাৰ চৰকাৰ আলোচনাৰ ক্ষেত্রত জটিলতাৰ মাজলৈ যাব বিচৰা নাই। অসমৰ উন্নতিৰ হকে তেওঁলোকে কেন্দ্রীয় চৰকাৰক কওক কি বিচাৰে কি নিবিচাৰে। ইয়াত আমাৰ কব লগা নাই। যিহেতু সমস্যাটো জটিল। ইমান ইজি নহয়। আমি যিমান পাৰো

চেষ্টা কৰিছো। আমাৰ প্ৰথম কথা হৈছে বাহিৰত থকা সকলক আলোচনালৈ আনিব লাগে। আমি কনডিচন দিছো You stop violence and come for a talk.। তেওঁলোক আহক। একগোট হৈ আলোচনাত বহক আলোচনাত বহাৰ আগতে অস্ত্ৰ শস্ত্ৰ সম্বৰণ কৰক। তেওঁলোকে অস্ত্ৰ সম্বৰণ নকৰাকৈ আলোচনাত বহিব এইটো আমি সমৰ্থন নকৰো। তেওঁলোকে মাৰি থাকিব আৰু আমি কথা পাতিম। মামনি ৰয়চম গোস্বামীকে আদি কৰি কেইবাজনো লগ লাগি পি, চি, জি গঠন কৰি কি কৰিলে। যিয়েকি নহওক আলোচনাটো হব লাগে। সকলোৰে মাজত সমন্বয়টো থাকিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, জেলত থকা সকলে কৈছে যে জেলত থাকিলে কেনেকৈ আলোচনা হব। ইয়াৰ কাৰণে আমি ব্যৱস্থা কৰি আছো। আমাৰ প্ৰথম কথা হৈছে বাহিৰত বন্দুক চলোৱাটো বন্ধ কৰক। আমি কৰিম, যদি তেওঁলোক সকলোৱে কয়। আমি সেইটো বিচাৰো। তেওঁলোকে যদি নামাৰে আমিও নামাৰো। তেতিয়া আমি আটাইকে ভাল পাম। মানুহ মৰাটো কমি গলে সকলোৱে ভাল পোৱাটো স্বাভাবিক কথা। তেওঁলোকে যদি এৰাধৰাৰ মাজেৰে আলোচনা নকৰে তেতিয়া এই সমস্যা বিলাক কেতিয়াও সমাধান নহব। অসমৰ উন্নতি নহব। আজি আপোনালোকে যিদৰে কৈছে সেই সময়ত মহন্তলৈ এখন চিঠি লিখিছিলে চিঠিখন মই পঢ়ি দিব পাৰো। কিন্তু মোলৈ তেনেকৈ চিঠি লিখা নাই বা চিঠি অহা নাই। আপোনালোকে বিচাৰিলে মই চিঠিখনৰ কপি দিব পাৰো। যদি পলাই গৈছে সেইজন আকৌ কিয় আহিছে। মানুহে চাকৰি পাব। চি পি এম য়ে লেবাৰৰ কথা কৈছে। চাহ বাগিছাৰ মালিক হিচাবে কেইজনমান লোকহে জড়িত হৈ আছে। লাখ লাখ মানুহক আমি প্ৰথমৰ পৰাই মাটি দি আছো। কিন্তু মাটিৰ পট্টা একে দিনে দিব নোৱাৰি। এটা চিচটেম আছে। বেলতলাত যি সকলে মাটি কিনিছে পট্টা পাবলৈ কিমান দিন লাগে আপোনালোকে জানে আমাৰ চিচটেম আছে কি কৰিম। সোনকালে পট্টা পাবলৈ কিবা কৰিব পাৰি নেকি মই নাজানো। আমাৰ কিন্তু হোৱা নাই। প্ৰচেচ আছে, চিচটেম আছে, এই আইদিয়াটো মোৰে। চাহ মজদুৰ সকলৰ সেই একে অৱস্থা। মই দিয়াত নাই। সকলোৱে কৈছে কলা বেপাৰী আছে।

আমি ফাৰ্ম্মাৰ সকলক সুবিধা দিবই লাগিব। ফাৰ্ম্মাৰে যিটো সুবিধা পাব লাগে আৰু উৎপাদনৰ যিটো প্ৰাইচ সেইটো পাব লাগিব।

*** শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ** কনজুমাৰ ষ্টেটলৈ নিয়ক।

*** শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** আজি ওৱেষ্ট বেঙ্গলত কি হৈছে, বস্তুৰ দাম কমিছে নেকি? যিয়েই নহওক আমি ফাৰ্ম্মাৰিক প্ৰাইচটো দিব লাগিব।

মাননীয় অধ্যক্ষ ঃ আপোনালোকে ধৈর্য্য ধৰি শুনক।

*** শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** আমি যি দেখিছো ফাৰ্ম্মাৰে দাম নাপায়, কিন্তু মিডেলমেনে পইচাটো লৈ গৈছে, এইটো মই বিৰোধিতা কৰিছো। মই বাৰে বাৰে কৈছো। গ্ৰোৱাৰ্চ আমাৰ বঢ়াব লাগে আৰু সেইকাৰণেই যাতায়াতৰ সুবিধাৰ কাৰণে ৰাস্তা-পদুলি বিলাক উন্নত কৰাৰ চেষ্টা কৰা হৈছে, যাতে ট্ৰাক বাছ আদি সহজে অনা নিয়া কৰিব পাৰি আৰু উৎপাদনৰ বস্তু কঢ়িয়াব পাৰি। তেওঁলোকৰ কাৰণে গুদাম ঘৰ সাজি দিব লাগিব। অকল ফাৰ্ম্মাচ বুলিয়েই নহয় দুখীয়া মানুহ খিনিক সহায় আগবঢ়াব লাগিব। কোপাৰেটিভ চোচাইটি গঢ়ি দিব লাগিব। মুঠতে উৎপাদন বঢ়াব লাগিব। আমাৰ ৰাজ্যৰ কেৱল ধনী মানুহ খিনিয়েই সব পাব লাগিব সেইটো নহয়, দুখীয়া মানুহখিনিয়েও সুবিধা পাব লাগিব আৰু সেই কাৰণে আমি দুখীয়া মানুহ খিনিৰ মাজত কম্পিউটাৰ বিতৰণ কৰিছো। আজি শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকক সুবিধা আগবঢ়োৱা হৈছে কিয়নো শিক্ষা নহলে কোনো সমস্যাই সমাধান নহয়। আপোনালোকে চাওক ভাৰতবৰ্ষত কোন ৰাজ্যত তিনিখনকৈ চেন্ট্ৰেল বিশ্ব বিদ্যালয় আছে, বিশ্ব বিদ্যালয়েই হওক বা কলেজেই হওক আমি ফাইট কৰি টকা আনিছো। আমি কেন্দ্ৰীয় চৰকাৰক কনভিন্স কৰিছো আৰু সেই বাবে টকা আনিব পাৰিছো। ভাৰতবৰ্ষৰ কোনখন ৰাজ্যত ৩ খন চেন্ট্ৰেল ইউনিভাৰচিটি আছে। যিয়েই নহওক আমি ফাইট কৰি ৰাজ্যখনৰ কাৰণে টকা আনিছো। আসাম একৰ্ডত

ৰাজীব গান্ধীক সেইটো ডিমাণ্ড দিয়া নাছিল, কিন্তু আমাৰ দিনত আমি সেইটো আনিলো। সেই সময়ত মাৰোৰাৰীয়ে আপেল বুট দিছিল, জেলত বুট দিছিল। অৰিজিনেল কি আছিল আপোনালোকে জানেই। সেই সময়ত ফৰেইনাৰ ইচুটো লৈ মই ভাৰত চৰকাৰৰ লগত টক কৰাই দিছিলো। আজি তেওঁলোকে শিক্ষা, বানপানী, ফৰেইনাৰৰ কথা কয়, মই কৈছো ফ্লাডলাইট দিব লাগে, আউট পোষ্ট বঢ়াব লাগে। বিদেশীক নাগৰিক সোমোৱাৰ ৰাস্তা বন্ধ কৰিব লাগে সেই সম্পর্কত সকলোখিনি কৰিব লাগে। অৱশ্যে যিমান খিনি কৰিব লাগিছিল সিমানখিনি আমি কৰিব পৰা নাই। কিন্তু যিখিনি আমাৰ জেনুইন চিটিজেন আছে সেই খিনিক আমি প্ৰটেকচন দিব লাগিব। ৰাজ্যৰ মানুহখিনিয়ে ইকনোমিক বেনিফিত পাব লাগিব। আজি আমি কিয় কাউনচিল দিছো, নৰ্থ কাছাৰে পাব লাগিব, মৰাণ মটক, আহোম, শৰণীয়া, গোৰ্খা সকলোৱেই সুবিধা পাব লাগিব আৰু তাৰ কাৰণে টকা আনিছো। তাৰোপৰি ১০ বছৰৰ ভিতৰত ভেঞ্চাৰ স্কুল বিলাক প্ৰাদেশিকিকৰণ কৰিব বিচাৰিছো।

আমি ৰাজ্যখনৰ ইকোনমিটো ভাল ধৰণে মেনেজ কৰিব বিচাৰিছো। আগতে দৰমহাও দিব পৰা অৱস্থা নাছিল। কিন্তু আমি যিকোনো প্ৰকাৰে ষ্টেটৰ ৰিচোৰ্চ বঢ়াবলৈ চেষ্টা কৰিছো, ৰিচোৰ্চ মবিলাইজ কৰিছো। বহুতে কেলেংকাৰীৰ কথা কয়। মই বোলে ৰিজাইন দিব লাগে, যদি তেনেধৰণৰ কিবা প্ৰমাণিত অভিযোগ থাকে কিয় ৰিজাইন নিদিম। কিন্তু যি সকল মন্ত্ৰীৰ ওপৰত অভিযোগ উঠিছে সেইবিলাক প্ৰমাণিত নহলে মই কেনেকৈ ব্যৱস্থা লম। আনকি মোৰ ক্ষেত্ৰতো যদি কিবা প্ৰমাণিত হয় মই ৰাজ্যপালৰ ওচৰলৈ নাযাও। আপোনালোকে জানেই মই দিগেন বৰাৰ কথা নকও। দিগেন বৰাৰ বিষয়ে সকলোৱে জানে। মোক বহুতে Soft হোৱা বুলি কৈছে, সাংবাদিকে কৈছে কোমল বুলি। মই অৱশ্যে মাননীয় সদস্য প্ৰফুল্ল মহন্তৰ দৰে সত্ নহয় মোৰ অলপ খেলি মেলি আছে। আমাৰ যিবিলাক হোমগার্ড আছে চিভিল ডিফেন্স আছে গাওঁবুঢ়া আছে তেওঁলোকৰ বিষয়েও চিন্তা কৰিব লাগিব। এই বিলাক কাম আমি কৰিব লাগিব। মোক গালি পাৰিব তাত কোনো আপত্তি নাই। গালি পাৰিলে ভালহে পাম। আকৌ কৈছো অমুকে অমুকক

ভয় কৰে, এ জি পি য়ে কংগ্রেছক , কংগ্রছে এ জি পিক কোনে কাক ভয় কৰিব। আমি ৰাইজক ভয় কৰো, কিয়নো ৰাইজে আমাক দুচাত দিবও পাৰে, ভাল কাম কৰিলে ৰাইজে ফুলৰ মালা দিব আৰু বেয়া কাম কৰিলে জোতাৰ মালা দিব। এই খিনিকে কৈ ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ জ্ঞাপন কৰি সমর্থন কৰিবলৈ অনুৰোধ জনাইছো। সামৰিলো।

মাননীয় অধ্যক্ষ ঃ মাননীয় সদস্য শ্রীৰাণা গোস্বামী, আপুনি ধন্যবাদ সূচক প্রস্তাবৰ সম্পর্কত প্রত্যুত্তৰৰ অধিকাৰ হিচাবে বক্তব্য দাঙি ধৰিব নেকি, যদি থাকে আগবঢ়াব পাৰে।

(অনুপস্থিত)

মাননীয় সদস্য শ্রীৰাণা গোস্বামীয়ে উত্থাপন কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্রস্তাৱৰ সম্পর্কত সংশোধনী প্রস্তাৱৰ বাবে মুঠ ৯ খন জাননী পোৱা হয়। আৰু সদনত আটাইকেইখন জাননী উত্থাপিত হয়। সংশোধনী প্রস্তাৱৰ প্রথমখন জাননী মাননীয়া সদস্যা শ্রীমতী কমলী বসুমতাৰী, মাননীয় সদস্য শ্রীমহেশ্বৰ বড়ো, শ্রীথানেশ্বৰ বসুমতাৰী, আৰু শ্রীকমল সিং নাজৰীৰ নামত আছে। মাননীয়া সদস্যা শ্রীমতী কমলী বসুমতাৰী আৰু আপোনালোকৰ অন্যকেইজন মাননীয় সদস্য এতিয়া আপোনালোকৰ সংশোধনী প্রস্তাৱটো প্রত্যাহাৰ কৰিব নে?

শ্রীমতী কমলী বসুমতাৰীঃ মাননীয় অধ্যক্ষ মহোদয়, মই সংশোধনী প্রস্তাৱৰ জৰিয়তে মোৰ প্রস্তাৱটো সংযোজনৰ বাবে উত্থাপন কৰিছিলো। বাকী তিনিখন মেডিকেল কলেজৰ বাবে যিদৰে নতুনকৈ প্রস্তাৱ গ্রহণ কৰিছে তেনেকৈ আমাৰ কোকৰাঝাৰ আৰু কৰিমগঞ্জ আৰু ওদালগুৰিও এই কলেজ বিলাকৰ ক্ষেত্রত সংযোজন কৰিব লাগে। আমাক আশ্বাস দিলেই মই সংশোধনী প্রস্তাৱটি উঠাই লম। মই আশা ৰাখি প্রস্তাৱটো উঠাই ললো।

Mr. Speaker: Is it the Pleasure of the House to Grant leave to withdraw the Amendment motion?

(Voice :- Yes, yes)

With the leave of the House the Amendment is withdrawn.
